Assam Legislative Assembly Debates



OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

SEPTEMBER SESSION

No. 7

The 26th September, 1995

Price Rs. 45.75

PRINTED AT THE PAPLOO PRINTERS
JORHAT.

CONTENTS

SEPTEMBER SESSION

NO. 7

Dated the 26th September, 1995

		Page
1.	Questions and Answers	1-77
2.	Adjournment Motion	77-79
3.	Discussion During Zero Hour	79-90
4.	Announcement from the Chair	90-95
5.	Calling Attention Notice	95-111
6.	Matter Under Rule 301	111-118
7.	Private Members Bill	
8.	Discussion on the Pending Private Members Resolution	118-122
9.	Adjournment	122
10.	Annexures I to XIX	123-124

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 26th September 1995.

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

Mr. Speaker : Now Question No. 121. Questioner Shri Dhruba Kumar Sen.

বিষয় ঃ শিক্ষক সকলৰ পেঞ্চন।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে,

*১২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী মহকুমাত থকা প্রভিনচিয়েলাইজড্ হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ যি সকল শিক্ষকে অৱসৰ পোৱা ৩/৪ বছৰ হ'ল সেই সকল শিক্ষকৰ পেঞ্চন (পেঞ্চন) নিয়মিত ভাবে দিয়া হৈছেনে ?

(খ) যদি দিয়াহোৱা নাই, নিদিয়াৰ কাৰণ কি ?

শ্রীহেমপ্রকাশ নাৰায়ন (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী মহকুমাত মুঠ ৭১ টা পেঞ্চনৰ আবেদন পোৱা গৈছে আৰু তাৰ ভিতৰত ৫৮ খন পেঞ্চন আবেদন নিষ্পত্তি কৰা হৈছে। বাকী ১৩ খন আবেদনৰ কাম পৰীক্ষাধীন হৈ আছে।

(খ) প্রশ্ন নুঠে।

শ্রীধ্রুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কলে যে ৫৮ খন পেঞ্চনৰ আবেদন নিষ্পত্তি কৰা হৈছে। এতিয়া মন্ত্রী মহোদয়ে জনাব নেকি এই কি ধৰণে কৰা হৈছে। তাৰ তালিকাখন গাই দিব নেকি।

*শ্রীহেম প্রকাশ নাৰায়ন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নামখিনি বর্ত্তমান মোৰ হাতত নাই। মাননীয় সদস্যজনে জানিব বিচাৰিছে যে যোৱা ৪ বছৰত সমগ্ৰ অসমত চেকেণ্ডাৰী আৰু ইলিমেণ্টৰী দুয়োটা ধৰি মুঠ ১১,১৯৩ টা পেঞ্চনৰ প্ৰস্তাৱ পোৱা গৈছে। তাৰ ভিতৰত ৭১১৩ টা প্ৰস্তাৱ ইতিমধ্যে নিষ্পত্তি হৈছে। বাকী থকা ৪০৮০ টা প্ৰস্তাৱ পৰীক্ষাধীন হৈ আছে। ধুবুৰী মহকুমাত মুঠ ৭১ টা পেঞ্চন প্ৰস্তাৱৰ বিপৰীতে ৫৮ টা প্ৰস্তাৱ ইতিমধ্যে নিষ্পত্তি হৈছে। বাকী ১৩ টা প্ৰস্তাৱ বৰ্ত্তমান পৰীক্ষাধীন হৈ আছে আৰু অতি সোনকালে নিষ্পত্তি হোৱাৰ পথত। সাময়িক পেঞ্চনৰ ক্ষেত্ৰত ধুবুৰী মহকুমাত প্ৰায় বিলাক শিক্ষকৰ পেঞ্চনৰ প্ৰস্তাৱ নিষ্পত্তি হৈছে কেৱল ২৭ জন শিক্ষকৰ সাময়িক পেঞ্চন দিব পৰা নাই যদিও তেখেত সকলৰ প্ৰস্তাৱ সমূহ পৰীক্ষা কৰি থকা হৈছে। কিছুমান শিক্ষকৰ সাময়িক পেঞ্চনৰ ক্ষেত্ৰত দৰকাৰী কাগজ পত্ৰ জমা পোৱা নাই। উক্ত নথি পত্ৰ সমূহ সোনকালে জমা দিবলৈ সংশ্লিষ্ট প্ৰধান শিক্ষক/ অধ্যক্ষ আৰু অৱসৰ প্ৰাপ্ত শিক্ষক সকললৈ যোগাযোগ কৰি থকা হৈছে। ৰাজ্যখনত ইতিমধ্যে ২২,০০০ চেকেণ্ডাৰী আৰু এলিমেণ্টৰী শিক্ষকক প্ৰভিজনেল পেঞ্চন দিয়া হৈছে।

শ্ৰীধ্ৰুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান পেঞ্চনাৰে পেঞ্চন পেপাৰ দিয়াৰ পিচতো পেঞ্চন হোৱা নাই। মোৰ কথাটো হৈছে যি বিলাক পেঞ্চনাৰে পেপাৰ দিয়া ৪-৫ বছৰ হৈ গৈছে সেইবিলাক শিক্ষকৰো আজিলৈকে আই, এচ অফিচৰ পৰা পঠোৱা নাই। ইয়াৰ কি ব্যৱস্থা লব।

*শ্রীহেম প্রকাশ নাৰায়ন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি এনেকুৱা ৫ বা ৭ বছৰ আগতে পেঞ্চনাৰে শিক্ষা বিভাগ বা আই, এচলৈ পঠাইছে তেতিয়া হলে সেই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰা হব।

*শ্রীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো পেঞ্চনাৰৰ কাম বিলাক নিয়াৰিকৈ আৰু সোনকালে কৰিবৰ কাৰণে পেঞ্চন সঞ্চালকালয়ত যিমানখিনি কৰ্ম্মচাৰীৰ প্ৰয়োজন সিমান কৰ্ম্মচাৰীৰে পেঞ্চন সঞ্চালকালয়টো গঢ়ি তুলিছেনে।

*শ্রীহেম প্রকাশ নাৰায়ন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চনাৰ সঞ্চালকালয়ে কামখিনি কৰি আছে। যদি সেই বিভাগৰ কৰ্ম্মচাৰী বা বিষয়াৰ

* Speech not corrected

গাফিলতির কাৰণে কাম পিচুৱাই আছে আৰু অৱসৰ প্ৰাপ্ত শিক্ষকৰ অসুবিধা হৈছে তেতিয়াহলে এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰা হব।

*শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চনাৰ সঞ্চালকালয়ত একাউন্টচ বিষয়া নাথাকে। যিমানখনি কাম সেইমতে কাৰ্য্যালয়ত কৰ্মচাৰী নাই। সেই কাৰণে অৱসৰ প্ৰাপ্ত প্ৰাথমিক শিক্ষকৰ পেঞ্চনৰ কাম নিয়াৰিকৈ আৰু সোনকালে কৰিবৰ কাৰণে কৰ্মচাৰীৰ যি প্ৰয়োজন সেই হিচাবে নিয়োগ কৰিব নেকি।

*শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইতিমধ্যে পেঞ্চন বিভাগত কৰ্ম্মচাৰীৰ সংখ্যা কম থকাটো আমাৰ অনুভৱ হৈছে। সেই কাৰণে শিক্ষা বিভাগৰ পৰা মানুহ দিয়াৰ কাৰণে চোৱা হৈছে।

*শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চনৰ গোটেই বিষয়টোৱেই ত্ৰুটিপূৰ্ণ। সেই কাৰণে অকল শিক্ষকৰে নহয় সকলো চৰকাৰী কৰ্মচাৰীয়েই পেঞ্চন খিকমতে নাপায়। বিফাইনাৰী, কোম্পানী আদি বে-চৰকাৰী কিছুমান অনুষ্ঠানৰ কৰ্মচাৰীয়ে পেঞ্চনৰ কাৰণে এই ধৰণে কষ্ট খাবলগীয়া নহয়। ১ মাহ ১৫ দিনৰ ভিতৰতে সকলো সুবিধা পায়। চৰকাৰৰ ব্যৱস্থা যথেষ্ট আসোৱাহ পূৰ্ণ। গতিকে এই গোটেই ব্যৱস্থাটোৰ ওপৰত চিন্তা কৰিবলগীয়া হৈছে। যাতে শিক্ষক আৰু অন্যান্য কৰ্মচাৰীয়ে বেচি চাফাৰ কৰিবলগীয়া নহয়।

*শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেই সম্পৰ্কে আমি চিন্তা কৰিছো। আৰু চৰকাৰে পেঞ্চন সম্পৰ্কত বিশেষকৈ শিক্ষা বিভাগৰ পেঞ্চন সম্পৰ্কত এলিমেণ্টৰী হওক বা চেকেণ্ডাৰীয়ে হওক সেই সম্পৰ্কত ততকালীন ভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিছো। আৰু অতি সোনকালে কৰিব পাৰিম বুলি আশা ৰাখিছো।

*ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অৱসৰ প্ৰাপ্ত শিক্ষকৰ পেঞ্চন পোৱাৰ যিটো লেহেম গতি সেইটোৰ প্ৰতি লক্ষ্য ৰাখি সকলো কৰ্ম্মচাৰী এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পেঞ্চন পোৱাৰ ব্যৱস্থা কৰিব নেকি। এই অভিযোগ সদায়ে পাই থকা হয় যে যি বিলাকে পেঞ্চন সঞ্চালকালয়ৰ পিচ দুৱাৰেদি আহে সেই সকলেহে পেঞ্চন পায়। গতিকে মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি যে এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত অৱসৰ প্ৰাপ্ত শিক্ষক সকলক পেঞ্চন দিয়া হব।

* Speech not corrected

* শ্রীহেম প্রকাশ নাৰায়ন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে বর্ত্তমানে পেঞ্চন কার্য্যালয়টো কার্য্যক্ষম কৰি তোলা হৈছে। শিক্ষক সকলে অৱসৰ পোৱাৰ পিচত কিছু ক্ষেত্রত নথি-পত্র যোগান ধৰাত তেখেত সকলৰ অসুবিধা থাকে সেই কাৰণতো কেতিয়াবা হয়টো পলম হয়। ইতিমধ্যে এলিমেণ্টৰীত ৮৩৪৫ জন অৱসৰ প্রাপ্ত শিক্ষকৰ কাগজ পত্র পোৱা হৈছে। চেকেণ্ডাৰীৰ ২৮৪৮ খন পোৱা হৈছে। ইয়াৰে ভিতৰত এলিমেণ্টৰীৰ ৫৩৫৩, চেকেণ্ডাৰীৰ ১৭৬০ মুঠতে ৭১ ৩ জনক পেঞ্চন দিছে। এই সময় ছোৱাৰ ভিতৰত প্রাথমিকৰ ২৯৯২ আৰু মাধ্যমিকৰ ১০৮৮ পেঞ্চন নিষ্পত্তি কৰিবৰ বাবে ব্যৱস্থা লৈছে। আমি আশা ৰাখিছো আগতে শিক্ষক সকলে যিখিনি কষ্ট পাইছিল এতিয়া সেইখিনি কৰিব লগীয়া নহব।

* শ্রীমতী বেনুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাব নেকি যিবিলাক শিক্ষক ৫৮ বছৰ বয়সত অৱসৰ পাইছে তেখেত সকলক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে আৰু যি সকলৰ ২ বছৰৰ এক্সটেনচন কৰিছিল সেই সকলক পেঞ্চন বন্ধ কৰিছে। যি সকলে ৬০ বছৰত অৱসৰ লৈছিল তেখেত সকলে হাই কোৰ্টত কেচ কৰিছে তেখেত সকলক পেঞ্চন দিব নেকি।

* শ্রীহেম প্রকাশ নাৰায়ন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক সকলৰ অৱসৰৰ কাল ৫৮ বছৰ। যি সকল শিক্ষকে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্য্যায়ত খ্যাতি অর্জন কৰে তেখেতসকলক চৰকাৰে ১ বছৰ বঢ়াই দিয়াৰ কথা আছিল। তেখেতসকলে ২ বছৰ লাগে বুলি চুপ্রিম কোৰ্ট কৰিবলৈ গৈছে। যিহেতু এই কথাটো চুপ্রিম কোৰ্টত আছে গতিকে এই ক্ষেত্রত মতামত দিব নোৱাৰি।

* শ্রীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, বর্ত্তমান আজি যি পেঞ্চনৰ কথাটো উঠিছে এইটো কেৱল ধুবুৰী জিলাতে বা শিক্ষা বিভাগতে নহয় সমগ্র অসমৰ গোটেই বিভাগ বিলাকতে এই পেঞ্চনে 'ট্রেনশ্যনৰ' সৃষ্টি কৰিছে। কর্ম্মচাৰী সকলৰ পেঞ্চনৰ সুৰিধাৰ কাৰণে যি পেঞ্চন সঞ্চালকালয় কৰা হল সেই পেঞ্চন সঞ্চালকালয়ত যি পৰিমানৰ কর্ম্মচাৰী থাকিব লাগিছিল সেই পৰিমানৰ নাই তেতিয়াহলে মূল সমস্যাটোৰ সমাধান নহব। লগতে এই কথাটো কৈছো যে মাননীয় মন্ত্রীয়ে কৈছে শিক্ষকসকলে পেঞ্চন পেপাৰ তৈয়াৰ কৰোতে দেৰি কৰাটো শুদ্ধ উত্তৰ নহয় আৰু সত্য উত্তৰ নহয়। এজন শিক্ষকে অৱসৰ পাবলৈ

★ Speech not Corrected.

১ বছৰ থাকোতে অবসৰ সংক্ৰান্তৰ সকলোবিলাক কাগজ পত্ৰ আৰু তথ্যপাতি দিব লাগে তেনেধৰণৰ এটা নীতি গ্ৰহণ কৰিবনে ? যাৰ কাৰণে সেই ১ বছৰৰ ভিতৰতে সকলোখিনি কাম শেষ কৰি লগে লগে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব পাৰিব ।

* শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পেঞ্চন বিভাগটো শিক্ষা বিভাগৰ অধীনত নহয় যদিও শিক্ষক সকলৰ পেঞ্চনৰ সুবিধাৰ কাৰণে এই সকলো দিশ চোৱা হৈছে । মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াৰ পৰামৰ্শৰ বিষয়ে আমি জনাইছো যাতে ৫৮ বছৰ বয়সৰ পিচত পেঞ্চন যাতে সোনকালে হয় তাৰ বাবে স্কুল পৰিদৰ্শক, জিলা শিক্ষা বিষয়া আৰু উপ পৰিদৰ্শক সকলক মাতি আনি পেঞ্চনৰ বিষয়ে আলোচনা কৰি ডিৰেক্টৰ পৰ্য্যায়ত এটা পেঞ্চন চেলৰ বিষয়ে ঠিক কৰিছো যাতে পেঞ্চন পাবলগীয়া শিক্ষক সকলে ১ বছৰৰ ভিতৰতে পাবলগীয়া পেঞ্চন পায় তাৰ ব্যৱস্থা লোৱা হৈছে ।

* শ্ৰীধ্ৰুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে যদি জিলা পৰ্য্যায়ৰ পৰা সকলোবিলাক কাগজ পত্ৰ ঠিকমতে আহে তেতিয়াহলে আমাৰ ধুবুৰীৰ শিশু পাঠশালা হায়াৰ চেকেণ্ডেৰী স্কুলৰ পৱন মুখাৰ্জী আৰু বিৱেণ দাসৰ সম্পূৰ্ণ কাগজ পত্ৰ ঠিক হৈ থকাৰ পিচতো আজিলৈকে আই, এচ অফিচৰ পৰা ডিৰেক্টৰ অফিচলৈ পঠোৱা নাই কিয় ?

* শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো কি কাৰণে এনে হৈছে চোৱা হব লগতে দুয়োজন শিক্ষকৰ পেঞ্চনৰ কাগজ পত্ৰ নপঠোৱাৰ বিষয়টো তৎকালীন ব্যৱস্থা লম ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে এতিয়ালৈকে কিমানজন শিক্ষকে পাবলগীয়া পেঞ্চন নোপোৱাকৈ মৃত্যু হৈছে । যদি আজি তথ্য নাই তেতিয়াহলে কালিলৈ দিলেও হব ।

* শ্ৰীহেম প্ৰকাশ নাৰায়ন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান তথ্য মোৰ হাতত নাই । যদি অহা কালিলৈ দিব পৰা যায় দিম কিন্তু সেইটো সম্ভব নহব ।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষক বিলাকে অৱসৰ হোৱাৰ পিচত তেখেত সকলে যে পেঞ্চন পোৱাত যথেষ্ট অসুবিধা হয়

* Speech not corrected

সেইটো স্বীকাৰ কৰিব লাগিব। এই শিক্ষক সকলৰ পেঞ্চনৰ ক্ষেত্ৰত কোনো-ধৰণৰ খেলিমেলি নহয় আৰু যাতে অতি সোনকালে অবসৰৰ পিচত পইচা বিলাক পায় তাৰ এটা উজু নিয়ম কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কলিতা ডাঙৰীয়াৰ পৰামৰ্শৰ বিষয়ে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেখেতৰ পৰামৰ্শ মতে সুবিধা থাকিলে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Now, Starred Question No. 122. Questioner Sri Derhagra Musha. Hon'ble Minister of State, Power to reply.

Re : Rural Electrification in the Tamulpur Constituency.

Shri Derhagra Musha, asked,

*122. Will the Minister of Power be pleased to state :

(a) What are the villages that have been selected to extend the Electricity under the Head of Rural Electrification from the budget 1995-96 in the Tamulpur Constituency (Mention the name of villages and give the date when work will be started)

Shri Gupinath Das, Minister of State Power (Rural Electrification) replied,

(a) Following 4 (four) Nos. of new censused villages have been proposed for electrification from Tamulpur Legislative Assembly Constituency for electrification during 1995-96

Names	Census Code No.
1. Kolbari	2/60/135
2. Maderbari	2/60/114
3. Hazaragaon	2/60/61
4. Nawakhat	2/60/94

* Speech not corrected

The above mentioned scheme are subject to approval of the Rural Electrification Corporation. The works will commence on receipt of the approval.

তাৰাংকিত প্ৰশ্ন নং—১২২

* শ্ৰীডেবহাগ্ৰা মুচা : মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্ৰীয়ে যি বিলাক কথা কৈছে সেইটো প্ৰেকটিকেলী কবলৈ গলে সেইবিলাক এলেকা ৰুৰেল ইলেকট্ৰিফিকেশ্যনত নপৰে। সেইবিলাকত 'ইনটেনচিফিকেশ্যন'হে কৰা হৈছে, সেই বিলাকৰ আগতে শতকৰা ১০ ভাগ কৰা হৈছে। ৰুৰেল ইলেকট্ৰিফিকেশ্যনত এই বিলাক নপৰে। আৰ, ই, চি, আগতে তামুলপুৰত নাছিল। ১৯৯৫-৯৬ চনত কোনো কাম লোৱা হোৱা নাই। এতিয়া গাওঁ বিলাকত কেৰাচিন্ তেলৰ অভাৱ, ইলেক্ট্ৰিফিকেশ্যনৰ ব্যৱস্থা নাই সেইকাৰণে ৰাইজে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো প্ৰপাৰলি চাৰ্ভে কৰি আৰ, ই, চিৰ যোগেদি বৈদ্যুতিকৰণ কৰাৰ ব্যৱস্থা লব নেকি ?

* শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰ সমষ্টিত মুঠতে চেনচাচ গাওঁ হৈছে ২১১ ইয়াৰ ভিতৰত ১৯৪ খন ইলেকট্ৰিফাই কৰা হৈছে। বাকী ১৫ খন গাওঁ বাকী আছে। কলবাৰীৰ যিটো কথা কৈছে আগতে ইলেকট্ৰিফাই হৈ থকা বুলি আছে। মোৰ হাতত যিটো তথ্য আছে সেই মতে কিছুমান নতুন গাওঁ আছে আৰু কিছুমান গাওঁ আগতে এটা অংশ ইলেকট্ৰিফাই কৰা হৈছে। যি বিলাকৰ কিছু অংশ বাকী আছে সেইবিলাক কৰা হব। যি বিলাক আগেয়ে কৰা হোৱা নাই সেইবিলাকৰ বিষয়ে চাব লাগিব। আৰু তেখেতে কৈছে যে তেখেতৰ সমষ্টিত আধৰুৱা কাম ৪ খন গাৱত আছে সেই গাওঁ কেইখন লোৱা হৈছে। বাকী বিলাক পিচত চোৱা হব।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, গ্ৰাম্য বৈদ্যুতিকৰণ সম্পৰ্কে যি কোৱা হৈছে, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ৩৬ কোটি টকা পাইছে আৰু যি কামৰ কথা কোৱা হৈছে সেইখিনি হ'ল দেৰ হেজাৰ ট্ৰেন্সফৰমাৰৰ কথা কোৱা হৈছে, তিনি হেজাৰ কিলোমিটাৰ কনডাক্টিবৰ কথা কোৱা হৈছে আৰু ৯০ হেজাৰ খুটাৰ কথা কোৱা হৈছে। আজি চয় মাহ পাৰ হৈ গল, শতকৰা দহ ভাগো

★ Speech not corrected.

কাম হোৱা নাই। কিন্তু শতকৰা দহভাগ কাম হোৱা বুলি কোৱা হৈছে। এই ক্ষেত্ৰত টকা পাইছে, কিন্তু সদ-ব্যবহাৰ নোহোৱাৰ কাৰণ কি ?

* শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ বাবে আৰ, ই, চি, ৬ কোটি টকা দিয়াৰ কাৰণে এগ্ৰি কৰিছে, এতিয়াও টকা পোৱা নাই। যোৱা বছৰ ৩৫০ খন নতুন গাওঁ লোৱা হৈছে, যিবিলাক গাওঁত আছে সেইবিলাক ইনটেনচিফাই কৰা হৈছে। ২৬০ খন নতুন গাওঁত ইলেকট্ৰিফিকেশ্বন হৈছে।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, ৩৬ কোটি টকা ইতিমধ্যে পাইছে। মাননীয় অধ্যক্ষ : তামোলপুৰ সমষ্টিৰ প্ৰশ্ন কৰা হৈছে, প্ৰশ্ন মতেহে মিনিষ্টাৰে উত্তৰ দিব পাৰিব। **This relates to Tamulpur Consituency.**

*** Dr. Kamala Kalita : Minister is well-versed in his subject.**

Mr. Speaker : If Minister is well-versed, he will reply.

* শ্ৰীঅতুল বৰা : অধ্যক্ষ মহোদয়, যিবিলাক কমন ইচু কৰ পাৰিব লাগে। গ্ৰাম্য বৈদ্যুতিকৰণ কমন ইচু, এইটো উত্তৰ দিব পাৰিব লাগিব। তামোলপুৰৰ ২৪ কোটি টকাৰ উত্তৰ দিছে যদিও শুদ্ধকৈ দিয়া হোৱা নাই। ২৫ কোটি টকা ইতিমধ্যে ৰাজ্যিক বিদ্যুৎ মন্ত্ৰীয়ে পাইছে বুলি কৈছে। আনহাতে ৩৬ কোটি টকা পোৱা হব বুলি আশ্বাস দিয়া হৈছে।

* শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৩৫০ খন গাওঁত ইলেকট্ৰিফিকেশ্বন কৰা হব বুলি কোৱা হৈছে, ২৬৭ খন গাওঁত হৈ গৈছে।

শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, কত হৈছে, ৩৬ কোটি টকা পোৱাই নাই, কেনেকৈ কাম কৰিছে। এফালে কৈছে কাম কৰিছে, আনহাতে কৈছে টকা পোৱা নাই।

* শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যোৱা বছৰ ৩৬ কোটি টকা আৰ, ই, চি,ৰ পৰা পোৱা হৈছে ৩৫০ খন নতুন গাওঁৰ ভিতৰত ৩৩৬ খন ইনটেনচিফাই কৰা হৈছে, এই ক্ষেত্ৰত আচনি লোৱা হৈছে। যোৱা বছৰ হৈছে, এই বছৰ টকা পালে নিশ্চই কৰা হব, তেওঁলোকে এগ্ৰি হৈছে টকা দিব।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, ১৯৯৪-৯৫ চনত ৩৩৬ টা হোৱা বুলি কৈছে, কত হৈছে ৰাজ্যিক ভিত্তিত হৈছে নে জিলা ভিত্তিত হৈছে ?

★ Speech not corrected,

* শ্রীগোপীনাথ দাস (বাজ্যিক মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, যোৱা বছৰ ৩৫০ খন নতুন গাওঁ ইলেক্‌ট্রিফিকেশ্বনৰ কাৰণে লোৱা হৈছিল। জিলা ভিত্তিত তথ্য মোৰ হাতত আছে। ধুবুৰীত ২৬ টা লোৱা হৈছে, কোক্‌ৰাঝাৰত ৯ খনৰ ৯ খনে হৈছে, বঙাইগাওঁত ২ টা হৈছে, গোৱালপাৰাত ১০ টা হৈছে, বৰপেটাত ২১ টাৰ ১৯ টা হৈছে, নলবাৰীত ৫ টা হৈছে, কামৰূপত ২০ টাৰ ১৯ টা হৈছে।

* শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, টকাই নাই কত হ'ল, কত দিয়া হৈছে ? কামৰূপৰ এখন গাওঁ কত দিছে, বকো সমষ্টিত দিয়া হৈছে।

* শ্রীগোপীনাথ দাস (বাজ্যিক মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, যদি এই বিষয়ত লিষ্ট বিচাৰে অহা কালি লিষ্ট দিব পাৰিম।

* শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, এইখিনি যি তথ্য দিয়া হৈছে বিশেষকৈ কামৰূপৰ কথা মই জানো, যদি ২০ খন হৈছে, তেতিয়াহলে বকো সমষ্টিতেই হৈছে। কাৰণ সেইটো মন্ত্রীৰ নিজৰ সমষ্টি। আৰ, ই, চি,ৰ ক্ষেত্রত বহুত খেলিমেলি হৈছে, গতিকে এই ক্ষেত্রত সদন কমিটি কৰিব নেকি ?

মাননীয় অধ্যক্ষ ঃ মন্ত্রীয়ে অহা কালি লিষ্ট দিব বুলি কৈছে যেতিয়া সদন কমিটি নেলাগে।

Now starred question No. 123 Questioner Shri Madhusudan Tewari.

বিষয় ঃ আদমটিলা গ্যাস ভিত্তিক বিদ্যুৎ প্রকল্প।

শ্রীমধুসুদন তেওয়ারী, জিজ্ঞাসা করছেন,

* ১২৩। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

ক) আদমটিলা গ্যাস ভিত্তিক বিদ্যুৎ প্রকল্পের কাজ কখন আরম্ভ করা হইবে ?

খ) ডি, এস, এফ তাহাদের কার্য্যালয় কোথায় স্থাপন করিয়াছে জানাবেন কি ?

গ) আদমটিলা প্রকল্পের যাতায়াতের জন্য সোনাখিরা কল কলি ঘাট হইয়া আদমটিলা P. W. D.র রাস্তাটি গ্রহন করিলে জনসাধারনের উপকার ও রাস্তাটির উন্নতি হইবে তাই উক্ত বিষয়ে ব্যবস্থা নিবেন কি ?

শ্রীগোলক রাজবংশী (মন্ত্রী শক্তি বিভাগ) যে উত্তর দিছেন,

(ক) আদমটিলা গ্যাস ভিত্তিক বিদ্যুৎ প্রকল্পের প্রাথমিক পর্য্যায়ের কাজ আরম্ভ করা হয়ে গেছে।

* Speech not corrected

খ) ডি, এল, এফর মুখ্য কার্য্যালয় দিল্লীতে ।

(গ) আদমটিলা প্রকল্পে যাতায়াতের জন্য ডি, এল, এফ, থেকে এখন পর্য্যন্ত কোনও প্রস্তাব সরকারের কাছে আসেনি । প্রস্তাব আসার পরই উক্ত বিষয়ে বিবেচনা করা যেতে পারে ।

* Shri Golok Rajbongshi (Minister, Power) : The Company will just let us know if there is any necessity for any road and if so, then we will approach to the Dept. for necessary step.

* Shri Samarendra Nath Sen : Hon'ble Chief Minister during his last visit to Barak Valley laid the Foundation Stone of Banskandi and Adamtilla Gas Based Power Project on 17th and 18th April. May I know from the Hon'Minister whether any works have been started at Banskandi and if so, when it will be completed. There must be Gas Linkage Project.

* Shri Golok Rajbongshi (Minister, Power) : Untill and unless, clearance from the Govt. of India is given, with regard to Gas linkage, that can not be started. Moreover, this is the part of ONGC to determine.

* শ্রীমধুসুদন তেওয়ারী : মাননীয় অধ্যক্ষ মহোদয়, আমি বিদ্যুৎ বিভাগের মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে আদমটিলায় যে গ্যাস ভিত্তিক বিদ্যুৎ প্রকল্প স্থাপনের কথা বলা হয়েছে সেই প্রকল্পের কি কি কাজ এখন পর্যন্ত হয়েছে সেটা বিস্তারিত ভাবে বলবেন কি ?

* Shri Golok Rajbanshi (Minister) : Already land has been handed over to the Govt. and the Preliminairy survey has been started. We expect, the project will be started in 1996.

* শ্রীমধুসুদন তেওয়ারী : স্যার, এই প্রকল্পের কাজ অতি শীঘ্র আরম্ভ করা হবে বলে অনেকদিন ধরে আমাদেরে আশ্বাস দেওয়া হচ্ছে । মাননীয় মুখ্যমন্ত্রী মহোদয় এই প্রকল্পের কাজ আরম্ভ করার জন্য ইতিমধ্যে ভিত্তি স্থাপনও করেছেন । বরাকের জনসাধারনও বহুদিন যাবৎ বিদ্যুতের অভাবে নানা কষ্ট ভোগ করছেন । এইসব কথা চিন্তা করে একটা নির্দিষ্ট সময়ের মধ্যে এই প্রকল্পের কাজ আরম্ভ করা হবে কি না সেটা মন্ত্রী মহোদয় জানাবেন কি ?

* Speech not corrected

* Sri Golok Rajbanchi (Minister) : I have already stated that the survey work is going on. We have already directed the local officers to start the work shortly.

* শ্রীমধুসুদন তেওয়ারী : মাননীয় অধ্যক্ষ মহোদয়, বরাক উপত্যকায় এই প্রকল্পের কাজ ভালভাবে দেখাশোনার জন্য ডি এল এফ'র একটা কার্য্যালয় স্থাপন করা হবে কিনা মন্ত্রী মহোদয় জানাবেন কি ?

* Sri Golok Rajbanchi (Minister) : It will be started on 4th of october i. e. Next month at Silchar.

* শ্রীমধুসুদন তেওয়ারী : হলে কোথায় হবে ?

* শ্রীগোলক রাজবংশী (মন্ত্রী) : শিলচরে হবে।

* শ্রীমধুসুদন তেওয়ারী : মাননীয় অধ্যক্ষ মহোদয়, আমি বিভাগীয় মন্ত্রী মহোদয় এবং মাননীয় মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে আদমটিলা প্রকল্পের যাতায়াতের জন্য সোনাখিরা - কলকলি ঘাট হয়ে আদমটিলা পি ডব্লিও ডি যে রাস্তাটি আছে সেটা অধিগ্রহন করে উন্নতি করার ব্যবস্থা করলে এই অঞ্চলের জনসাধারনের, ছাত্র-ছাত্রীদের, ছোট ব্যবসায়ী যারা আছেন তাদের সকলেরই বিভিন্ন ধরনের সুবিধা হবে। সে জন্য এই রাস্তাটি এই প্রকল্পের জন্য গ্রহন করে উন্নতি করার জন্য বিভাগীয় মন্ত্রী এবং মাননীয় মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি।

* Shri Kali Ranjan Deb : Sir, may I know from the Hon'ble Minister, whether any works have been started in Banskandi and if so when this will be completed.

* Shri Golok Rajbongshi (Minister, Power) : Sir, the original question relates to Adamtila not relating to Banskandi.

* Shri Kali Ranjan Deb : Sir, The Hon'ble Chief Minister during his last visit to Barak valley assured the people that it will be started immediately. So, I want to know from the Hon'ble Minister when it will be started.

* Shri Golok Rajbongshi (Minister, Power) : I have already stated that survey work is going on. As soon as the survey work is completed and report submitted to Government the project work can be started.

★ Speech not corrected.

* শ্রীহিতেশ্বৰ শইকিয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো চলি আছে, প্ৰজেক্টটো আৰম্ভ কৰাৰ আগতে গেছৰ সৰবৰাহৰ কথা ঠিক থাক আছেনে নাই সেইটো চোৱা হয়, এই ক্ষেত্ৰত গেছৰ পাৰমিশ্যন দিছে।

Mr. Speaker : Now Question No. 124. Questioner Shri Bhupen Roy. Hon'ble Minister relief and rehabilition is to reply.

বিষয় : পৰিয়াল সংস্থাপন।

শ্রীভূপেন ৰায়ে সুধিছে,

* ১২৪। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ জিলাৰ বালাজানি চেচাপানী গাঁৱৰ ১৯৯৪ চনৰ বড়োলেণ্ড এলেকাৰ পৰা আনি কিছুমান পৰিয়ালক সংস্থাপন দিয়া হৈছিল নেকি ?

(খ) যদি হৈছিল পৰিয়ালৰ সংখ্যা কিমান ?

(গ) বৰ্ত্তমান উক্ত পৰিয়াল সমূহ সংস্থাপিত ঠাইতে আছেনে ?

(ঘ) উক্ত ঠাইখিনিত পৰিয়াল বিলাকক সংস্থাপন কৰাৰ আগতে স্থানীয় বাইজে আপত্তি জনাইছিল নেকি ?

শ্রীৰছিদুল হক (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়।

(খ) ৮০০ টা পৰিয়াল।

(গ) আছে।

(ঘ) আৰম্ভনিতে স্থানীয় বাইজে আপত্তি জনাইছিল।

* শ্রীভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, বড়োলেণ্ড এলেকাৰ যি ৮০০ টা পৰিয়ালক পুনৰ সংস্থাপিত কৰা হৈছিল সেই সকল এতিয়া তাত আছেনে নাই ? যদি আছে ক'ত আছে ?

* শ্রীৰচিদুল হক (পুনৰ সংস্থাপন মন্ত্ৰী) : য'ত মানুহখিনিক ৰখা হৈছিল সেই পৰিয়ালৰ লোকসকল তাতে আছে অর্থাৎ কেম্পত আছে।

* শ্রীভূপেন ৰায় : মন্ত্ৰী মহোদয় তালৈ নিজেই গৈছিল নেকি আৰু তাত গৈ মন্ত্ৰী ডাঙৰীয়াই চাই আহিছে নেকি ?

★ Speech not corrected.

* ৰচিদুল হক (পুনৰ সংস্থাপন মন্ত্ৰী) : ১৯৯০ চনৰ অক্টোবৰ মাহত কোকৰাঝাৰ আৰু বঙ্গাইগাৱত হোৱা গোষ্ঠীগত দুৰ্ঘটনাটো হোৱা দিনৰে পৰাই মই তালৈ গৈ আছে যদিয়ো মই সেই বিভাগৰ মন্ত্ৰী নাছিলো কিন্তু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সেই ঠাইত মোক তদাৰক কৰিবলৈ কৈ তাত ইনচাৰ্জ পাতি দিছিল । সংঘৰ্ষৰ পাচত তেওঁলোকক কোকৰাঝাৰ জিলাৰ আশ্ৰয় শিবিৰত ৰখা হৈছিল । বড়োলেণ্ড কাউনচিলৰ দাবীৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক বঙ্গাইগাওঁ জিলাৰ বালাজানী চেচাপানী গাৱত পুনৰ সংস্থাপন কৰা হয় । আৰম্ভনীতে উক্ত স্থানান্তাৰৰ পৰিপ্ৰেক্ষিতাত স্থানীয় ৰাইজে আপত্তি কৰিছিল । ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ ভিতৰত ৰাজহ গাৱৰ পৰিয়ালখিনিক নিজ নিজ গাৱত ঘূৰাই পঠোৱা হৈছিল আৰু বনগাওঁ নিবাসী পৰিয়াল খিনিক এতিয়াও কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ আশ্ৰয় শিৱিৰত ৰখা হৈছে । আশ্ৰয় শিবিৰ সমূহত থকা পৰিয়াল খিনিক অসম সাহায্য নিধি অনুসৰি খাদ্য সামগ্ৰী যোগান ধৰি থকা হৈছে । তাৰোপৰি ১০ জন মৃত ব্যক্তিৰ পৰিয়ালক ২৫ হাজাৰ টকাকৈ ১ লাখ টকা এটা কিস্তি আৰু বঙ্গাইগাওঁ জিলাৰ এজন মৃত ব্যক্তিৰ পৰিয়ালক ১ লাখ টকা মঞ্জুৰী দিয়া হৈছে । .... (গণ্ডগোল, শুনা নাযায়) তেওঁলোকক প্ৰয়োজন হলে স্থানান্তৰ কৰা হব ।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় মন্ত্ৰী মহোদয়ে জনালে যে যি সকলক পুনৰ সংস্থাপন কৰিলে তেওঁলোকক ১০ হাজাৰ টকাকৈ দিয়া হৈছে, মই জানিব বিচাৰিছো যোৱহাট টিয়ক সমষ্টি মাজুলী ইত্যাদিত মাত্ৰ ডেৰ হাজাৰ টকা দিয়া হৈছে ইয়াৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : আমাৰ এম, এন, পি, স্কীম আছে ।

শ্ৰীচন্দন চৰকাৰ : তাপাৰাৰীত যি সকল পৰিয়ালক পুনৰ সংস্থাপন কৰা হৈছে তাৰে ২০০ টা পৰিয়ালক ভালকৈ থাকিবলৈ দিয়া হৈছে এইটো কথা দৃষ্টি আকৰ্ষন কৰা হৈছেনে ?

* শ্ৰীৰচিদুল হক (পুনৰ সংস্থাপন মন্ত্ৰী) : তথ্যটো দিব লাগিব ।

(Starred Question No. 125 was lapsed.)

Mr. Speaker : Now starred Question No. 126. Questioner Sri Hitendra Nath Goswami : Minister, Flood control to-reply.

★ Speech not corrected.

বিষয় ঃ বানপানীত ক্ষয়ক্ষতিৰ পৰিমান ।

* শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে,

১২৬। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯৫-৯৬ বর্ষত অসমত সৰ্বমুঠ কেইটা বানৰ দ্বাৰা বাজ্যখন ক্ষতিগ্রস্ত হয় এই ক্ষয়ক্ষতিৰ পৰিমাণ আনুমানিক কিমান হব ?

(খ) ১৯৯৫-৯৬ বর্ষত বানত মুঠতে কিমানজন লোকৰ প্রানহানি হয়, কিমান পৰিমানৰ খেতি নষ্ট কৰে, পশুধন হানি কিমান হয় আৰু মুঠ ক্ষতিগ্রস্ত হোৱা এলেকা কিমান আৰু কোন কেইখন জিলা বান আক্রান্ত হয় ?

(গ) বান নিয়ন্ত্রণৰ বাবে চৰকাৰে চলিত বছৰত কি আঁচনি হাতত লৈছে ? (সদনত দাখিল কৰিব)

(ঘ) যোৰহাট নিমাতী সংৰক্ষণ আঁচনিখনৰ শেহতীয়া স্থিতি কি, আঁচনিখন কৰায়ন কেতিয়া আৰম্ভ হব আৰু কিমান বছৰৰ ভিতৰত এই আঁচনি সম্পূর্ণ হ'ব ?

শ্রীশৰৎ বৰকটকী (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৫-৯৬ চনত অসমত সৰ্বমুঠ তিনিটা বানপানীয়ে ক্ষতিগ্রস্ত কৰে। ক্ষয় ক্ষতিৰ পৰিমাণৰ তথ্য বাজহ বিভাগে দিব পাৰিব

(খ) ১৯৯৫-৯৬ চনত বানপানীত হোৱা ক্ষয়ক্ষতিৰ বিতং তথ্য তালিকা 'ক' ত দিয়া হ'ল । (See the Annexure I)

(গ) ১৯৯৫-৯৬ চনত বাননিয়ন্ত্রণ বিভাগে পৰিকল্পনা শিতানত অন্তর্ভুক্ত কৰা আঁচনি সমূহ 'খ' তালিকাত সন্নিবিষ্ট কৰা হ'ল । (See the Annexure—II)

(ঘ) যোৰহাট নিমাতী সংৰক্ষন আঁচনিখন পৰিকল্পনা আয়োগৰ বিবেচনাধীন হৈ আছে । আয়োগৰ অনুমোদন তথা প্রয়োজনীয় পূঁজি যোগান হলে আঁচনিখন দুবছৰ মানৰ ভিতৰত কার্য্যকৰী কৰিব পৰা যাব ।

* শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ মই দুটামান চাপ্লিমেন্টৰী দিবলৈ বিচাৰিছো । প্রথম চাপ্লিমেন্টৰীটো হ'ল— আজি ৰাতিপুৱা বাতৰি কাকতত মাজুলীক খহনীয়াৰ পৰা ৰক্ষা কৰাৰ কাৰণে সত্রাধিকাৰ সকল যোৱা কালি গুৱাহাটীলৈ ছাত্র সন্থাৰ কার্য্যালয়লৈ আহিছে । মাজুলীক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰা হব বুলি যোৱা বছৰ মুখ্য মন্ত্রী ডাঙৰীয়াই আশ্বাস দিছিল কিন্তু সেই আশ্বাসৰ একো কামত অহা নাই । এতিয়া মই জানিব বিচাৰিছো মাজুলীক ৰক্ষা কৰাৰ কাৰণে কিবা আঁচনি লৈছে নেকি ?

* Speech not corrected

* শ্রীশৰৎ ৰৱকটকী (বাননিয়ন্ত্রণ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাজুলী গৰা খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে পি এ চি ক দিয়া হৈছে ।

* শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, বহুতো আঁচনি পুঁজিৰ অভাৱত যি ধৰণে ৰূপায়িত হব লাগিছিল সেইদৰে হোৱা নাই । সেয়েহে পৰিকল্পনা আয়োগৰ উপাধ্যক্ষক লগ ধৰি অতিৰিক্ত পুঁজি দিয়াৰ কাৰণে মুখ্য মন্ত্রী আৰু বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী ডাঙৰীয়াই আমন্ত্রণ জনোৱা কথাটো সঁচা নেকি ? যদি নহয় কেতিয়া লগ ধৰিব জনাবনে ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ কথাটো যেনেকৈ প্রকাশ পাইছে প্রকৃততে সেইটো সত্য নহয় । আমি যোৱা বছৰ টকাৰ নাটনি স্বত্বেও আমি ই এ এছ আঁচনিৰ অধীনত ১৬ লাখ টকা খৰচ কৰিছো । আৰু ভাত বান্ধ দিয়া হৈছে । এই বিষয়ে কেন্দ্রীয় মন্ত্রীয়ে অহা ১০ তাৰিখে দিল্লীত এখন মিটিং পতাৰ কথা আছে । আমি তালৈ যোৱাৰ কথা আছে ।

* শ্রীনগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রীৰ পৰা জানিব বিচাৰিছো যে নলবাৰী জিলাত পাগলদিয়া নদীয়ে ইতিমধ্যে ৪ টা অঞ্চলত মঠাউৰি উটুৱাই নিছে । এই মঠাউৰি বন্ধাৰ কাম অতি সোনকালে আৰম্ভ কৰিবনে ?

* শ্রীশৰৎ ৰৱকটকী (বান নিয়ন্ত্রণ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে পাগলদিয়া নদীৰ মঠাউৰি বন্ধাৰ বাবে কেবাখনো আঁচনিৰ ২০/২১ লাখ টকা অনুমোদনৰ বাবে দিয়া হৈছে । আমি আশা ৰাখিছো টকা পালে অহা নবেম্বৰ মাহৰ পৰা কাম আৰম্ভ কৰিব পৰা যাব ।

* শ্রীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে গোলাঘাট জিলাৰ দৈয়াং আৰু ধনশিৰী নদীৰ গৰা খহনীয়াই কেবাখনো গাওঁ ধ্বংশ কৰিছে । গোলাঘাট জিলালৈ আজিলৈ বান নিয়ন্ত্রণ বিভাগৰ কোনো বিষয়া যোৱা নাই । এতিয়া মই জানিব বিচাৰিছো যে খহনীয়া ৰক্ষা কৰাৰ কাৰণে কিবা ব্যৱস্থা লবনে ?

* শ্রীশৰৎ ৰৱকটকী (বান নিয়ন্ত্রণ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে খহনীয়া ৰক্ষা কৰিবৰ বাবে পি, এ, চি, কমিটিলৈ অনুমোদনৰ বাবে পঠাইছো । এইটো অনুমোদন দিলে নিশ্চয় কাম কৰিব পৰা যাব

★ Speech not Corrected.

* শ্রীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রীৰ পৰা জানিব বিচাৰিছো চুঙাযান আৰু নাওযান নদীত যি জলসিঞ্চন আঁচনি আছে সেই আঁচনিৰ খহনীয়া আৰম্ভ হৈছে। এতিয়া এই চুঙাযান আৰু নাওযান নদীসমূহ প্ৰতিৰোধৰ কিবা ব্যৱস্থা লৱনে ?

* শ্রীশৰৎ ৰৱকটকী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আগতে কৈছো নদীসমূহ প্ৰতিৰোধ কৰাৰ বাবে আমি কিছুমান আঁচনি লৈছো। এই আঁচনি-বিলাক পি, এ, চি, কমিটিয়ে অনুমোদন জনালে আমি কাম আৰম্ভ কৰিব পৰা যাব।

* শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে পি, এ, চি, কমিটিক দিব। আৰু অনুমোদন দিয়াৰ পিছত কাম হব। কিন্তু আমি জানো যে ইতিমধ্যে পি, এ, চি, বহুত আঁচনিত অনুমোদন জনোৱাৰ পিছতো টকাৰ অভাৱত কাম কৰিব পৰা নাই। গোৱ সমষ্টিৰ ধাৰাপুৱ আৰু গৱলৰ বিষয়ে কব বিচাৰিছো। ব্রহ্মপুত্রৰ খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ পি, এ, চিৰ অনুমোদন জনোৱাৰ পিছত কেন্দ্রীয় চৰকাৰলৈ পঠোৱা বুলি কৈছে। এতিয়া যদি খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নলয় তেতিয়াহলে অহা ২/৩ বছৰৰ ভিতৰত জালুকবাৰী, ইউনিভাৰ্চিটি ব্রহ্মপুত্রৰ বুকুলৈ গুচি যাব। আমি প্ৰতিটো বিধান সভাতে এই বিষয়ে বাৰম্বাৰ কৈ আহিছো। কিন্তু চৰকাৰে একো পদক্ষেপ লোৱা নাই। এতিয়া অতিশীঘ্রে পি, এ চিৰ অনুমোদন জনায় কেন্দ্রীয় চৰকাৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিবনে ? বান নিয়ন্ত্রণ মন্ত্রী মহোদয়ে জনাব লাগে।

শ্রীশৰৎ ৰৱকটকী (বান নিয়ন্ত্রণ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি টকাৰ অভাৱৰ বাবে এইবিলাক কাম কৰিব পৰা নাই। ইতিমধ্যে আমাক কেন্দ্রীয় চৰকাৰে ইতিমধ্যে চেণ্ট্রেল স্পেচিয়েল এচিষ্টেন্স আঁচনিৰ অধিনত ৬৫ কোটি দিয়াৰ কথা ঘোষণা কৰিছে। আকৌ আমি ষ্টেট বাৰ্ষিক প্লেনত ২৩ কোটি ৪১ লাখ টকা দিছে। সেয়েহে টকা নাপালেও এই টকাৰ ভিতৰতে আঁচনি লোৱাৰ ব্যৱস্থা কৰিম।

* শ্রীসুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে ১৯৯৩ চনতে বিধান সভাত আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই মৰিগাওৰ ধলাইখাইতিত আৰু হোজাইত মঠাউৰি নির্মাণ কৰাৰ

* Speech not corrected

আশ্বাস দিছিল। কিন্তু এতিয়াও নির্মাণ কৰা হোৱা নাই। এইবাৰ বানে মৰিগাওৰ প্ৰায়বিলাক অঞ্চলেই বুৰাই পেলাইছে এতিয়া এই মঠাউৰি নির্মাণ কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই যিটো কথা কৈছে প্ৰকৃততে সেইটো সঁচা আৰু তাত কিছু কামো কৰা হৈছিল। তাত মাটিৰ স্পাৰ দিয়া হৈছে। ১৯৯৬-৯৭ চনত কেন্দ্ৰীয় চৰকাৰে আমাক ২৫ কোটি টকা অতিৰিক্ত দিয়াৰ কথা কৈছে। এই ২৫ কোটি টকা পালে নিশ্চয় কাম কৰা হব।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰঙিয়া মহকুমাৰ পুঠিমাৰী নদীয়ে প্ৰায় ৮ খন মান ঠাইত ভাবুকিৰ সৃষ্টি কৰিছে। তাৰ ভিতৰত ৪ ঠাইত অতি ভয়ংকৰ হৈছে। তাৰ বাহিৰে ইতিমধ্যে বিভাগীয় মন্ত্ৰীক স্মাৰক পত্ৰ দিছে। পুঠিমাৰীত যি ৮ ঠাইৰ ভিতৰত ৪ ঠাইত ভয়ংকৰ ভাবুকিৰ সৃষ্টি কৰিছে তাক প্ৰতিৰোধ কৰাৰ কিবা ব্যৱস্থা লৈছেনে ? আৰু যদি লোৱা নাই ব্যৱস্থা লোৱা হবনে ?

* শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : এতিয়া মোৰ হাতত তথ্য নাই। নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰা হব।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীয়ে উত্তৰত টকা পালে কৰা হব বুলি উত্তৰ দিছে। মই সদ্যহতে এটা কথা কবলৈ বিচাৰিছো যে মাজুলী পৃথিৱীৰ ভিতৰত ডাঙৰ নদী দ্বীপ। গতিকে এই দ্বীপটো ৰক্ষা কৰিব লাগে। পইচা নাথাকিলেও বেলেগ বিভাগৰ পৰা পইচা আনি হলেও মাজুলীক ৰক্ষা কৰিব লাগে। কাৰণ চৰকাৰে বেলেগ কামতটো বিভিন্ন বিভাগৰ পইচা ইটো বিভাগৰ পৰা সিটো বিভাগলৈ নিয়ে। গতিকে চৰকাৰে কম গুৰুত্বপূৰ্ণ আঁচনিৰ পৰা টকা নি হলেও মাজুলীক ৰক্ষা কৰিব লাগে নতুবা চৰকাৰে অসমতে ব্যৱসায় কৰি থকা ও, এন, জি, চি, বিফাইনাৰী আদিৰ ওচৰত হাত পাতিব লাগে। অসমত বহুতো চাহ বাগিছা আছে। সেইবিলাকৰ পৰা টকা লৈ হলেও মাজুলীক ৰক্ষা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য পাব, ঋণ পাব আৰু তেতিয়াহে কাম হব। এইটো হব নোৱাৰে। অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কবলৈ বিচাৰিছো সেইটো হ'ল চৰকাৰে মঠাউৰি দিয়াতকৈ স্পাৰ দিয়াৰ ওপৰত গুৰুত্ব দিব লাগে। মই দেখিছো স্পাৰ দিলে

*Speech not corrected

খৰচ বেছি পৰে যদিও স্পাৰ দিলে দিয়া ঠাইত ব্ৰহ্মপুত্ৰই ১ ইঞ্চিও মাটি খহাই নিব পৰা নাই। লগতে স্পাৰ দিলে নদীও দ হয়। গতিকে চৰকাৰে মাজুলীত স্পাৰ দিয়াৰ ব্যৱস্থা কৰি মাজুলীক বচাব লাগে। মন্ত্ৰী মহোদয়ে মাজুলীক বচোৱাৰ বাবে কি ব্যৱস্থা কৰে আমাক জনাব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি মাজুলী ৰক্ষা কৰাত প্ৰাধান্য দি আছো সেই কাৰণে আমি মাজুলী ৰক্ষাৰ প্ৰস্তাৱত মঞ্জুৰী দিছো। মই অলপতে কৈছো যে যোৱা বছৰ টকা নথকা বাবে আমি নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত ১৬ লাখ টকা দিছো। মাজুলীত বান পানীয়ে প্ৰতি বছৰে বাস্তা ঘাট, দলং আদি উটুৱাই নিয়ে। মাজুলীত থকা পুৰণি সত্ৰ বিলাক ৰক্ষণা বেক্ষণ কৰাত আমি গুৰুত্ব দিছো। তেখেতে যে স্পাৰ দিয়াৰ কথা কৈছে হয় স্পাৰ দিলে ভাল হয়। আমিও গুৰুত্ব দিছো কিন্তু একোটা স্পাৰ দিবলৈ হলে ১ কোটি ডেৰ কোটি টকা লাগে। সেয়েহে আমি টকাৰ অভাৱৰ বাবে মথাউৰি দিব লগা হৈছে।

* মোঃ মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰ গঢ়াখহনীয়া হৈছে। উদাহৰণ স্বৰূপে মানকাছাৰ জিলাখন গঢ়াখহনীয়া কবলত পৰিছে। চৰকাৰৰ পৰা বাননিয়ন্ত্ৰণ বিভাগে বানপানী ৰক্ষাৰ কাৰণে যি টকা পাই সেই টকাৰে ধুবুৰী জিলা গঢ়াখহনীয়া বোধ কৰাৰ কিবা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ পানী নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হব নেকি ?

* শ্ৰীপানীৰাম বাভা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯ তাৰিখে বিধান সভাত বানপানীৰ বোধৰ কাৰণে এটা প্ৰস্তাৱ উত্থাপন কৰা হৈছিল। মোৰ সমষ্টি, ৰৰঘাট বজাৰত দোকান দিয়া উদ্ধৱ কলিতা নামৰ দোকানীজনে দোকান বন্ধ কৰি ঘৰলৈ আহোতে বানপানীয়ে উটুৱাই নিলে। ব্যৱসায়ীজনক ৩ দিন ধৰি বিচাৰি পোৱা নাই। সেই ব্যৱসায়ীজনৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, বানপানী সম্পৰ্কত আমি সকলো সজাগ ! ৰাজ্যখনৰ বিভিন্ন ঠাইত গঢ়াখহনীয়া হৈ

★ Speech not corrected.

আছে। যিবিলাক অঞ্চলত গঢ়াখহনীয়া হৈছে, তাত প্রতিৰোধ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু কৰা হ'ব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অন্যান্য ক্ষেত্রত আমাৰ কিছু অসুবিধা হৈছে। ৩ টা বাৰ্ষিক বছৰত আমি কেন্দ্রীয় চৰকাৰৰ পৰা টকা পাইছো—১৯৯২-৯৩ বৰ্ষৰ বাৰ্ষিক বছৰত কেন্দ্রীয় চৰকাৰে আমাক কেন্দ্রীয় জলসম্পদ মন্ত্রালয়ৰ পৰা ১৯৯২-৯৩ বৰ্ষত ২৫ কোটি টকা আবণ্টনৰ বিপৰাতে মাত্র ৯৭ লাখ টকাহে ৰাজ্য চৰকাৰে পাইছিল ; ১৯৯৩-৯৪ বৰ্ষত মাত্র ৪'১১ কোটি টকা আৰু ১৯৯৪-৯৫ বৰ্ষত ২৫ কোটি টকা আবণ্টনৰ বিপৰীতে ১'৬৩ কোটি টকাহে লাভ কৰা হয়। আমি বিচৰামতে টকা লাভ কৰিব পৰা নাই হদিও আমি ডি আৰ ডি এ, ডি, আৰ, ওৱাই আৰু পি এইচ ইৰ টকাৰ জৰিয়তে ১২০ টা মথাউৰিৰ ভিতৰত ১১৭ টা মথাউৰি মেৰামতি কৰিছো। তিনিটা বছৰত ২৫ কোটি টকা আবণ্টনৰ বিপৰীতে মাত্র ৯৭ লাখ টকাহে ৰাজ্য চৰকাৰক দিয়ে। ৪'১১ কোটি টকাৰ বিপৰীতে ১'৬৩ কোটি টকাহে আমি পাইছো। ইমান কম টকাৰে ব্রহ্মপুত্র বাননিয়ন্ত্রণ আৰু গড়াখহনীয়া ৰোধ কৰা সম্ভৱ নহয়।

* শ্রীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেঙ্কৰ পৰা ঋণ লৈ পাৰিব নেকি ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বছৰ ২৫ কোটি টকাৰে মঠাউৰি বনাইছো।

* শ্রীআফজানুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, কেইজনমান ইঞ্জিনিয়াৰে ব্রহ্মপুত্র বান নিয়ন্ত্রণৰ ওপৰত পৰীক্ষা চলাই আছে। তেখেত সকলে যাতে কম পইচাৰে কাম কৰিব পাৰে। ব্রহ্মপুত্রৰ সোঁত অন্যফালে বোৱাই নিবৰ কাৰণে অফিচাৰ ইঞ্জিনিয়াৰ সকলে কম দ' পুতি থয়। যিটো খুটা অন্ততঃ ৬০ ফুট তললৈ পুতিব পাৰে। এইখিনি কৰিবৰ কাৰণে টকাৰ অভাৱ।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ব্রহ্মপুত্রৰ ওপৰত বহুতো সমীক্ষা চলাই আছে। ডি আৰ ডি এৰ জৰিয়তে এইটো কৰা সম্ভৱ নহয়। ১৯৭৬ চনত তেওঁলোকে নোৱাৰো বুলি কলে। ভাৰতে নোৱাৰে, আমেৰিকাইও কৈছে যে এইটো সম্ভৱ নহয়। সেইকাৰণে আমাৰ স্থানীয় ইঞ্জিনিয়াৰ সকলে চেষ্টা কৰিছে। গোস্বামীয়ে এবাৰ কথা কৈছিল সেই ক্ষেত্রত

★ Speech not corrected

মই কব বিচাবিছো যে তেখেতে কোৱা কথাখিনিত ৰাজনীতিব কথা বেছি সোমাই আছে। মই ভাবো যে ধৰ্মৰ ক্ষেত্ৰত ৰাজনীতি হোৱা ভাল নহয়।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই অনুভৱ কবিছো যে সত্ৰাধিকাৰ সকলে এপইণ্টমেণ্ট পাবৰ সুবিধা কবি দিয়া হৈছিল। মই সেই আলোচনাত থকা নাই। মাজুলীৰ সত্ৰাধিকাৰ সকলে অসম চৰকাৰৰ লগত আলোচনা কৰিছিল সেইমতে চৰকাৰে আশ্বাসও দিছিল কিন্তু একো কবিব নোৱাৰিলে। সেইকাৰণে মাজুলীৰ সত্ৰাধিকাৰ সকলে ৰাজ্যপালৰ লগত আলো না কবিব বিচাৰিছিল। মই যদিও দলৰ বিধায়ক ৰাজনীতিক উদ্দেশ্য লৈ কৰা নাই। মই জনামতে কেইজনমান সত্ৰাধিকাৰ মাননীয় মুখ্যমন্ত্ৰীৰ ভাল সম্পৰ্ক আছে।

* শ্ৰীতৰুণ বৰা : মাননীয় অধ্যক্ষ মহোদয়, কোনে ৰাজনীতি কবিছে, কোনে কি কবিছে সেইটো আমি চাবলৈ নাযাওঁ। আমি জানো যে নদী দ্বীপ মাজুলী-খন বক্ষা কবিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাজুলীখনৰ বাবে আলোচনা কৰিবৰ কাৰণে যোৱাবাৰ ১৮ জন সত্ৰাধিকাৰক মতা হৈছিল। তেতিয়া কেৱল ৩ জন সত্ৰাধিকাৰহে আহিছিল। মই সেই কথালৈ ক্ষেপ কৰা নাই। যোৱা ৩ টা বছৰত আমি ৬ কোটি টকা পাইছো তাবে ১১৭ টা মঠাউৰি নিৰ্ম্মাণ কবিছো। এইটো কোনো ডাঙৰ কথা নহয়।

বিষয় : আঁচনিৰ টকা।

শ্ৰীৰামেশ্বৰ ধানোৱাবে সুধিছে,

* ১২৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কবি জনাবনে :

(ক) তিনিচুকীয়া জিলাত যোৱা ১৯৯৪-৯৫ বছবটোত ৰূপায়ন হৈ থকা সম্পূৰ্ণ স্বাক্ষবতা আঁচনিত এতিয়ালৈকে কিমান টকা খৰচ কৰা হল আৰু কি কি বিষয়ত বা আইটেমত কিমান কিমান টকা খৰচ হৈছে আৰু জিলাখনৰ কিমান সংখ্যক জনসাধাৰণ এই আঁচনিৰ দ্বাৰা প্ৰকৃততে উপকৃত হৈছে ?

(খ) উক্ত আঁচনিৰ বাবে এখন ডিজেল জীপ কিনা হৈছে নেকি ?

(গ) জিলা পৰ্য্যায়ত থকা কমিটি খনত কোন কোন সদস্য আছে ?

☆Speech not corrected

আবুচালেহ নিজামুদ্দিন (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ইং ১১/৯/৯৫ তাৰিখলৈকে ৬৯, ১৭, ৮৮৭·০০ (উনসত্তৰ লাখ সোঁতৰ হাজাৰ আঠশ সাতাশী) টকা এই অঁচনিত খৰচ কৰা হৈছে। উক্ত খৰচৰ হিচাব (Annexure-I) ত দিয়া হৈছে। এই অঁচনিত ২, ১০,০০০ লোকক সামৰি লোৱা হৈছে। (See the Annexure-III)

(খ) এই অঁচনিত কোনো ডিজেল জীপ কিনা হোৱা নাই।

(গ) জিলা পৰ্য্যায়ত থকা কমিটিখনৰ সদস্য সকলৰ নামৰ তালিকা (Annexure-II) ত গাঠি দিয়া হৈছে। (See the Annexure-IV)

(Starred question Nos. 128 to 140 could not be taken up as the Question Hour was over, the replies of the said questions deemed to have been laid on the table of the House.)

Re : Sanctioning of loans.

Shri Rampyare Robidas, asked,

* 128 Will the Minister of Cooperation be pleased to state :

(a) How many loans were sanctioned under the different Branch Offices of the ASCARD (Assam State Agril and Rural Dev. Bank) Bank during 1991-92, 1992-93, 1993-94, 1994-95, and 1995-96 financial year ?

(Give the list of beneficiaries with names, address, amount of loan sanctioned, date of sanctioning etc. on the table of the House).

(b) What are the total number of applicants, who applied for granting loans under the Ramkrishna Nagar, ASCARD Bank (since its inception till date) during the above period ?

(c) Amongst them, how many loans have been sanctioned ?

(Give the name who received loan amount sanctioned and plane the list on the Table of the House).

Shri Haren Bhumij (Minister, Cooperation) replied,

(a) 669 Loan cases have been sanctioned during 1991-92,

★ Speech not corrected.

1992-93, 1993-94, 1994-95, and 1995-96 through different branches of ASCARD Bank.

(the list of baneficiaries with the required particulars is placed on the table of the House)

(b) 16 (sixteen) applicants.

(c) 12 (twelve) applicants have been sanctioned loans. (The list of beneficiaries is placed on the Table of the House)

বিষয় ঃ বিশ্ব বেংকৰ সাহাৰ্য্য ।

শ্ৰীজিউৰাম বড়োই সুধিছে,

*১২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ৪ খন জিলাক শিক্ষাত অতিশয় পিছপৰা বুলি চিনাক্ত কৰা আৰু এই জিলাকিখনক শিক্ষাত উন্নত কৰিবলৈ বিশ্ব বেংকৰ পৰা সাহাৰ্য্য প্ৰদান কৰা হৈছে ই সচাঁনে ?

(খ) যদি সচাঁ এই বিশ্ব বেংকৰ সাহাৰ্য্যৰে শিক্ষাত পিছপৰা অঞ্চলক উন্নত কৰিবলৈ কেনেধৰণৰ পৰিকল্পনা যুগুত কৰি তোলা হৈছে ?

(গ) এই পৰিকল্পনাৰ আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ কোন জিলাই ইতিমধ্যে কিমান ধন মঞ্জুৰী পালে আৰু ইয়াৰে কিমান ধন ব্যয় কৰা হ'ল অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীজমন সিং ব্ৰহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় সচাঁ। কেন্দ্ৰীয় চৰকাৰে বিশ্ব বেংকৰ পৰা ঋণলৈ অনুদান হিচাবে টকা ৰাজ্য চৰকাৰলৈ আবণ্টন কৰে ।

(খ) প্ৰাথমিক শিক্ষাৰ উন্নতিকল্পে জিলা প্ৰাথমিক শিক্ষা আঁচনি যুগুত কৰা হৈছে আৰু এই আঁচনিৰ বৈশিষ্ট্য সমূহ এনে ধৰণৰ –

(১) শৈক্ষিক, প্ৰশাসক, প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, তত্বাবধায়ক, ছেস্বাসেবী অনুষ্ঠান আৰু গাওঁ সমিতি আদিৰ পৰামৰ্শ আৰু অংশ গ্ৰহণৰ জৰিয়তে আঁচনিৰ পৰিকল্পনাকৰণ তথা ৰূপায়ণ ।

(২) বিদ্যালয়ত ল'ৰা-ছোৱালীৰ নাম ভৰ্ত্তিকৰণৰ সংখ্যা বৃদ্ধি আৰু সম্পূৰ্ণ সংৰক্ষণ ।

★ Speech not corrected.

(৩) সামগ্রীক ভাৱে আধকৱাকৈ স্কুল এৰা ছাত্র ছাত্রীৰ সংখ্যাৰ হাৰ কমোৱা ।

(৪) বিদ্যালয় নথকা জনবসতি অঞ্চলত নিদ্ধাৰিত সংখ্যক নতুন বিদ্যালয় স্থাপন কৰা ।

(৫) নতুন বিদ্যালয় ভবন নির্ম্মাণ, পূৰনা বিদ্যালয় ভবন সমূহৰ মেৰামতি শৌচাগাৰ আৰু প্রসাৱাগাৰ নির্ম্মাণ ।

(৬) সংশোধিত পাঠ্যপুথি, কর্ম্মপুথি, শিক্ষকৰ হাতপুথি প্রস্তুতকৰণ আৰু মুদ্রণ ।

(৭) শিক্ষকৰ পূর্ণ জড়িতকৰণ আৰু প্রশিক্ষণ ।

(৮) শিশুৰ বাবে মেলা, উৎসৱ আদি পতা ।

(৯) মহিলা/মাতৃ শিবিৰ পাতি প্রাথমিক শিক্ষাৰ বাবে সজাগতা বৃদ্ধি কৰা আৰু ল'ৰা-ছোৱালীৰ বিদ্যালয়লৈ যোৱাটো সুনিশ্চিত কৰা, আৰু

(১০) পৰিবেশ সৃষ্টি কৰা কার্য্য- যেনে, কলাযাত্রা, মিটিং, বাটৰ নাট ইত্যাদি ।

(গ) ৪ খন জিলাত মুঠ ২, ১৫, ১৭, ০২৪ টকা মঞ্জুৰ কৰা হৈছে আৰু ইয়াৰ বিপৰীতে ১, ২৪, ৩৬, ২২৩ টকা ব্যয় হৈছে । জিলা ভিত্তিক ধনৰ আৱণ্টন আৰু ব্যয় এনে ধৰণৰ —

জিলাৰ নাম	৩১ জুলাই, ১৯৯৫ লৈকে মঞ্জুৰীকৃত ধনৰ পৰিমান	৩১ জুলাই, ১৯৯৫ লৈকে ধন ব্যয়ৰ পৰিমাণ
১) কাৰি আংলং	৩১, ৪৩, ৭৫৬	২, ৬৭, ৭৫৬
২) ধুবুৰী	৬৩, ১৮, ৭৫৬	৩৩, ০২, ৫২৪
৩) দৰং	৬৬, ৭৭, ৭৫৬	৪৮, ৪১, ৮৬৬
৪) মৰিগাওঁ	৫৩, ৭৬, ৭৫৬	৪০, ২৪, ০৭৭
মুঠ	২, ১৫, ১৭, ০২৪	১, ২৪, ৩৬, ২২৩

বিষয় ঃ ত্রান শিৰিৰ ।

শ্রীকমল ব্রহ্মই সুধিছে,

* ১৩১। মাননীয় সাহার্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

★ Speech not Corrected.

(ক) ১৯৯৩ চনত বঙ্গাইগাওঁ জিলাৰ আমটেকা অঞ্চলত হোৱা গোষ্ঠীগত সংঘৰ্ষৰ পিচত কিমানখন ত্ৰান শিৱিৰ খোলা হৈছিল ?

(খ) বৰ্ত্তমানে এনে ত্ৰান শিৱিৰৰ সংখ্যা কিমান ?

(গ) আজিলৈ এই ত্ৰান শিৱিৰবোৰত নিয়মিত খাদ্য যোগান দিয়া হয়নে ?

(ঘ) যদি দিয়া হয়, মাহত কিমান পৰিমাণৰ খাদ্য বস্তু যোগান ধৰা হয় ?

শ্ৰীৰচিদুল হক (সাহাৰ্য্য তাৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) ১৯৯৩ চনত বঙ্গাইগাওঁ জিলাত হোৱা গোষ্ঠীগত সংঘৰ্ষৰ সময়ত মুঠ ১৩ টা ত্ৰান শিৱিৰ খোলা হৈছিল ।

(খ) বৰ্ত্তমান এনে ত্ৰান শিৱিৰৰ সংখ্যা ৩ টা ।

(গ) হয় ।

(ঘ) প্ৰতি মাহত চাউল ৬১৪·৫৫ কুইণ্টল, দালি ৮৫·৮৫ কুইণ্টল, নিমখ ২৪·৪৫ কুইণ্টল আৰু মিঠাতেল ২৪·৪৫ কুইণ্টল ।

বিষয় : গড়া খহনীয়া প্ৰতিৰোধ ।

শ্ৰীমিলন বড়োই সুধিছে,

* ১৩২। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰৰপেটা জিলাৰ সৰভোগ চাৰ্কোলৰ অন্তৰ্গত হাখুৱা ননজোৱা আৰু বেকি নদীৰ প্ৰবল খহনীয়াই উত্তৰ খাৰিজা বিজনী মৌজাৰ বহু গাওঁ ও খেতি পথাৰ ধ্বংস কৰি অঞ্চলটোকে নিচিহ্ন কৰিব খোজা অৱস্থাটোৰ বিষয়ে অৱগতনে?

(খ) বৰ্ত্তমানলৈ বাননিয়ন্ত্ৰণ বিভাগে উক্ত খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে কি কি ব্যৱস্থা লৈছিল আৰু কিমান ধন বৰ্ত্তমানলৈ খৰছ কৰা হৈছিল তাৰ বিতং তথ্য সহ জনাবনে ? (যি বিলাক ব্যৱস্থা লোৱা হৈছিল তাৰ প্ৰতি বছৰত কৰা খৰছৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) যিহেতু উক্ত খহনীয়াই ইতিমধ্যে বহুকেইখন গাওঁ ও খেতি পথাৰ নদীৰ বুকুত জাহ নিয়ালে গতিকে ইয়াক চলিত বছৰতে প্ৰতিৰোধ কৰাৰ বাবে ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ বিভাগৰ অধীনলৈ নি প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীশৰৎ ৰৰকটকী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত ।

★Speech not corrected

(খ) চামথাইবাৰী অঞ্চলৰ হাকুৱা নদীৰ খহনীয়া আক্ৰান্ত অংশ সমূহৰ প্ৰতিৰোধৰ বাবে ১৯৮৭-৮৮ চনত এখন আঁচনি লোৱা হৈছিল। ১৯৯১ চনৰ পৰা গড়া-খহনীয়া সমস্যা পুনৰ সক্ৰিয় হৈ উঠে। আক্ৰান্ত অঞ্চল সমূহ বৰ্ত্তমানে বড়ো স্বায়ত্ব শাসিত অঞ্চলৰ অন্তভূক্ত। হাকুৱা নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে ১২ লাখ আৰু ০·৮০ লাখ টকা মূল্যৰ দুখন প্ৰাক্কলন বড়ো স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য (বাননিয়ন্ত্ৰণ) ৰ নিৰ্দেশ অনুসৰি বড়ো স্বায়ত্ব শাসিত পৰিষদৰ ওচৰত দাখিল কৰা হৈছে। কিন্তু আঁচনি কেইখন বড়ো স্বায়ত্ব শাসিত পৰিষদৰ পৰা সম্মতি বৰ্ত্তমানলৈকে নোপোৱাৰ হেতু কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। ১৯৮৭-৮৮ চনত কাৰ্য্যকৰী কৰা প্ৰতিৰোধ আঁচনিখনত ১৮·৫৪ লাখ টকা ১৯৯১ চনৰ চেপ্তেম্বৰলৈকে ব্যয় হয়। ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পিছত কোনো ব্যয় হোৱা নাই। খৰচৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হৈছে। (See the Annexure-V)

(গ) চামথাইবাৰী গাৱৰ খহনীয়া প্ৰতিৰোধৰ বাবে ২০·১১৮ লাখ টকা মূল্যৰ এটি আঁচনিৰ প্ৰাক্কলন এই বিভাগৰ কাৰিকৰী উপদেষ্টা সমিতিত অনুমোদনৰ বাবে উপস্থাপন কৰা হ'ল।

বিষয় : জে, এন, মেমোৰীয়াল ছোৱালী হাইস্কুল।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে,

* ১৩৩। মাননীয় মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙ্গাইগাওঁ জিলাৰ অভয়াপুৰী জে, এন, মেমোৰীয়াল ছোৱালী হাইস্কুল, বইটামাৰী ছোৱালী হাইস্কুল, বাপুজী হাইস্কুল, ধনতলা ছোৱালী (কচভুৱা) হাইস্কুল আৰু মালিগড় হাইস্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতি কৰাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছেনেকি ?

(খ) মন্ত্ৰী মহোদয়ে মালিগড় হাইস্কুল খন হায়াৰ চেকেণ্ডাৰীলৈ উন্নতি কৰাৰ সিদ্ধান্ত ঘোষা ২৩-৭-৯১ ইং তাৰিখত বাজহুৱা সভাত মালিগড়ত ঘোষনা কৰা কথাটো সঁচানে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ন (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) : বৰ্ত্তমানে ১১৯ খন উচ্চ মাধ্যমিক বিদ্যালয়ক একাদশ শ্ৰেণী খোলাৰ বাবে অনুমতি দিয়া হৈছে। এনে অনুমতি প্ৰাপ্ত বিদ্যালয় সমূহলৈ পদ মঞ্জুৰী দিয়া হোৱা নাই। পদ সমূহ মঞ্জুৰীৰ বাবে চৰকাৰে বিবেচনা কৰি আছে।

মালিগড় হাইস্কুলখন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতি কৰণৰ প্ৰস্তাৱ বঙ্গাইগাওঁ জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকে শিক্ষা সঞ্চালকলৈ পঠাইছে। ১১৯ খন বিদ্যালয়ত পদ মঞ্জুৰীৰ বিষয়টো হৈ উঠাৰ পিচতহে পুনৰ হাইস্কুল উন্নতিকৰণৰ কথা পৰীক্ষা কৰিব পৰা যাব।

(খ) এনে তথ্য বৰ্ত্তমানে বিভাগত নাই।

বিষয় ঃ স্কুলে আচবাব পত্ৰ

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ জিজ্ঞাসা কৰছেন,

* ১৩৪। মাননীয় শিক্ষা বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেন কি ?

(ক) হাইলাকান্দি জেলাৰ প্ৰায় ৮% স্কুলে কোন আসবাব পত্ৰ (ডেস্ক, বেঞ্চ, চেয়াৰ টেবিল) নাই সৰকাৰ অবগত কি ?

(খ) সৰকাৰ আসবাব পত্ৰ দেওয়াৰ কোন ব্যৱস্থা কৰবেন কি ?

(গ) যদি কৰবেন কবে কৰবেন ?

শ্ৰীজমন সিং ব্ৰহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তেনে নিৰ্দ্দিষ্ট তথ্য বিভাগৰ হাতত নাই।

(খ) পুঁজি সাপেক্ষে আচবাব দিয়াৰ ব্যৱস্থা কৰিব পৰা হ'ব।

(গ) পুঁজি আৱণ্টনৰ বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

বিষয় ঃ জাগৰন নামৰ ক্লাব ঘৰ নিৰ্ম্মান।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে,

* ১৩৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধেমাজী জিলাৰ অন্তৰ্গত ৰৰদলনী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদৰ ভিতৰত "জাগৰন" নামৰ এটা ক্লাব ঘৰ নিৰ্মান কৰা কথাটো সচানে ?

(খ) যদি সত্য তেন্তে চৌহদৰ ভিতৰত অবৈধ ভাবে নিৰ্মান কৰা ক্লাব ঘৰটো উচ্ছেদৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীহেম প্ৰকাশ নাৰায়ন (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বান নিয়ন্ত্ৰন বিভাগৰ এটা ঘৰ ৰৰদলনী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাষত আছিল। বান নিয়ন্ত্ৰন বিভাগে এই ঘৰটো ব্যৱহাৰ নকৰাত ৰৰদলনী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ে ব্যৱহাৰ কৰিবলৈ লয়। বৰ্ত্তমানে ঘৰটো জাগৰন নামৰ ক্লাব এটাই ব্যৱহাৰ কৰি থকা বুলি জানিব পৰা গৈছে।

(খ) এই ক্লাব ঘৰৰ মাটি যিহেতুকে শিক্ষা বিভাগৰ নহয় গতিকে ঘৰটো উচ্ছেদৰ বাবে আইন সংগত ব্যৱস্থা লোৱাত শিক্ষা বিভাগৰ ক্ষেত্ৰত নীতিগত বাধা আছে।

Re : Bodo Department in the G. U.

Sri Parameswar Brahma asked,

* 136. Will the Minister of Higher Education be pleased to state :

(a) What steps Government has been taken up for opening Bodo Department in the Gauhati University ?

(b) Will it be openned within 1995-96 year ?

(c) If not, why ?

Shri Hem Prakash Narayan, (Minister of State for Secondary Education.) replied :

(a) The Gauhati University has decided to introduce M. A. Course in Bodo from the academic session 1995-96.

(b) Yes.

(c) Does not arise.

Re : Regularisation of Salaries.

Shri Sasha Kamal Handique, asked,

* 137. Will the Minister of Secondary Education be pleased to state :

Whether it is fact that two Principal In-charge of Bordoloni Higher Secondary School, District Dhemaji, are drawing salaries regularly since 1st June, 1990 ?

Sri Hem Prakash Narayan (Minister of State Education) replied.

(a) It is not a fact. The fact is that Sri Bipin Chutia has been drawing salaries as Principal and Sri Ghana Kanta Das has also been drawing salaries as Vice-principal at Bordoloni H. S. School since 1st June, 1990.

Re : Foundation Stone of the Sibsagar District Library.

Shri Promode Gogoi, asked,

* 138. Will the Minister of Education be pleased to state ?

a) Whether the foundation stone of the Sibsagar Dist. Library was laid by the Chief Minister of Assam ?

b) Whether the estimates have been approved by the Department ?

c) Whether the construction will commence during the current financial year ?

Shri Hiteswar Saikia, (Chief Minister) replied,

a) Yes.

b) Yes.

c) It is expected.

বিষয় : এম, এ আৰু এম, এচ, চি পাঠ্যক্ৰম প্ৰৱৰ্ত্তন ।

মোঃ মহিবুল হকে সুধিছে,

* ১৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিলাসীপাৰাৰ এখন ৰজহুৱা সভাত মাননীয় মুখ্য মন্ত্ৰীয়ে ঘোষণা কৰাৰ পিচতো কি কাৰণত এতিয়ালৈ ধুবুৰী ভোলা নাথ মহাবিদ্যালয়ত এম, এ আৰু এম, এচ, চি পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হোৱা নাই জনাবনে ?

(খ) কেতিয়া আৰু কোন তাৰিখৰ পৰা উক্ত পাঠ্যক্ৰম আৰম্ভ কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) এম, এ আৰু এম, এচ, চি পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিবলৈ মহাবিদ্যালয়ে বিশ্ববিদ্যালয়ৰ অনুমতি লব লাগে । এই সম্পৰ্কে ধুবুৰী ভোলা নাথ মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এতিয়ালৈকে অনুমতি লব পৰা নাই ।

(খ) ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ প্ৰস্তাৱ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি পোৱাৰ পিচত উপযুক্ত ব্যৱস্থা লব পৰা যাব ।

বিষয় : নিযুক্তিৰ বাবে চৰকাৰী বিজ্ঞাপন।

শ্রীমহেন্দ্র ৰবাই সুধিছে,-

*১৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯১-৯২ পৰা ১৯৯৪-৯৫ লৈকে চৰকাৰী নিম্ন আৰু উচ্চ বুনিয়াদী বিদ্যালয়ৰ চৰকাৰী প্রাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি দিয়া শিক্ষকৰ সংখ্যা কিমান ?

(খ) বর্ত্তমান চৰকাৰে পাচটা বছৰৰ ভিতৰত চৰকাৰী নিম্ন আৰু উচ্চ বুনিয়াদী বিদ্যালয়ৰ কিমান শিক্ষক প্রশিক্ষণ দিয়া হল ?

(গ) বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে চৰকাৰী নিয়মমতে বাতৰি কাকতত কোনো বিজ্ঞাপন দিয়া হয় নে ? বুনিয়াদী বিদ্যালয়ৰ শিক্ষক নিযুক্তি কোনো কমিটিৰ দ্বাৰা হয়নে ? যদি নহয় কি কাৰণে নহয় ? সদনৰ মজিয়াত টোকা দাখিল কৰিব লাগে ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিব :

(ক) ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈকে চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় আৰু উচ্চ বুনিয়াদী বিদ্যালয়ত তলত উল্লেখ কৰা ধৰনে শিক্ষক নিযুক্তি দিয়া হৈছে।

	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪	১৯৯৪-৯৫	মুঠ
১) চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়	৪১ জন	২২ জন	২৬ জন	২৪ জন	১১৩ জন
২) চৰকাৰী এল, পি স্কুল	২ জন	২ জন	৪ জন	৩ জন	১১ জন
৩) চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়	৭ জন	২ জন	১৩ জন	৩ জন	২৫ জন
৪) চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়	৩ জন	১ জন	৭ জন	১ জন	১২ জন
৫) চৰকাৰী মজলীয়া বিদ্যালয়	৪ জন	১ জন	৮ জন	৬ জন	১৯ জন
সর্ব্বমুঠ	৫৭ জন	২৮ জন	৫৮ জন	৩৬ জন	১৮০ জন

(খ) তথ্য বিচৰা হৈছে।

(গ) ১৯৯১ চনত ৭৬০৬ টা বৃত্তিধাৰী শিক্ষকৰ পদ পূৰোৱাৰ সময়ত চৰকাৰৰ তৰফৰ

পৰা বাতৰি কাকত যোগে বহুল প্ৰচাৰ কৰা হৈছিল। ১৯৭৭ চনৰ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশিকীকৰণ আইন আৰু বিধি অনুসৰি সংশ্লিষ্ট বিধিৰ ৩ (১) অনুযায়ী প্ৰত্যেক বছৰ জানুৱাৰী মাহত সংশ্লিষ্ট উপ-পৰিদৰ্শকে প্ৰাদেশিকৃত বিদ্যালয়ৰ খালী পদৰ বিপৰীতে আবেদন আহৰণ কৰাৰ ব্যৱস্থা আছে। চৰকাৰী নিম্ন বুনিয়াদী, উচ্চ বুনিয়াদী বিদ্যালয় সমূহত স্থানীয় ভাৱে বিজ্ঞাপন দি সঞ্চালকৰ ফালৰ পৰা নিযুক্তি দিয়াৰ বাবে চৰকাৰে ১৮/৬/৯৩ তাৰিখৰ PMA 98/92/Pt.I/27 নং আদেশৰ ৫ নং দফাৰ আদেশ যোগে ব্যৱস্থা কৰা আছে। উক্ত চৰকাৰী নিৰ্দ্দেশনাৰ আধাৰত যিখন বিদ্যালয়ত পদ খালি হয় সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক সংশ্লিষ্ট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া (B.E.E.O)ক সভাপতি হিচাবে লৈ বাছনি কমিটিৰে প্ৰাৰ্থী বাছনি কৰিবলৈ সঞ্চালকালয়ৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া আছে। উক্ত নিৰ্দ্দেশৰ কপি (Annexure-I and Annexure-2) সংলগ্ন কৰা হ'ল।

(See the Annexure VI & VII)

SHORT NOTICE QUESTION

Mr. Speaker : Now Short Notice Question No. 3. Hon'ble Member Sri Binod Gowala.

বিষয় ঃ সীমান্ত এলেকাৰ বিদ্যালয়।

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

৩। মাননীয় শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বাজেট অধিবেশনৰ সময়ছোৱাত (১৯৯৫) অসম নাগালেণ্ড সীমান্ত এলেকাত স্থাপিত হোৱা প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় সমূহ বিশেষ অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰাদেশিকৃত কৰা বুলি ঘোষনা কৰা কথাটো আপোনাৰ অৱগতনে ?

(খ) যদি অৱগত, তেনেহলে এই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে আৰু ছলিত বিত্তীয় বছৰতে কাৰ্য্যকৰী হবনে ?

শ্ৰীজমন সিং ব্ৰহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়

(খ) প্ৰাদেশীকিকৰণৰ বাবে প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন পালে অগ্ৰাধিকাৰ ভিত্তিত বিষয়টো পৰীক্ষা কৰি চাব পৰা হ'ব।

* শ্রীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয়ে স্পষ্ট আকাৰে কলে ভাল হয় । যোৱা কালি স্কুল সমূহ লৈছে বুলি কৈছে। কিন্তু কথাখাৰ স্পষ্ট ভাৱে জানিব বিচাৰিছো। অসম নাগালেণ্ডৰ সীমান্তত থকা প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় সমূহ প্ৰাদেশিকৰণ কৰিম বুলি আশ্বাস দি থাকে। কিন্তু ইতিমধ্যে নাগালেণ্ড চৰকাৰে যথেষ্ট সংখ্যক স্কুল প্ৰাদেশিকৰণ কৰিলে। তাৰোপৰি আমাৰ প্ৰাদেশিকৰণ নোহোৱা স্কুল সমূহলৈ নাগালেণ্ডৰ মন্ত্ৰী, এম, এল, এ সকলে গৈ কৈছে যে তেওঁলোকৰ ফালৰ পৰা প্ৰাদেশিকৰণ কৰি দিব। তেওঁলোকে কৈছে যে অসম চৰকাৰে নকৰিলে আমি আপোনালোকক প্ৰাদেশিকৰণ কৰি দিম। মই ভাৱো সীমাবৰীয়া স্কুল সমূহ স্বাভাৱিকতে ভৱিষ্যতে অসম আৰু নাগালেণ্ডৰ চিহ্নীতকৰা হব সীমা ৰেখা হিচাবে। গতিকে আমাৰ মাটিত বহা পাহাৰ অঞ্চলৰ কিনাৰৰ স্কুল সমূহ চলিত বিত্তীয় বছৰতে প্ৰাদেশিকৰণ কৰিব লাগে। এই পৰিপ্ৰেক্ষিতত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি মই ভাৱো। ৭ খন আৰু ১২ খন কৈ প্ৰত্যেক বিধায়ককে যিখিনি স্কুল দিছে চৰকাৰৰ ফালৰ পৰা তাৰ ভিতৰত মই এই স্কুলখিনি দিছো। কিন্তু মই ভাবো সঞ্চালকৰ ফালৰ পৰাও গোলাঘাট অঞ্চলৰ পাহাৰৰ কিনাৰৰ স্কুল সমূহ প্ৰাদেশিকৰণ কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই স্কুল সমূহ প্ৰাদেশিকৰণ কৰা ব্যৱস্থাৰ বিষয়ে মুখ্য মন্ত্ৰীৰ তৰফৰ পৰা উত্তৰ দিব লাগে।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : আমি কিছুমান স্কুল লম। আমি যিখিনি লবলগে লোৱাৰ ব্যৱস্থা কৰিম। বিশেষকৈ অগ্ৰাধিকাৰ দিয়া হব, চাহবাগিছাৰ স্কুল সমূহ, চৰ, আৰু বোৰ্ডাৰ অঞ্চলৰ স্কুল সমূহ। কিছুমান স্কুল ইমান কাবতে পাতিছে লোৱা সম্ভৱ নহয়।

* শ্রীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ইয়াৰ আগতে নিশ্চয় লম বুলি কৈছিল আৰু সেইবিলাক অগ্ৰাধিকাৰ ভিত্তিত লোৱাৰ কথা আছিল। বিত্তীয় অৱস্থা ভাল হলে সেই স্কুল সমূহ লোৱাৰ কথা আছিল। সেই অঞ্চলৰ বিশেষকৈ গোলাঘাট অঞ্চলত এ, বি, চি, চেকটৰ বোৰ্ডাৰত ৭/১২ স্কুল লৈছে. ইয়াত এখনো ওচৰা ওচৰি স্কুল নাই। এ বি চেকটৰত ৭ খন গাওঁ পঞ্চায়ত আছে। সৰুপথাৰ আৰু মেৰাপানীত এখনো স্কুল চৰকাৰী-কৰণ নহয়। গতিকে এই স্কুল সমূহ লব লাগে।

★ Speech not corrected.

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মই এইটো চাম।

... Proceedings in Assamese

(Pandemonium)

(At this point of time hon'ble Member Shri Dewan Joynal Abedin wanted to put some supplementary but hon'ble Speaker did not allow him to raise his supplementary. At this, Shri Abedin was aggrieved and heated exchange between hon'ble Speaker and Shri Abedin followed)

Mr. Speaker : I am very much neutral I tell you Mr. Abedin. I take strong exception to your remarks. So I suspend you for the day. Please leave the House.

(Shri Abedin was leaving the House protesting but some hon'ble Members requested the Speaker to review his order. Meanwhile, hon'ble Member Shri Atul Bora went out of his seat and requested Shri Abedin to take his seat)

I withdraw the suspension order and allow Shri Abedin to remain in the House.

(Shri Abedin returned to his seat)

চৰ্ট নটিচ প্ৰশ্ন কৰাৰ নিয়ম আছে আপুনি পঢ়ি চাওঁক।

* শ্রীদেৱান জয়নাল আবেদিন : মই এইটো জানিব বিচাৰিছো যে কেৱল অসম নাগালেণ্ড সীমান্তৰ ওপৰত ইণ্টাৰেষ্ট লৈছেনে আন বোৰড়াৰ এৰিয়াত থকা স্কুল সমূহৰো অগ্ৰাধিকাৰ দিয়া হব ? মই কেৱল সেইটোহে জানিব বিচাৰিছো ?

(সদনত গণ্ডগোল)

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : চৰ্ট নটিচ প্ৰশ্নটো এনে এটা প্ৰশ্ন যে এটাহে প্ৰশ্ন কৰিব পাৰে, কাৰোবাৰ যদি বেলেগ প্ৰশ্ন কৰিব লগা থাকে তেখেতে বেলেগে প্ৰশ্ন দিব পাৰে। সীমান্ত বুলিলে কেৱল নাগালেণ্ড সীমান্ত নুবুজাই। অৰুনাচল, মেঘালয়, মনিপুৰ সকলোখিনি সীমান্ত অঞ্চল বুজাব। সীমান্ত বুলিলে কেৱল নাগালেণ্ড অসম সীমান্ত নুবুজায়। বোৰড়াৰ বুলিলে সকলোখিনি বোৰডাৰ বুজাব।

★ Speech not corrected.

Short Notice

QUESTIONS AND ANSWERS

Mr. Speaker : Now Short Notice Question No. 4. Hon'ble Member Shri Sasa Kamal Handique.

বিষয় ঃ বিদ্যুৎ যোগানৰ খৰচ।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে,

৪। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত ঘণ্টাত প্রতি কিলোৱাট বিদ্যুৎ যোগানৰ খৰচ কিমান ?

(খ) অসমৰ গ্রাহক সকলে ঘণ্টাত প্রতি কিলোৱাট বিদ্যুৎ যোগানৰ বাবে বাজ্যিক বিদ্যুৎ পৰিষদক কিমান টকাকৈ মাছুল আদায় দিয়ে ?

শ্রীগোলোক বাজবংশী (মন্ত্রী বিদ্যুৎ বিভাগ) য়ে উত্তৰ দিছে,

(ক) অসমত ঘণ্টাত 1 kwh (one unit) বিদ্যুৎ যোগানৰ খৰচ ২·৪৪ টকা।

(খ) গ্রাহক সকলে বিদ্যুতৰ মাছুল বিদ্যুৎ পৰিষদে নির্দ্ধাৰন কৰা নিৰিখ মতে দিব লাগে। ১৯৯৪ চনৰ ৮ চেপ্তেম্বৰৰ পৰা অসমৰ গ্রাহক সকলে বিদ্যুতৰ মাছুল পুনৰ নির্দ্ধাৰিত হাৰমতে গড়ে ২·২৭ টকা প্রতি kwh ত দিব লাগে।

* শ্রীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত যিটো তথ্য সেইমতে অসমত প্রত্যেক কিলোৱাটত বিদ্যুৎ যোগানৰ খৰচ ১২৭·৪ টকা কিন্তু অসম বিদ্যুৎ পৰিষদে ৩৫১·৪ পইচা লয়। আমাৰ ওচৰ চুবুৰীয়া বাজ্যৰ তুলনাত অসমত খৰচ বেছি। সেইবিলাক বাজ্যত অসমত কৰি বহুত কম। বিহাৰত ১৫১৮ পইচা আৰু অসমত ১২৭·৪ পইচা। বিদ্যুৎ পৰিষদৰ চেয়াৰমেনে যিটো ষ্টেটমেণ্ট দিছে তাত ৫৮১ কোটি টকা লাৱেবিলিটিজ দেখুৱাইছে। গতিকে এই সম্পর্কে মন্ত্রী মহোদয়ে অনুসন্ধান কৰি ব্যৱস্থা কৰিব বুলি সদনত আশ্বাস দিবনে ?

* শ্রীগোলোক বাজবংশী (শক্তি মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মিনিষ্টাৰ পাৰাৰে কোন কোন বাজ্যত প্রতি কিলোৱাটত কিমান খৰচ হয় সেই হিচাবটো দিছে। মই এই হিচাবটো পঢ়ি দিছো। এইটো অৱশ্যে ১৯৯৩ চনৰ মাৰ্চ মাহতে আহিছিল। প্রতি কিলোৱাটত অসমত খৰচ হয় ৩৫১·৮ পইচা আৰু গ্রাহকে দিয়ে ১২৭·৪ পইচা। বিহাৰত প্রতি কিলোৱাটত খৰচ হয় ২০৩·৪ পইচা কিন্তু

★ Speech not corrected.

গ্রাহকে দিব লাগে ১৫১·৮ পইচা। ইউ, পিত প্রতি কিলোৱাটত ১৮৯·৬ পইচা আৰু গ্রাহকে দিয়ে ১১৬·৮ পইচা। ৰাজস্থানত প্রতি কিলোৱাটত ১০৬·৮ পইচা আৰু গ্রাহকে দিব লাগে ১২৮·০০ টকা। ওৰেষ্ট বেংগলত প্রতি কিলোৱাটত ১৭৪·০০ টকা আৰু গ্রাহকে দিব লাগে ১৩৯·৫ পইচা। মহাৰাষ্ট্রত প্রতি কিলোৱাটত ১৫৭·১ পইচা আৰু গ্রাহকে দিবলাগে ১৫৬·০০ টকা। বাকী বিলাকত গেপ বৰ বেছি।

* শ্রীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, যিহেতুকে আমাৰ লষ্ট বেছি গতিকে গোটেই ব্যৱস্থাটোৰে অনুসন্ধান কৰিব লাগে। তাৰোপৰি ৩৮৪ কোটি টকাৰ এটা লায়েবিলিটিজো আছে। গতিকে প্রতি বছৰে যদি এইটো বৃদ্ধি হয় তেনেহলে নির্দ্দিষ্টভাবে অধ্যয়ন কৰি ইয়াৰ পুনৰাবৃত্তি যাতে নহয় আৰু নতুন ৰূপে পৰিচালনা কৰি যাতে ভবিষ্যতে কৃতকার্য্য হয় আৰু গ্রাহক আৰু ৰাজ্য চৰকাৰৰ ওচৰত বেচি বোজা নহয় তাৰ প্রতি দৃষ্টি দিব লাগে।

* শ্রীগোলোক ৰাজবংশী (শক্তি মন্ত্রী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ লগত একমত। আমাৰ যিটো পাৰাৰ প্রদাকচন কৰাৰ ৰিচ আছে সেইটো আমি কেনেকৈ ব্যৱহাৰ কৰিব পাৰো এইটো অধ্যয়ন কৰিব লাগিব। আমি গেচ আৰু ক'লৰ ওপৰত নির্ভৰ কৰিব লাগে। সেই বাৰ অন্যান্য ৰাজ্যৰ ওপৰত নির্ভৰ কৰিবলগা হয়। যদিহে আমাৰ ৰাজ্যৰ ৰিচৰ্ছৰ ওপৰত নির্ভৰ কৰি পাৰাৰ প্রদাকচন কৰিব পাৰে তেনেহলে আমাৰ খৰচ কমি যাব। আমি নতুন প্রজেক্ট হাতত লওতে কেনেধৰণে খৰচ কম হয় সেইটো চাব লাগে। আমগুৱাত যিটো প্রজেক্ট কৰিব লোৱা হৈছে সেইটোও গেচ ৰেচ হব বাবে বেছি খৰচ পৰিব। দিল্লীত যিটো গেচ ব্যৱহাৰ কৰে সস্তাতে হয়। অ, এন, জি, চিয়ে ২ ৰকমে গেচ উৎপাদন কৰে। গেচ পুৰি আছে কিন্তু সেইটো গেচ ব্যৱহাৰ কৰিলে খৰচ বেছি হব। অ, এন, জি, চিয়ে গেচ চাপ্লাই কৰা অৱস্থাত নাই। গতিকে অসমত ৰিচ কিমান আছে সেইটো চার্ভে কৰিবলগা হৈছে। বহুতে কৈছে ২০ বছৰৰ কাৰণেহে গেচ হব। অন্য কিবা মবিলাইজ কৰিৰ পৰা হৰনেকি সেইটো চাব বিচাৰিছো।

Short Notice

Mr. Speaker : Now Question No. 5. Questioner Shri Sashi Kamal Handique.

★ Speech not corrected,

বিষয় ঃ সলনি সুত্রে চেট্‌লমেণ্ট ।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে, কু

৫। মাননীয় বাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ডিব্রুগড় জিলাৰ জামিৰা মৌজাৰ বোৰহাজাৰ গাওঁৰ ৩৭ নং ৰাষ্ট্রীয় ঘাই পথৰ কাষত থকা গড়কাপ্তানি বিভাগৰ বদ চাইদ বিজাৰ্ভ মাটি দূর্গাপুৰ চাহ বাগিচাৰ নামত সলনিসুত্রে Settlement দিয়া অভিযোগ সত্যনে ?

(খ) জিলা উপায়ুক্তই Settlement দিয়াৰ আগতে যাৱতীয় নথিপত্র চৰকাৰৰ অনুমোদনৰ বাবে পঠাইছিল নে ?

(গ) উক্ত মাটিৰ সংক্রান্তত বাগিছাৰ বিপক্ষে বেদখল গোচৰ তৰিছিল নেকি ?

শ্রীদেৱানন্দ কোঁৱৰ (বাজহ বিভাগৰ মন্ত্রী) য়ে উত্তৰা দিছে,

(ক) ডিব্রুগড় জিলাৰ জামিৰা মৌজাৰ বোৰহাজাৰ কোঁৱৰ গাওঁৰ ৩৭ নং ৰাষ্ট্রীয় ঘাই পথৰ কাষত থকা গড়কাপ্তানি বিভাগৰ বদ চাইদ বিজাৰ্ভ মাটি ১ বিঃ ১ কঃ দূর্গাপুৰ চাহ বাগিছাৰ নামত ২ বিঘা ৪ কোঠা ১০ লোচা খেতি মাটি আৰু ১০, ৮৮০০ টকাৰ বিনিময়ত সাল সলনি সুত্রে উপায়ুক্ত ডিব্রুগড়ৰ তাং ২৫/৬/৯৩ নং ১০০/৪৭/৭২ হুকুম মমে দিয়া অভিযোগটো সত্য ।

(খ) জিলাৰ উপায়ুক্তই উক্ত সালসলনিসুত্রে Settlement দিয়াৰ আগতে যাৱতীয় নথিপত্র চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা দেখা নেযায় ।

(গ) উক্ত মাটিৰ সংক্রান্তত বাগিছাৰ বিপক্ষে বেদখলি গোচৰ তৰা হৈছিল কিন্তু উক্ত জমিত ৩৭ নং ৰাষ্ট্রীয় ঘাই পথ বনোৱাৰ আগতে বাগিছাৰ ফেক্টৰীৰ অৱস্থিতি আৰু সাল সলনি মানি লোৱাত উচ্ছেদ কার্য্য স্থগিত ৰখা হৈছিল ।

* শ্রীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এটা কথা স্বীকাৰ কৰা বাবে ধন্যবাদ দিছো । জিলা উপায়ুক্তই ৰ'দ চাইদৰ মাটিত চেটেলমেণ্ট দিয়াৰ আগতে চৰকাৰৰ অনুমোদন লোৱা নাই । ৰাষ্ট্রীয় ঘাই পথৰ কাষৰ মাটিত কোনো মানুহকে চেটেলমেণ্ট দিয়া নহয় । কিন্তু দূর্গাপুৰ চাহ বাগিছাৰ নামত ২ বিঘা ৪ কঠা মাটি দিছে । এই ব্যতিক্রমটো কেনেকৈ হবলৈ পালে ?

* শ্রীদেৱানন্দ কোঁৱৰ (বাজহ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বাগিছাৰ লগত সাল-সলনিৰ যিটো সুত্র সেইটো উপায়ুক্তই গ্রহন কৰিছে । তাৰ আগতে মাটি নিশ্চয় তেওঁলোকৰ দখলত আছিল ।

★ Speech not corrected

* শ্রীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, চেটেলমেণ্টটো ইলিগেল হৈছে। এইটো কেনচেল কৰিবৰ কাৰণে চৰকাৰৰ ফালৰপৰা হুকুম দিবনেকি ? এই ২ বিঘা ৪ কঠা মাটি তেওঁলোকৰ দখলত নাছিল। কাৰণ দখল কৰি থকা লবলৈ হলে ক্ষতিপূৰণ দিব লাগে।

* শ্রীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now Short Notice Question No. 6. Hon'ble Member Shri Mohibul Haque.

বিষয় : ধুবুৰী জিলাৰ বানপানীৰ সাহায্য বিতৰণ।

মোঃ মহিবুল হকে সুধিছে,

৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯৫ চনৰ বানপানীত ধুবুৰী জিলাত সৰ্ব্বমুঠ কিমান পৰিয়াল আৰু কিমান খেতি পথাৰ ক্ষতিগ্রস্ত হৈছে আৰু কিমান মানুহ আৰু জীৱজন্তু মৃত্যু হৈছে জনাবনে ?

(খ) জিলাখন কেইবাৰ আৰু কোন কোন তাৰিখে বানপানীৰ কৱলত পৰে আৰু কোন কোন তাৰিখৰ পৰা সাহায্য সামগ্রী বিতৰণ আৰম্ভ হয় আৰু কিমান তাৰিখলৈ সাহায্য বিতৰণ কৰা হয় জনাবনে ?

(গ) এই বানপানীৰ ফলত কোন কোন সমষ্টিত কিমান, কোন কোন তাৰিখত আৰু ক'ত ক'ত আশ্রয় শিবিৰ খোলা হৈছিল ইয়াৰ এখন তালিকা সদনত দিবনে ?

(ঘ) কি কি সাহায্য সামগ্রী, কিমান পৰিমান আৰু ইয়াৰ মূল্য কিমান হ'ব ? সমষ্টি ভিত্তিত পৃথকে পৃথকে জনাবনে ?

(ঙ) আজিলৈ (১৯/৯/৯৫) কোনো আশ্রয় শিবিৰ আছেনে ? যদি আছে কি অৱস্থাত আছে জনাবনে ?

শ্রীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে,

(ক) ১৯৯৫ চনৰ বানপানীত ধুবুৰী জিলাত সৰ্ব্বমুঠ ৯,৪৪,৬৯০ জন লোক

★ Speech not corrected.

আক্রান্ত হয়। মুঠ ক্ষতিগ্রস্ত পৰিয়ালৰ সংখ্যা ১,৮৮,৯৩৬ টা। জিলাখনত মুঠতে ৫৯,০৪০·৪৮ হেক্টৰ খেতি পথাৰ ক্ষতিগ্রস্ত হয়।

বিলাসীপাৰা মহকুমাৰ ৩ জন মানুহ আৰু দক্ষিণ শালমাৰা মহকুমাৰ এজন লোক মুঠতে ৪ জন লোক বানপানীত মৃত্যু হয় আৰু ৮৭৪ টা পশুধনৰ মৃত্যু হয়।

(খ) জিলাখন তিনিবাৰ বানপানীৰ কবলত পৰে—

১ম বান আৰম্ভ হয় ১৫/৬/৯৫ সাহায্য বিতৰণ ১৬/৬/৯৫ পৰা ২২/৬/৯৫

২য় বান আৰম্ভ হয় ৫/৭/৯৫ সাহায্য বিতৰণ ৭/৭/৯৫ পৰা ৫/৮/৯৫

৩য় বান আৰম্ভ হয় ১৪/৮/৯৫ সাহায্য বিতৰণ ১৪/৮/৯৫ পৰা ২১/৮/৯৫

(গ) বিভিন্ন বিধান সভা সমষ্টিত তলত দিয়া ধৰনে বানপানীৰ আশ্রয় শিবিৰ খোলা হৈছিল—

(ক) ধুবুৰী মহকুমা :—

১। ধুবুৰী বিধান সভা সমষ্টিত — ৫৫ টা
(তালিকা লগত দিয়া হ'ল)

২। গৌৰীপুৰ বিধান সভা সমষ্টি (তালিকা দিয়া হ'ল) — ১৪ টা

৩। গোলকগঞ্জ বিধান সভা সমষ্টি — ১ টা
(তালিকা লগত দিয়া হ'ল)

(খ) দক্ষিণ শালমাৰা (মানকাচাৰ মহকুমা) :—

১। মানকাচাৰ বিধান সভা সমষ্টিৰ খাৰুৱা বান্ধা হাইস্কুলত — ২ টা

২। হাটশিঙিমাৰী বেচম ফাৰ্মত ১ টা

৩। দক্ষিণ শালমাৰা আৰু জলেশ্বৰ বিধান সভা সমষ্টিৰ আংশিক ভাবে মেঘালয়া নিদানপুৰত বানপীড়িতলোকৰ আশ্রয় শিবিৰ খোলা হয় — ১ টা

(গ) বিলাসীপাৰা মহকুমা :— ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিৰ আশ্রয় শিবিৰৰ তালিকা দিয়া হ'ল। আৰু ২৭ নং পূব বিলাসীপাৰা বিধান সভা সমষ্টিৰ আৰু দক্ষিণ শালমাৰা (আংশিকভাবে) বিধান সভা সমষ্টিৰ সাহায্য শিবিৰৰ তালিকা লগত দিয়া হল। (See the Annexure—VIII)

কোন কোন তাৰিখত সাহায্য দিয়া হৈছিল এই সন্দর্ভত ওপৰৰ "খ" উত্তৰত উল্লেখ কৰা হৈছে।

(ঘ) সাহায্য শিবিৰ সমুহত বিতৰণ কৰা সাহায্য সামগ্ৰী, পৰিমাণ আৰু মূল্য সমষ্টি ভিত্তিত বিতৰণ কৰা তালিকা ইয়াৰ লগত দিয়া হ'ল।

(See the Annexure—IX)

(ঙ) হয় আছে, গড়াখহনীয়াত ক্ষতিগ্ৰস্থ পৰিয়াল সমুহক ৬ টা আশ্ৰয় শিবিৰত আশ্ৰয় দিয়া হৈছে। আৰু উক্ত শিবিৰ সমুহত ক্ষতিগ্ৰস্ত পৰিয়াল সমুহক সাহায্য দি থকা হৈছে।

* মোঃ মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৪ জন লোকৰ মৃত্যু হৈছে—এই মৃত্যু হোৱা লোক কেইজনৰ পৰিয়ালক চৰকাৰৰ ফালৰ পৰা কিবা সাহাৰ্য্য দিয়া হৈছেনেকি ? মোৰ দ্বিতীয় প্ৰশ্ন হৈছে- যি ৬ টা আশ্ৰয় শিবিৰ এতিয়াও আছে সেই কেইটা ক'ত ক'ত আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি কেইজন লোকৰ মৃত্যু হৈছে সেই লোক কেইজনৰ পৰিয়াললৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা কিবা সাহায্য আগবঢ়াইছেনে নাই সেই তথ্য জিলাৰ পৰা সংগ্ৰহ কৰা হোৱা নাই। দ্বিতীয় প্ৰশ্নত যি ৬ টা আশ্ৰয় শিবিৰৰ কথা উল্লেখ কৰিছে—তাত সাহায্য দি থকা হৈছে বুলি জিলা প্ৰশাসনৰ ফালৰ পৰা জনোৱা হৈছে। সেই কেইটা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল, তেওঁলোকে আশ্ৰয় গ্ৰহণ কৰি আছে বুলি জিলা প্ৰশাসনৰ পৰা জনোৱা হৈছে।

* মোঃ মহিবুল হক : অধ্যক্ষ মহোদয়, মোৰ পৰিপূৰক প্ৰশ্নটো আছিল আশ্ৰয় শিবিৰ কেইটা ক'ত ক'ত আছে ?

* শ্ৰীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, একজেক্ট লোকেচনৰ বিষয়ে গোৱালপাৰা আৰু ধুবুৰী জিলাৰ পৰা কোনো তথ্য বৰ্ত্তমান মই পোৱা নাই। পিচত আনি মাননীয় সদস্য গৰাকীক জনোৱা হব।

* মোঃ মহিবুল হক : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক আশ্ৰয় শিবিৰ সম্পৰ্কে অবগত কৰিব খুজিছো—সেই আশ্ৰয় শিবিৰ কেইটা ধুবুৰী সমষ্টিৰ মতিচৰত আছে। এই পৰিয়াল সমুহ দক্ষিণ শালমৰা সমষ্টিৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল। তেওঁলোকক অসম বা মেঘালয় কোনো ফালৰ পৰাই

★Speech not corrected

সঠিক ভাবে সাহার্য্য প্রদান কৰা হোৱা নাই । মই বিভাগীয় মন্ত্রী মহোদয়ক এই কথাটোৰ প্রতি দৃষ্টি দিবলৈ অনুৰোধ কৰিছো ।

*দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) : অধ্যক্ষ মহোদয়, বিষয়টোৰ ক্ষেত্রত জিলা প্রশাসনৰ লগত যোগাযোগ কৰি ব্যৱস্থা গ্রহণ কৰা হ'ব ।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় : PMRY আঁচনিৰ ঋণ ।

ডঃ জয়নাথ শর্ম্মাই সুধিছে,

২৫৪। মাননীয় উদ্যোগ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) দৰং জিলাত এতিয়ালৈকে কোন কোন প্রাথীয়ে P.M.R.Y. আঁচনিত ঋণ পাইছে ?

(খ) এনে ধৰণে ঋণ পোৱা লোক সকলৰ ঠিকনা আৰু দেউতাকৰ ব্যৱসায় / পেচা কি কি ?

(গ) উক্ত প্রাথী সকলে আৰম্ভ কৰা উদ্যোগ / ব্যৱসায় সমূহৰ অগ্রগতি কি ?

(ঘ) উক্ত ঋণৰ বাবে প্রাথী নির্ব্বাচনৰ ভিত্তি কি ?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে ।

(ক) দৰং জিলাত এতিয়ালৈকে ঋণ পোৱা প্রাথীৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল ।

(খ) তালিকাত উল্লেখ কৰা হৈছে ।

(গ) ১৯৯৩-৯৪ বিত্তীয় বছৰত প্রাথী সকলে তেওঁলোকৰ উদ্যোগ / ব্যৱসায় ইতিমধ্যে আৰম্ভ কৰিবলৈ লৈছে আৰু কেইজনমানে ঋণ প্রৰিশোধ কৰিবলৈ লৈছে । ১৯৯৪-৯৫ চনৰ নির্ব্বাচিত প্রাথীসকলৰ উদ্যোগ/ব্যৱসায় আদিৰ কাম কাজ বেংকৰ পৰা পোৱা ঋণৰ কিস্তি অনুসাৰ আৰম্ভ কৰিছে আৰু সংসোদিত সম্পূর্ণ ঋণৰ ধন এতিয়ালৈকে বেংকৰ পৰা বিতৰণ হবলৈ বাকী আছে ।

(ঘ) প্রধানমন্ত্রী ৰোজগাৰ যোজনাৰ অধীনত ঋণৰ বাবে আবেদন কৰিবলৈ হলে আবেদনকাৰীৰ বয়স ১৮-ৰ পৰা ৩৫ বছৰৰ ভিতৰত, শিক্ষাগত অর্হতা মেট্রিক পৰীক্ষাত উত্তীর্ণ অথবা অনুত্তীর্ণ অথবা চৰকাৰী পৃষ্ঠপোষকতাত কমেও ছমহীয়া

*Speech not corrected

প্রশিক্ষণ লোৱা হ'ব লাগিব বা I.T.I. প্রশিক্ষণ প্রাপ্ত আৰু আবেদনকাৰীৰ পৰিয়ালৰ বছৰেকীয়া আয় ২৪,০০০'০০ টকাতকৈ বেছি হব নালাগিব। ইয়াৰোপৰি হিতাধিকাৰী নিৰ্ব্বাচনৰ ক্ষেত্ৰত যোজনাটো চলাৰ সম্ভাৱনীয়তা, যোজনাৰ স্থান, প্ৰাৰ্থীৰ বয়স, প্ৰাৰ্থীৰ উদ্যম আদিৰ প্ৰতি লক্ষ্য ৰখা হয় আৰু চৰকাৰে গঠন কৰি দিয়া কৰ্ম্মবাহিনীয়ে তদানুসাৰে হিতাধিকাৰী নিৰ্ব্বাচন কৰে।

বিষয় ঃ খহনীয়াৰ সমস্যা সমাধান।

শ্ৰীপানীৰাম ৰাভা

২৫৫। মাননীয় বানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বানপানীত ৰবিমাখাত মৰা পাগলদিয়া নদীৰ পূৰপাৰে খহনীয়াই সৃষ্টি কৰা সমস্যাৰ বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে ?

(খ) যদি অৱগত, সমস্যা সমাধানৰ বিষয়ে কিবা আঁচনি লৈছে নেকি জনাবনে ?

শ্ৰীশৰৎ বৰকটকী (বানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত কিন্তু এই ঠাইত বিভাগীয় কোনো Structure নাই।

(খ) কোনো আঁচনি লোৱা নাই।

বিষয় ঃ জিলা উদ্যোগ কেন্দ্ৰ সমূহত নিৰনুৱা কৰ্ম্ম সংস্থাপন।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে,

২৫৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জিলা উদ্যোগ কেন্দ্ৰ সমূহে স্বনিয়োজন আঁচনি যোগাবেক নিৰনুৱা সকললৈ প্ৰশিক্ষনৰ ভিত্তিত প্ৰতিজন নিৰনুৱালৈ কিমানকৈ ধনৰ যোগান ধৰিছে ?

(খ) ৰাজ্য পৰ্য্যায়ত মুঠ কিমানজনক জিলা উদ্যোগ কেন্দ্ৰৰ তেনে আঁচনিৰ দ্বাৰা উপকৃত কৰা হৈছে ?

(গ) চলিত বিত্তীয় বছৰত ৰাজ্য পৰ্য্যায়ত কিমান সংখ্যক নিৰনুৱালৈ স্বনিয়োজন আঁচনি মূল আৰ্থিক ঋণ আগবঢ়োৱা হব বুলি থিৰাং কৰা হৈছে ?

শ্ৰীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জিলা উদ্যোগ কেন্দ্ৰ সমূহে তলত উল্লেখ কৰা স্বনিয়োজন আঁচনি সমূহৰ দ্বাৰা নিৰনুৱা সকলক ধনৰ যোগান ধৰিছে ঃ

১। প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা— এই আঁচনিত সৰ্ব্বোচ্চ ১ (এক) লাখ টকাৰ প্ৰকল্প দিয়া হয়।

২) উদ্যোগী প্রশিক্ষণ আঁচনি – এই আঁচনিত প্রকল্প অনুযায়ী বিভিন্ন পরিমানৰ ঋণ আগবঢ়োৱা হয়।

(খ) ৰাজ্য পর্য্যায়ত উদ্যোগীক প্রশিক্ষণ আঁচনি আৰু প্রধান মন্ত্রী ৰোজগাৰ যোজনাৰ দ্বাৰা এতিয়ালৈকে ২৪০০ গৰাকী (১৯৯১-৯২) চনৰ পৰা ১৯৯৪-৯৫ চনলৈ) আৰু ৭৩২২ গৰাকী (১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত) যুবক যুবতী উপকৃত হৈছে।

(গ) চলিত বিত্তীয় বছৰত ৰাজ্য পর্য্যায়ত উদ্যোগীক প্রশিক্ষণ আঁচনি আৰু প্রধান মন্ত্রী ৰোজগাৰ যোজনাৰ জৰিয়তে যথাক্রমে ৭২০ গৰাকী আৰু ৯৯০০ গৰাকী নিবন্ধুৱালৈ স্বনিয়োজন আঁচনি মূলে আর্থিক ঋণ আগবঢ়োৱা হব বুলি থিৰাং কৰা হৈছে।

বিষয় ঃ শিক্ষা বিভাগৰ ব্লেকবোর্ড আঁচনি।

শ্রীবিনোদ গোৱালা আৰু

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

২৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শিক্ষা বিভাগে ব্লেকবোর্ড আঁচনিৰ অধীনত পঞ্চায়ত বিভাগক দিব লগা ২ কোটি টকা মুকলি নকৰি বেভিনিউ দিপজিটত জমা ৰখাটো সত্যনে ?

(খ) যদি সত্য এই ক্ষেত্রত এই পুঁজি মুকলি কৰি দিয়াৰ বাবে বিভাগে কি ব্যৱস্থা লৈছে ? (নথি সদনত দাখিল কৰিব)

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সত্য।

(খ) ইতিমধ্যে সমুদায় ধন বেভিনিউ দিপজিটৰ পৰা আহৰণ কৰি সংশ্লিষ্ট জিলা উপায়ুক্তৰ যোগেৰে বিতৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

বিষয় ঃ বৃত্তিধাৰী শিক্ষক সকলৰ প্রশিক্ষণ।

শ্রীনিজামুদ্দিন খানে সুধিছে,

২৫৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রাথমিক বিদ্যালয়ৰ বৃত্তিধাৰী শিক্ষক সকলে প্রশিক্ষণ সমাপ্ত কৰাৰ পিছত দর্মহা নিয়মিতভাৱে দি থকা হৈছেনে ?

( ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

(গ) যদি দি থকা হৈছে, তেন্তে ববপেটা জিলাব শিক্ষক সকলে তেওঁলোকব দৰমহা নোপোৱাব কাবণ কি ?

(ঘ) দৰমহা নোপোৱা শিক্ষক সকলক চলিত মাহব ভিতবতে বাকী থকা মাহকেইটাব দৰমহা আদাই দিয়াব ব্যৱস্থা কবিবনে ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগব বাজ্যিক মন্ত্রী) য়ে উত্তব দিছে ঃ

(ক) প্রশিক্ষণ সমাপ্ত কবাব তথ্য পোৱাব পিছত বিত্ত বিভাগব অনুমোদন ক্রমে পদ সৃষ্টি কবি নিয়মীয়া বেতন দিয়াব ব্যৱস্থা কবা হয় ।

(খ) প্রশিক্ষণব সফল সমাপ্তি সম্পর্কে যি সকল শিক্ষকব যাবতীয় তথ্য পোৱা নাই সেই সকলব ক্ষেত্রত নিয়মীয়া বেতন ক্রমে দিব পবা হোৱা নাই । নিয়মীয়া বেতন ক্রমত পদ সৃষ্টি কবোতেও কিছু সময় লাগে ।

(গ) (ঘ) নিয়মীয়া বেতন দিয়াব আগলৈকে ৯০% টকীয়া জলপানী পোৱাত বাধা নাই ।

বিষয় ঃ গবাখহনীয়া প্রতিবোধ ।

ডঃ কৃষ্ণকান্ত লহকবে সুধিছে,

২৫৯। মাননীয় বাননিয়ন্ত্রণ বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ?

(ক) পশ্চিম বিলাসীপাবা সমষ্টিব অন্তর্গত খুদনাবাবী ১ম খন্দ শালটাবী ২য় খন্দ শালটাবী গাওঁত কিমান বছব ধবি সোনকোষ নদীব গবাখহনীয়া চলি আছে । বর্ত্তমানলৈ গবাখহনীয়া অব্যাহত থকা বিষয়টো চবকাব অৱগতনে ?

(খ) যদি চবকাব অৱগত তেন্তে আজিলৈকে কিয় গবাখহনীয়া প্রতিবোধ কবা নাই, অনুগ্রহ কবি জনাবনে ?

(গ) চলিত বছবত বৃহৎ অঞ্চলব বক্ষার্থে সোনকোষ নদীব বাননিয়ন্ত্রণব ব্যৱস্থা বিভাগীয় কর্ত্তৃপক্ষই হাতত লবনে ?

(ঘ) গবাখহনীয়া আবন্তণিবে পবা বর্ত্তমানলৈ খুদনাবাবী ১ম খণ্ড শালটাবী আৰু ২য় খণ্ড শালটাবী গাওঁব কিমান পবিয়ালে মাটি ঘৰ-বাবী হেৰুৱাইছে ?

(ঙ) যুগমীয়া সা-সম্পত্তি গবাখহনীয়াত হেবাই যোৱা দুর্ভগীয়া পবিয়ালক আর্থিক সাহায্য পুনব সংস্থাপনৰ ব্যৱস্থা চবকাবব আঁচনিত আছেনে ? যদি আছে তেন্তে এই ব্যৱস্থা অতি সোনকালে কার্য্যকবী কবিবনে ?

শ্রীশবৎ ববকটকী (বাননিয়ন্ত্রণ বিভাগব মন্ত্রী) য়ে উত্তব দিছে ঃ

(ক) পশ্চিম বিলাসীপাৰা সমষ্টিৰ অন্তৰ্গত খুদনামাৰী আৰু শালটাৰী ১ম আৰু ২য় খণ্ড গাওঁত সোনকোষ নদীৰ গৰাখহনীয়া ১৯৮৪ চনৰ পৰা অব্যাহত আৰু এই গৰাখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত।

(খ) প্ৰয়োজনীয় পুঁজিৰ নাটনিৰ বাবেই উক্ত অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধ আঁচনি কাৰ্য্যকৰি কৰিব পৰা নাই।

(গ) খুদনামাৰী অঞ্চলৰ বাবে এখন আঁচনি প্ৰস্তুত কৰি ইতিমধ্যে ২৩ তম কাৰিকৰী উপদেষ্টা কমিটিৰ অনুমোদনৰ বাবে উপস্থাপন কৰা হৈছে। কাৰিকৰী কমিটিৰ অনুমোদন তথা প্ৰয়োজনীয় পুঁজিক ভাৰণ্টনৰ ওপৰত আঁচনি খনৰ ৰূপায়ন নিৰ্ভৰ কৰিছে।

শালটাৰী অঞ্চলৰ বাবে আমাৰ বিভাগৰ পৰা এখন প্ৰাক্কলন প্ৰস্তুত কৰি ইয়াৰ ৰূপায়নৰ বাবে ধুবুৰী গ্ৰামোন্নয়ন কৰ্ত্তৃপক্ষলৈ প্ৰেৰণ কৰা হৈছে আৰু ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়ে উক্ত কাম সম্পাদন কৰিবৰ বাবে গ্ৰামোন্নয়ন কৰ্ত্তৃপক্ষক নিৰ্দেশ দিয়া বুলি জনা গৈছে।

(ঘ) ঘৰ-বাৰী হেৰুৱাৰ পৰিমান তলত উল্লেখ কৰা হ'ল :—

শালটাৰী ১ম আৰু ২য় খণ্ড :—

১। মাটি প্ৰায় ৬ কঠা

২। ৫ টা পৰিয়াল ক্ষতিগ্ৰস্ত। আৰ্থিক ক্ষয় ক্ষতিৰ পৰিমান প্ৰায় ১০০০০০ টকা।

খুদনামাৰী :—

১। মাটি প্ৰায় ৫১ বিঘা

২। ৫ টা পৰিয়াল গৃহহীন হৈছে।

৩। আৰ্থিক ক্ষয়ক্ষতি প্ৰায় ১,৩৪,০০০·০০ টকা।

(ঙ) এই তথ্যৰ লগত বাননিয়ন্ত্ৰণ বিভাগ জড়িত নহয়।

বিষয় : L. T Line Extension.

শ্ৰীপ্ৰনৱ কুমাৰ নাথ, জিজ্ঞাসা কৰছেন,

২৬০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাবেন কি ?

(ক) ৰাজ্য চৰকাৰ ১৯৯৫-৯৬ অৰ্থবৰ্ষে সমগ্ৰ আসামে অসম্পূৰ্ণ গ্ৰাম সমূহে বৈদ্যুতিকৰণ (L. T. Line Extension) এবং নতুন গ্ৰাম সমূহে বৈদ্যুতিকৰণৰ

জন্য জিলা ভিত্তিক কত টাকা বরাদ্ধ করেছেন ? (জিলা ভিত্তিক অর্থের পরিমান সদনের মেঝে দাখিল করিবেন)

(খ) বৈদ্যুতিকরনের জন্য গ্রাম্য গুলি Selection এর সময় স্থানীয় বিধায়কদের সহিত পরামর্শ করে বিভাগীয় কর্তৃপক্ষ (Executive Engineer /S.D.O./ Asstt. E.E.) কার্য্যকরী পদক্ষেপ গ্রহণ করবেন কি ?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রামীন বৈদ্যুতিকরণ বিভাগ) য়ে উত্তর দিচ্ছেন ঃ

(ক) ১৯৯৫-৯৬ সনের গ্রাম্য বৈদ্যুতিকরনের জন্য মোট ৬৬ কোটি টাকা বরাদ্ধ করা হয়েছে। বরাদ্ধ ৬৬ কোটি টাকার ভিতরে ৩৬ কোটি টাকা জিলা ভিত্তিক আবন্টন করে দেওয়া হয়েছে। বাকী ৩০ কোটি টাকার আবন্টন জিলাভিত্তিক পর্য্যায়ক্রমে টাকার প্রাপ্তি সাপেক্ষে করা হবে। এই তালিকায় নূতন গ্রামের এবং অসম্পূর্ণ বৈদ্যুতিকরণ হয়ে থাকা কিছু সংখক গ্রামের যাবতীয় কার্য্য অন্তভূক্ত করা হয়েছে।

জিলাভিত্তিক আবন্টন তালিকা পরিশিষ্ট নং— ১এ দ্রষ্টব্য।

(See the Annexure— X)

(খ) গ্রাম্য বৈদ্যুতিকরনের যোজনা প্রস্তুত করাকালীন পরিষদের ক্ষেত্র অভিবক্তাবিষয়াদের থেকে পিয়লভূক্ত গ্রামের নাম সংগ্রহ করা হয়। এরূপ তালিকা প্রস্তুত করার সময় কোনও সংশ্লিষ্ট বিধায়কে পরামর্শ দিলে বিষয়াসকলে সর্বদাই বিবেচনা করেন ও নিয়মানুযায়ী গ্রামের নাম তালিকাভূক্ত করে থাকেন।

বিষয় ঃ কাৰাগাৰ স্থানান্তৰ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে,

২৬১। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গুৱাহাটী মহানগৰীৰ মাজমজিয়াত থকা জিলা কাৰাগাৰখন অন্য স্থানলৈ স্থানান্তৰ কৰাৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

(খ) উক্ত জিলা কাৰাগাৰখনৰ বাবে কিমান টকাৰ আঁচনি লোৱা হৈছে আৰু কিমান টকা বৰ্ত্তমানলৈকে খৰছ কৰা হৈছে ?

(গ) উক্ত কামটো বৰ্ত্তমান কি পর্য্যায়ত আছে আৰু কিমান চনৰ ভিতৰত কামটো সম্পূর্ণ হ'ব জনাবনে ?

শ্রীগোপীনাথ দাস (কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী জিলা কাৰাগাৰৰ স্থানান্তৰৰ বাবে জালুকবাৰী মৌজাৰ পশ্চিম

বড়াগাওঁ অঞ্চলত পূর্ব আবন্টিত ১৫০ (ডেৰশ) বিঘা মাটি সম্পূর্ণ ভাবে দ' স্থানত অৱস্থিত বাবে গৃহ নির্মানৰ বাবে অনুপযুক্ত বিবেচিত হোৱাত আৰু লগতে তাত কাৰাগাৰ নির্মান কৰিলে দীপৰ বিলখনৰ ক্ষতি হোৱাৰ আশংকাত উক্ত স্থান সম্প্রতি নাকচ কৰি উপযুক্ত বিকল্প স্থানত মাটি আবন্টন দিয়াৰ বাবে বাজহ বিভাগক অনুৰোধ কৰা হৈছে।

(খ) ১৯৯১ চনত নির্দ্ধাৰিত প্রাককলন মতে ৪ (চাৰি) কোটি টকাৰ আঁচনি পৰিকল্পনা শিতানত লোৱা হৈছিল। প্রয়োজনীয় জৰীপ আৰু সন্মুখৰ পথ আদি নির্মানৰ প্রাৰম্ভিক কামৰ বাবে ১ (এক) লাখ ৪৭ (সাতচল্লিশ) হাজাৰ টকা পূর্ব আবন্টিত স্থানত গড় কাপ্তানি (গৃহ) বিভাগৰ দ্বাৰা খৰছ হৈছে।

(গ) বাজহ বিভাগৰ পৰা উপযুক্ত বিকল্প স্থানত মাটিৰ আবন্টন পালেই পুনৰ পুঁজি সাপেক্ষে কাম হাতত লোৱা হ'ব।

Re : INDUSTRIAL POLICY.

Shri Mission Ranjan Das asked,

262. Will the Minister of Industry be pleased to state :

(a) Whether the Government is continuing the "1991 Incentive scheme" which was commenced from 1-4-91 as per Industrial Policy of Assam, 1991 ?

(b) If yes, whether the Government is giving sales Tax Exemption on purchase of raw materials and Sales of finished products ?

(c) If yes, why the Sales Tax Exemption incentive is not given to Joyram Silicate Industry and Gopal Govinda Soap works in Karimganj District ?

(d) Whether the Government will issue necessary papers to these two SSI units registered under Industrial Policy of Assam, 1991 so that they can (case) claim incentives as per Final Eligibility Certificate ?

Shri Bijit Saikia (Minister of Industries) replied,

(a) Yes.

(b) Yes, Sales Tax exemption will be given as per the "Assam Industries (Sales Tax concessions) Scheme" 95 framed by Finance Department and notified on 16-8-95.

(c) The unit has not applied for Eligibility Certificate for getting Sales Tax exemption under the scheme.

(d) Yes.

বিষয় ঃ বিজুলী লাইনৰ খুটা ।

শ্রীযতীন মালীয়ে সুধিছে,

২৬৩। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিত কিমানখন গাৱত বিজুলী লাইনৰ খুটা ভঙা অৱস্থাত আছে জনাবনে ?

(খ) উক্ত ভঙা খুটাবোৰ কিমান বছৰৰ পৰাই তেনে অৱস্থাত আছে জনাবনে ?

(গ) ভঙা অৱস্থাত থকা খুটাবোৰ সলনিৰ কিবা ব্যৱস্থা বিভাগে কৰিছেনে ?

(ঘ) তাৰোপৰি সমষ্টিটোৰ ভিতৰত কিমানখন এনে গাওঁ আছে যত কেৱল খুটাবোৰহে পুতি ৰাখিছে লাইন দিব পৰা নাই ।

(ঙ) ইয়াৰ কাৰণ ব্যাখ্যা কৰিবনে ?

(চ) এনে গাওঁবোৰত কেতিয়া বিজুলি বাতি যোগান ধৰিব পৰা যাব জনাবনে ?

শ্রীগোপীনাথ দাস (গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে,

(ক) পলাশবাৰী সমষ্টিত ১৯ খন গাৱত বিজুলী লাইনৰ খুটা বেয়া অৱস্থাত আছে ।

(খ) গত ৬য় মাহ মানৰ পৰা ।

(গ) হয়, ব্যৱস্থা কৰি থকা হৈছে ।

(ঘ) প্রায় ৩০ খন গাঁৱত বৈদ্যুতিকৰনৰ কাম অসম্পূর্ণ অৱস্থাত আছে ।

(ঙ) প্রয়োজনীয় বিত্তীয় অনুদানৰ অভাৱ হেতু সম্পূর্ণ কৰিব পৰা নাই ।

(চ) প্রয়োজনীয় বিত্তীয় অনুদানৰ সাপেক্ষেহে পর্য্যায়ক্রমে বিজুলী যোগান ধৰাটো সম্ভৱ হ'ব ।

(Unstarred Question No. 264 was Postponed.)

বিষয় ঃ কার্য্যবাহী আৰু কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে দুর্নীতিৰ অভিযোগ ।

শ্রীনজমুল হকে সুধিছে,

২৬৫। মাননীয় গ্রাম্য বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাৰ অন্তর্গত লক্ষীপুৰ গ্রাম্য বৈদ্যুতিক উপ-সংমণ্ডলৰ সহকাৰী কার্য্যবাহী অভিযন্তা আৰু কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে উত্থাপন হোৱা দুর্নীতিৰ গুৰুতৰ অভিযোগ সম্পর্কে চৰকাৰ অৱগত হৈছেনে ?

(খ) উক্ত বিষয়া দুজনৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ প্রতিবেদন সদনত দাখিল কৰা হবনে ?

শ্রীগোপী নাথ দাস, (ৰাজ্যিক মন্ত্রী, গ্রাম্য বিদ্যুৎ বিভাগ) য়ে উত্তৰ দিছে,

(ক) হয়, অৱগত হৈছে ।

(খ) উক্ত বিষয়া দুজনৰ বিষয়ে তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব ।

বিষয় ঃ ফার্টিকেম আৰু সাৰ ও ৰাসায়নিক লিমিটেড ।

শ্রীঅতুল বৰাই সুধিছে,

২৬৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) দিশপুৰ সমষ্টিত অৱস্থিত অসম ৰাজ্যিক সাৰ ও ৰাসায়নিক লিমিটেড আৰু ফার্টিকেম উদ্যোগত কিমান লোক স্থায়ী ভাৱে নিযুক্তি পোৱা আৰু কিমান লোক অস্থায়ী ভাৱে কাম কৰি আছে ?

(খ) উদ্যোগ দুটা বন্ধ হৈ যোৱা চৰকাৰৰ কাম্য নেকি ?

(গ) যদি নহয় এই লাভজনক উদ্যোগ দুটা ঠিকমতে পৰিচালিত হোৱাত চৰকাৰে গুৰুত্ব নিদিয়াৰ কাৰণ কি ?

(ঘ) এই উদ্যোগ দুটাৰ ভৱিষ্যতৰ লগতে ইয়াত কাম কৰি থকা শ শ কর্মচাৰী আৰু শ্রমিকৰ ভৱিষ্যৎ সম্পর্কে চৰকাৰ অৱগত নে ? কিবা চিন্তা কৰিছেনে ?

শ্রীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১। অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড

স্থায়ী ভাৱে নিযুক্তি পোৱা লোক— ১৭৬ জন ।

অস্থায়ী ভাৱে নিযুক্তি পোৱা লোক— নাই ।

২। ফার্টিকেম লিমিটেড

স্থায়ী ভাৱে নিযুক্তি পোৱা লোক— ১৩২ জন ।

অস্থায়ী ভাৱে নিযুক্তি পোৱা লোক নাই ।

(খ) নহয় ।

(গ) গুৰুত্ব দিয়া হৈছে ।

(ঘ) হয়, অব্যগত ।

১। অসম বাজ্যিক সাৰ আৰু বাসায়নিক লিঃ নামৰ উদ্যোগটোৱে যদিও বিভিন্ন কাৰণত লাভ কৰিব পৰা নাই চৰকাৰে ইয়াক লাভজনক কৰিবৰ বাবে প্ৰচেষ্টা হাতত লৈছে । যেনে, বাষ্ট্ৰীয়কৃত বেঙ্ক সমুহে উদ্যোগটো চলাই থকাৰ কাৰণে কাৰ্য্যকৰী মুলধন (Working Capital) দিবলৈ অমান্তি হোৱাত এই পুঁজি সংগ্ৰহৰ কাৰণে যুটিয়া খণ্ডত চলাবলৈ প্ৰচেষ্টা চলোৱা হৈছে ।

২। ফাৰ্টিকেম উদ্যোগৰ ক্ষেত্ৰটো বাষ্ট্ৰীয়কৃত বেঙ্ক সমুহে কাৰ্য্যকৰী মুলধন (Working Capital) নিদিয়াত গ্ৰাহকৰ পৰা আগধন লৈ উৎপাদন আৰু বিক্ৰীৰ পৰিমান বৃদ্ধি কৰাৰ দৰে ব্যৱস্থা সমুহ লোৱা হৈছে ।

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধ ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে,

২৬৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ বহা সমষ্টিত কপিলি নদীৰ দক্ষিন পাৰে স্থিত কামপুৰ পকী দলঙৰ পৰা বকুল গুৰিলৈকে বান্ধটো ঘোৱা বাননীত কিমান ঠাইত চিঙিলে জনাবনে ?

(খ) উল্লেখিত বান্ধৰ ভিতৰত কিমান ঠাইত খহনীয়া হৈ আছে জনাবনে ?

(গ) খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কিবা কৰিছেনে ?

(ঘ) চিঙি থকা বান্ধবোৰ মেৰামতিৰ কিবা ব্যৱস্থা বিভাগে লৈছেনে ?

শ্ৰীশৰৎ বৰকটকী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উল্লেখিত অঞ্চলত বাননিয়ন্ত্ৰণ বিভাগৰ কোনো মঠাউৰি চিঙা নাই ।

(খ) উক্ত বান্ধৰ ১৯০ মিঃ ৰ পৰা ৩৯০ মিঃ শিকলিত গড়াখহনীয়া পৰিলক্ষিত হৈছে ।

(গ) প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে ।

(ঘ) 'ক' প্ৰশ্নৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে ।

Re : Principal I/C of Higher Secondary School.

Shri Rampyare Rabidas asked :

268. Will the Minister, Education be pleased to State—

(ক) যে সব Higher Secondary School I/C Principal- কাজ করছেন অথচ Selection Board—থেকে Selection নন করন Principal I/C হওয়ার আগেই Selection হয়ে গিয়েছিল, তাদের কি Officiating/permanent Principal করা হবে, Scale সহ ? যদি হয়, তবে কখন ?

(খ) অনেক Higher Secondary School এ Senior Teacher —রা ইচ্ছাকৃত ভাবে, Vice-Principal Post— এর জন্য Interview— দেন নাই যার ফলে Junior Teacher— রা Selection— পেয়েছেন চরকার কি অবগত ? এই Selected Candidate দের কি Vice-Principal post-এ regular— করা হবে ?

শ্রীহেম প্রকাশ নারায়ন (বাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তর দিছে :

(ক) বিধি অনুযায়ী বাছনি নোপোৱা প্রার্থীৰ Principal পদত Officiating/regular Principal— কৰা নহয় । বাছনিৰ কাম সম্পূর্ণ নোহোৱা পর্য্যন্ত কিছুমান উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্রত সাময়িক ভাৱে জেষ্ঠতাৰ ভিত্তিত Principal I/C- দায়িত্ব দিয়া হৈছিল । বাছনি পোৱা প্রার্থীৰ তালিকা প্রকাশ পোৱাৰ পিচত সম্প্রতি নিয়মীয়া নিযুক্তিৰ প্রক্রিয়া চলি থাকোতেই মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক স্থগিতাদেশৰ পৰিপ্রেক্ষিতত নিযুক্তিৰ কাম বর্ত্তমানে বন্ধ আছে ।

(খ) কোনো জেষ্ঠ শিক্ষকে যদি ইচ্ছাকৃত ভাবে উপাধ্যক্ষ পদৰ বাবে ৰাজ্যিক বাছনি সমিতিৰ ওচৰত সাক্ষাৎকাৰ দিয়া নাই, তেনে লোকৰ ক্ষেত্রত চৰকাৰৰ কবলগীয়া একো নাই । কিন্তু সাক্ষাৎকাৰ দিয়া জেষ্ঠ শিক্ষকক চেৰাই গৈ একে বিদ্যালয়ৰে কনিষ্ঠ শিক্ষকক বাছনি সমিতিয়ে চুপাৰিশ কৰিলেও তেনেক্ষেত্রত জেষ্ঠ শিক্ষক জনকহে উপাধ্যক্ষ পদত পদোন্নতি দিবলৈ নির্দ্দেশ দিয়া হৈছে ।

গোটেই বিষয়টো চালি জাৰি চাই সিদ্ধান্ত লবৰ বাবে জেষ্ঠ শিক্ষকৰ ঠাইত সিবিলাক বিদ্যালয়ত কনিষ্ঠ শিক্ষকৰ নাম বাছনি সমিতিয়ে উপাধ্যক্ষ পদৰ বাবে চয়ন কৰি পঠাইছে তেনে ক্ষেত্রত সম্প্রতি উপাধ্যক্ষ পদলৈ পদোন্নতি দিয়াটো সাময়িক ভাবে বন্ধ ৰখা হৈছে ।

বিষয় ঃ ফার্টিকেমৰ যোগান আঁচনি।

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে,

২৬৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ফার্টিকেমৰ ওপৰত সদনত যোৱা বিধান সভাৰ বাজেট অধিবেশনত ১০/৪/৯৫ তাৰিখে উদ্যোগ মন্ত্রীয়ে আলোচনা কালত তদন্ত কৰাৰ যি আশ্বাস দিছিল সেই তদন্ত হলনে ?

(খ) যদি হ'ল সেই তদন্ত কোনে কৰিলে আৰু ৰিপোৰ্ট কি দিলে সদনক জনাব ?

(তদন্ত ৰিপোৰ্টৰ প্রতিলিপি সদনৰ টেবুলত থব)

(গ) ১৯৯৪ চনৰ পৰা ফার্টিকেমে যোগান ধৰা সাৰ নিম্নমানৰ বুলি ইতিমধ্যে কোনেও আপত্তি জনাইছে নেকি, যদি জনাইছে এই আপত্তি কিমান সত্য জনাব, এই ক্ষেত্রত কি শাস্তিমুলক ব্যৱস্থা দোষী ব্যক্তি সকলৰ বিৰুদ্ধে গ্রহন কৰা হৈছে ? (এই সময়ছোৱাত আপত্তি কৰা সকলৰ নাম সদনত দিব) এই আপত্তিৰ ফলত ফার্টিকেমৰ কিমান টকাৰ লোকচান হ'ব ?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, হ'ল।

(খ) অসম উদ্যোগীক উন্নয়ন নিগম পৰিসীমিতৰ মহা প্রবন্ধক (General Manager) শ্রীএম, কে, শর্ম্মাই কৰিলে।

তদন্তৰ প্রতিবেদন সদনত দাখিল কৰা হ'ল। (See the Annexure-XI)

(গ) উক্ত কথা চৰকাৰৰ অৱগত নহয়।

বিষয় ঃ বিদ্যুৎ সৰবৰাহ বন্ধ।

মোঃ মহিবুল হকে সুধিছে,

২৭০। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ নালিয়া আৰু বেৰভাঙ্গি অঞ্চলত বিজুলী বাতিৰ সকলো ব্যৱস্থা কৰাৰ পিছতো কি কাৰণত যোৱা ২/৩ বছৰ ধৰি বিদ্যুৎ সৰবৰাহ কৰা হোৱা নাই ?

(খ) কেতিয়া আৰু কোন তাৰিখৰ পৰা উক্ত অঞ্চললৈ বিদ্যুৎ সৰবৰাহ কৰা হ'ব জনাবনে ?

শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে,

(ক) গৌৰীপুৰ সমষ্টিৰ নালিয়া আৰু বেৰভাঙ্গি অঞ্চলত বিদ্যুৎ প্ৰৱহনৰ তাঁৰ আৰু ট্ৰান্সফৰ্মাৰৰ winding চুৰি হোৱাৰ বাবে উক্ত অঞ্চলত বিদ্যুৎ সৰবৰাহ ব্যাহত হৈ আছে ।

(খ) উক্ত অঞ্চললৈ বিদ্যুৎ সৰবৰাহ কৰিবলৈ হলে পুনৰ বিদ্যুৎ প্ৰৱহনৰ তাঁৰ আৰু ট্ৰান্সফৰ্মাৰৰ winding আৰু লাগতীয়াল সামগ্ৰীসমূহৰ প্ৰয়োজন ইয়াৰ বাবে যথেষ্ট বিত্তৰ আৱশ্যক । প্ৰয়োজনীয় অৰ্থৰ যোগান হলেই উক্ত অঞ্চললৈ বিদ্যুৎ সৰবৰাহ কৰা সম্ভৱপৰ হ'ব ।

বিষয় ঃ গ্রাম বৈদ্যুতায়িত এবং সম্প্রাসারন

শ্রীমধুসূদন তেওয়াৰীয়ে জিজ্ঞাসা কৰছেন,

২৭১। মাননীয় গ্রাম্য বৈদ্যুতিকরন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) ১৯৯৪-৯৫ ইং বৎসরে পাথারকান্দি সমষ্টিতে নুতুন ভাবে কোন কোনটি গ্রাম বিদ্যুতায়িত করা এবং কতটি গ্রামে সম্প্রসারনের কাজ করা হইয়াছে জানাবেন কি ?

(খ) ১৯৯৫-৯৬ ইং বৎসরে পাথারকান্দিতে কতটি নুতন গ্রাম বিদ্যুতায়িত করা এবং কতটি গ্রামে সম্পাদারন করা হইবে জানাবেন কি ?

শ্রীগোপীনাথ দাস (রাজ্যিক মন্ত্রী, গ্রাম্য বৈদ্যুতিকরন বিভাগ) য়ে উত্তর দিছেন,

(ক) ১৯৯৪-৯৫ ইং বৎসরে পাথারকান্দি সমষ্টিতে ৩ টি পিয়লভূক্ত গ্রামে নুতন করে বিদ্যুৎ যোগানের জন্য গ্রাম্য বৈদ্যুতিকরন যোজনায় অন্তর্ভূক্ত করা হয়েছে । তদুপরি ৫ টি গ্রামে বিদ্যুৎ সম্প্রসারনের কাজ ১৯৯৪-৯৫ বৎসরের যোজনায় অন্তর্ভূক্ত করা হয়েছে । গ্রাম সমূহের নাম নীচে উল্লেখ করা হ'ল ।

নূতন	সম্প্রসারিত গ্রাম
১) সেলি গ্রাণ্ট	১) বরাবাজার
২) দক্ষিণ হাথিখিরা	২) কল্কলিমুখ
৩) পূর্ব হত্তাইপুর	৩) পারিয়ালা
	৪) বাঘান গাওঁ
	৫) বিলবারি

(খ) ১৯৯৫-৯৬ ইং বৎসরে পাথারকান্দিতে ৪ টি নূতন গ্রাম বিদ্যুতায়িত করার এবং ৩ টি গ্রামে বিদ্যুৎ সম্প্রসারনের ও প্রস্তাব নেওয়া হয়েছে।

বিষয় ঃ বিশ্ব বেংকৰ সাহার্য্য

শ্রীজীউৰাম বড়োই সুধিছে,

২৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ দৰং, ধুবুৰী, মৰিগাওঁ আৰু কাৰ্বি আংলং জিলাক শিক্ষাত পিছপৰা হেতু বিশ্ব বেংকৰ পৰা সাহার্য্য প্রদান কৰা সঁচানেকি ?

(খ) যদি সঁচা এই সাহার্য্য অনুদানেৰে শিক্ষাত পিছপৰি থকা জিলা কেইখনক উন্নীত কৰিবলৈ কেনে ধৰনৰ আঁচনি যুগুত কৰি তোলা হৈছে আৰু এই আঁচনিত "পুতলা ভাওনা" দেখোৱাকো অন্তর্ভুক্ত কৰা হৈছে নেকি ?

(গ) আঁচনিৰ কাম আৰম্ভ কৰিবলৈ ইতিমধ্যে জিলা চাৰিখনত কোন জিলাত কিমান ধন মঞ্জুৰী পালে, ইয়াৰে দৰং জিলাত কোন কোন সমষ্টিত কি কি কাম কৰিলে, জিলাখনে পোৱা মঞ্জুৰী ধন কি কামৰ বাবে কিমান ধন খৰছ কৰিলে তাৰ বিতং প্রতিবেদন দাখিল কৰিবনে ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা।

কেন্দ্রীয় চৰকাৰে বিশ্ব বেংকৰ পৰা ঋণলৈ অনুমান হিচাপে টকা বাজ্য চৰকাৰলৈ আৱণ্টন কৰে। বাজ্য চৰকাৰে বিশ্ব বেংকৰ পৰা পোনপোটীয়াকৈ সাহার্য্য নাপায়।

(খ) প্রাথমিক শিক্ষাৰ উন্নতিকল্পে জিলা প্রাথমিক শিক্ষা আঁচনি যুগুত কৰা হৈছে আৰু এই আঁচনিৰ বৈশিষ্ট্য সমূহ এনে ধৰণৰ —

১) শৈক্ষিক প্রশাসক, প্রাথমিক বিদ্যালয়ৰ শিক্ষক, তত্বাৱধায়ক, ছেম্বাসেৱী অনুষ্ঠান আৰু গাওঁ সমিতি আদিৰ পৰামর্শ। আৰু অংশগ্রহনৰ জৰিয়তে আঁচনিৰ পৰিকল্পনাকৰন তথা ৰূপায়ন।

২) বিদ্যালয়ত ল'ৰা ছোৱালীৰ নাম ভর্ত্তিকৰনৰ সংখ্যা বৃদ্ধি আৰু সম্পূর্ণ সংৰক্ষণ।

৩) সামগ্রীকভাবে আধৰুৱাকৈ স্কুল এৰা ছাত্র-ছাত্রীৰ সংখ্যাৰ হাৰ কমোৱা।

৪) বিদ্যালয় নথকা জনবসতি অঞ্চলত নির্দ্ধাৰিত সংখ্যক নতুন বিদ্যালয় স্থাপন কৰা।

৫) নতুন বিদ্যালয় ভৱন নির্মাণ, পূৰণা বিদ্যালয় ভৱন সমূহৰ মেৰামতি, শৌচাগাৰ আৰু প্ৰসাৰগাৰ নির্মাণ।

৬) সংশোধিত পাঠ্যপুথি, কৰ্মপুথি, শিক্ষকৰ হাতপুথি প্ৰস্তুতকৰন আৰু মুদ্ৰন।

৭) শিক্ষকৰ পূৰ্ণ জড়িতকৰন আৰু প্ৰশিক্ষণ।

৮) শিশুৰ বাবে মেলা, উৎসৱ আদি পতা

৯) মহিলা/মাতৃ শিৱিৰ পাতি প্ৰাথমিক শিক্ষাৰ বাবে সজাগতা বৃদ্ধি কৰা আৰু ল'ৰা ছোৱালীৰ বিদ্যালয়লৈ যোৱাটো সুনিশ্চিত কৰা আৰু

১০) পৰিবেশ সৃষ্টি কৰা কাৰ্য্য যেনে-কলাযাত্ৰা, মিটিং, বাটৰ নাট ইত্যাদি। 'পুতলা ভাওনা' দেখোৱাকো এই আঁচনিত পৰিবেশ গঠনৰ বাবে নূন্যতম কৰ্মসূচী হিচাপে লোৱা হৈছে যাতে জনসাধাৰণৰ মাজত প্ৰাথমিক শিক্ষা সম্বন্ধে সচেতনতা বৃদ্ধি পায়।

গ) আঁচনিৰ কাম আৰম্ভ কৰিবলৈ ইতিমধ্যে জিলা চাৰিখনত মুকলি কৰি দিয়া (৩১ জুলাই ৯৫ লৈকে) ধনৰ পৰিমান Annexure 'A' ত দিয়া হ'ল। জিলাভিত্তিক আঁচনি যুগুত কৰা হয়। সেই বাবে সমষ্টি ভিত্তিত প্ৰশিক্ষণ আৰু অন্যান্য কাৰ্য্যাবলীৰ খৰছৰ তালিকা দেখুওৱা সম্ভৱ নহয়। যিকি নহওঁক গোটেই জিলাৰ বাবে ধন খৰছৰ বিতং বিৱৰণ Annexure 'B' ত আৰু নির্মাণ কাৰ্য্যৰ সমষ্টি ভিত্তিক এখন তালিকা Annexure 'C' ত দিয়া হ'ল। নির্মাণ কাৰ্য্যবিলাক বিভিন্ন অগ্ৰগতি পৰ্য্যায়ত আছে।

(See the Annexure—XII, XII, XIV)

বিষয় ঃ শিক্ষা বোৰ্ডৰ সদস্যৰ যোগ্যতা

শ্ৰীমহেন্দ্ৰ বড়াই সুধিছে,

২৭৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে কি ভিত্তিত Elementary Education Board, High School Board আদি শিক্ষা বিভাগৰ Selection Board সমূহ গঠন কৰিছে ইয়াৰ সদস্য সকলৰ যোগ্যতা কি ?

(খ) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ যোগ্যতা যদিহে প্ৰবেশিকা তেনেহলে তাত উচ্চ শিক্ষিতক নিয়োগ দি এই সকলৰ নিয়োগত হেঙাৰ হোৱা নাই নে ? এনে কিবা নীতি নিয়ম আছে নে ?

(গ) এই বর্ড সমূহৰ বাছনিবোৰ কি ভিত্তিত হয় আৰু কি ভিত্তিত প্ৰাৰ্থী Selection কৰা হয় ?

বৰ্ত্তমান বৰ্ডে কি ভিত্তিত প্ৰাৰ্থী বাছিব আৰু নিযুক্তি দিব জনাবনে ?

শ্ৰীজমন সিং ব্ৰহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৭৭ চনৰ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশীকীকৰণ আইন আৰু বিধিৰ আধাৰত মহকুমা ভিত্তিত একোখনকৈ প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড গঠন কৰাৰ ব্যৱস্থা আছে ।

প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডৰ ক্ষেত্ৰত শিক্ষাৰ উন্নয়ণ আৰু বিস্তাৰৰ প্ৰতি আগ্ৰহ থকা এজন ব্যক্তিক চেয়াৰমেন আৰু দুজনক সদস্য হিচাপে চৰকাৰে মনোনীত কৰে আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াজন পদেন সদস্য হিচাপে থাকে । স্কুল সমূহৰ উপ-পৰিদৰ্শক জন সদস্য-সচিব হিচ'পে থাকে ।

District Level Secondary Board জিলা ভিত্তিত নিম্নোক্ত ধৰনে গঠন কৰা হয়-- এজন অধ্যক্ষ আৰু তিনিজন সদস্য । অধ্যক্ষজন জনাজাত শিক্ষাবিদৰ পৰা আৰু সদস্য তিনিজন শিক্ষাবিদৰ পৰা দিয়া হয় । জিলাৰ স্কুল পৰিদৰ্শক গৰাকী সদস্য-সচিব হিচাবে থাকে ।

(খ) প্ৰাথমিক বিদ্যালয়ত শিক্ষক পদৰ বাবে নিম্নতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ । উচ্ছ শিক্ষাগত অৰ্হতা থকা প্ৰাৰ্থীয়ে শিক্ষক পদৰ বাবে আবেদন কৰাত বাধা নাই ।

গ) ওপৰৰ (ক) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা সংশ্লিষ্ট আইন আৰু বিধি অনুযায়ী প্ৰাথমিক উপদেষ্টা বোৰ্ড গঠন কৰা হয় আৰু ১৯৭৭ চনৰ অসম প্ৰাথমিক শিক্ষা প্ৰাদেশীকিকৰণ আইনৰ ৩ নং ধাৰাৰ উপধাৰা ৫ মতে প্ৰত্যেক মহকুমা উপদেষ্টা বোৰ্ড বাচনি কমিটি গঠন কৰি প্ৰাৰ্থী নিৰ্বাচিত কৰাৰ ব্যৱস্থা আছে ।

আবেদনকাৰী প্ৰাৰ্থী সকলৰ ভিতৰত যোগ্যতাৰ ভিত্তিত আৰু নিযুক্তিৰ ঘোষিত নীতিৰ আধাৰত প্ৰাৰ্থী নিৰ্ব্বাচন কৰিব লাগে ।

District Level Secondary Boardৰ ক্ষেত্ৰত প্ৰাৰ্থী বাচনি বিজ্ঞাপনৰ ভিত্তিত / বোৰ্ডৰ দ্বাৰা সাক্ষাৎকাৰৰ ভিত্তিত কৰা হয় । যোগ্যতা তথা সাক্ষাৎকাৰৰ ভিত্তিত প্ৰাৰ্থী বাচনি কৰি নিযুক্তি দিয়াৰ নিয়ম আছে ।

বিষয় : আঁচনিৰ টকা অনুমোদন ।

শ্ৰীপানীৰাম বাভাই সুধিছে,

২৭৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) পাগলাদিয়া নদী প্রকল্প আঁচনিৰ জৰিয়তে ১৯৯১ ইং চনৰে পৰা বৰ্ত্তমানলৈ লোৱা আঁচনি সমূহৰ তালিকা দিব ?

কোন আঁচনিত কিমান টকা অনুমোদন পাইছিল আৰু আঁচনিবোৰৰ কাম সম্পূৰ্ণ হ'লনে জনাব ?

শ্ৰীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

ক) পাগলাদিয়া নদী উপত্যকা প্ৰকল্প আঁচনিৰ জৰিয়তে ১৯৯১-৯২ চনৰ পৰা লোৱা আঁচনি সমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল।

১৯৯১-৯২

১। প্ৰতিৰোধমুলক বননীকৰণ আঁচনি।
২। উল্টাখন্দা প্ৰতিৰোধ আঁচনি।
৩। ভূমি উন্নয়ন আঁচনি।

১৯৯২-৯৩

১। প্ৰতিৰোধ বননীকৰণ আঁচনি।
২। উল্টাখন্দা প্ৰতিৰোধ আঁচনি।
৩। গেদ বিশ্লেষণ আঁচনি।
৪। ভূমি উন্নয়ন আঁচনি।

১৯৯৩-৯৪

কোনো আঁচনি লোৱা হোৱা নাই।

১৯৯৪-৯৫

১। উল্টাখন্দা প্ৰতিৰোধ মূলক আঁচনি।
২। ভূমি উন্নয়ন আঁচনি।
৩। গেদ বিশ্লেষণ আঁচনি।
৪। প্ৰতিৰোধ মূলক বননীকৰণ আঁচনি।

১৯৯৫-৯৬

বৰ্ত্তমানলৈকে কোনো আঁচনি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদিত হোৱা নাই।

অনুমোদিত পোৱা টকাৰ পৰিমান তলত উল্লেখ কৰা হ'ল।

১৯৯১-৯২

১। প্ৰতিৰোধমূলক বননীকৰণ আঁচনি — ১৩,২২,৭২৪ টকা।
২। উল্টাখন্দা প্ৰতিৰোধ আঁচনি — ১৪,৩১,৫৫৭ „
৩। ভূমি উন্নয়ন আঁচনি — ৬,৬০,৭২০ „

১৯৯২-৯৩

১। প্রতিবোধ মূলক বননীকৰণ আঁচনি — ৩,৮০,৮০১ টকা।
২। উল্টাখন্দা প্রতিবোধ আঁচনি — ১১,০২,১৪৮ "
৩। ভূমি উন্নয়ন আঁচনি —— ১৫,২৭,৮৫০
৪। গেদ বিশ্লেষণ আঁচনি —— ১,৭২,১২৫ "

১৯৯৩-৯৪

১। কোনো আঁচনি অনুমোদন পোৱা হোৱা নাই।

১৯৯৪-৯৫

১। প্রতিবোধ বননীকৰণ আঁচতি — ২৬,২৮,০০০ টকা।
২। উল্টাখন্দা প্রতিবোধ আঁচনি — ২,৬৮,০০০ "
৩। ভূমি উন্নয়ন আঁচনি — ১৩,২৬,০০০ "
৪। গেদ বিশ্লেষণ আঁচনি — ২,৭৮,০০০ "

১৯৯১-৯২ চনৰ পৰা ১৯৯২-৯৩ চনত লোৱা আঁচনি সমূহৰ কাম সম্পূর্ণ হৈছে যদিও গেদ বিশ্লেষণ আঁচনি (ধমধমা)ৰ কাম সম্পূর্ণ হোৱা নাই। ইয়াৰ উপৰিও ১৯৯৪-৯৫ চনৰ অনুমোদিত আঁচনি সমূহৰ কাম আৰম্ভ হোৱা নাই।

বিষয় ঃ সমবায় নির্বাচিত পৰিচালনা সমিতি।

শ্রীনিজামুদ্দিন খানে সুধিছে,

২৭৫। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) সমবায় সমিতি সমূহৰ সকলো বিলাকতে নির্বাচিত পৰিচালনা সমিতি আছেনে ?

খ) যদি নাই কিমানখন সমবায় সমিতিৰ নির্বাচিত পৰিচালনা সমিতি নাই ?

গ) নির্বাচিত পৰিচালনা সমিতি নথকা সমবায় সমিতি সমূহ নির্বাচন অনুষ্ঠিত নকৰাৰ কাৰণ কি ?

ঘ) এই নির্বাচিত পৰিচালনা সমিতি নোহোৱা সমবায় সমিতি সমূহৰ নির্বাচন অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে ?

ঙ) যদি কৰে কিমানদিনৰ ভিতৰত এই নির্বাচন সমূহ অনুষ্ঠিত কৰিব ?

শ্রীহৰেন ভূমিজ, (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে।

ক) কিছুমান সমবায় সমিতিত নির্বাচিত পৰিচালনা সমিতি নাই।

খ) ৪৯৯ খন গাওঁ পঞ্চায়ত সমবায় সমিতিত নির্বাচিত পৰিচালনা সমিতি নাই। ইয়াৰ উপৰিও অন্যান্য কিছুমান সমিতিতো নির্বাচিত পৰিচালনা সমিতি নাই।

গ) বানপানী আদি প্রাকৃতিক দুর্য্যোগ আৰু অন্যান্য কাৰণ বশতঃ বহু সময়ত সমিতিৰ নির্বাচন অনুষ্ঠিত কৰিব নোৱাৰে।

ঘ) নির্বাচন অনুষ্ঠিত নোহোৱা সমিতি সমূহত গঠন কৰা তদর্থ কমিটিয়ে ৯০ দিনৰ ভিতৰত সাধাৰণ সভা আৰু নির্বাচন পাতিব লাগে আৰু সেইদৰে নির্দেশ দিয়া হৈছে।

ঙ) (ঘ) প্রশ্নৰ উত্তৰত দিয়া হৈছে।

বিষয় ঃ ভূমি সংৰক্ষণৰ আঁচনি।

শ্রীৰমেন্দ্র নাৰায়ন কলিতাই সুধিছে,

২৭৬। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯২-৯৩,৯৩-৯৪,৯৪-৯৫,৯৫-৯৬ চনত ভূমি সংৰক্ষণ বিভাগে কি কি আঁচনি গ্রহণ কৰিছে ?

(খ) এই আঁচনি সমূহ বর্ত্তমান কি পর্য্যায়ত আছে ?

(গ) ১৯৯৪-৯৫ চনত পশ্চিম গুৱাহাটী সমষ্টিৰ খানামুখৰ বামুনজান নৈৰ খহনীয়া প্রতিৰোধৰ বাবে আঁচনি গ্রহণ কৰা হব বুলি ১৯৯৩ চনৰ মার্চ মাহৰ বিধান সভাত প্রতিশ্রুতি দিয়া হোৱা নাছিল নে ?

(ঘ) যদি হৈছিল, তেনেহলে কিমান টকাৰ অনুমোদন জনালে আৰু বর্ত্তমান কি পর্য্যায়ত আছে, জনাবনে ?

(ঙ) ১৯৯৫-৯৬ চনৰ দ্বিতীয় বর্ষৰ ভিতৰত কামটো সম্পূর্ণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিব নে ?

শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩,১৯৯৩-৯৪,১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ চনত ভূমি সংৰক্ষণ বিভাগে প্রধানকৈ গ্রহণ কৰা আঁচনি সমূহ তলত দিয়া হ'ল।

১। ভূমি উন্নয়ন আঁচনি।

২। উল্টাখন্দা আঁচনি।

৩। প্রতিৰোধ মূলক বননিকৰণ আঁচনি।

৪। নদী নিয়ন্ত্রণ আঁচনি।
৫। ভূমি উন্নয়ন আৰু পানী বিতৰণ আঁচনি।
৬। বাগিছা শস্য উন্নয়ন আঁচনি।
৭। প্ৰাকৃতিক সৌন্দৰ্য্যকৰণ আঁচনি।
৮। ভূমিৰ ব্যৱহাৰ পৰিষদ আঁচনি।

(খ) ১৯৯২-৯৩ চনত প্ৰয়োজনীয় ধন বিত্ত বিভাগৰ পৰা অনুমোদন নোপোৱাৰ হেতুকে ভূমি সংৰক্ষণ বিভাগে ওপৰত উল্লেখ কৰা আঁচনি সমূহ সম্পূৰ্ণকৈ ৰূপায়ন কৰিব নোৱাৰিলে। তথাপি কিছু কামৰ সৈতে আঁচনি সমূহৰ ৰক্ষণাবেক্ষণ কৰা হ'ল। ১৯৯৩-৯৪ চনত উক্ত আঁচনি সমূহ প্ৰায় ভাগেই সম্পূৰ্ণ কৰা হ'ল। ১৯৯৪-৯৫ চনৰ বছৰটোৰ উক্ত আঁচনি সমূহ ৰূপায়ণ সম্পূৰ্ণ কৰিব পৰা নাই। বছৰটোৰ আৱণ্টনৰ মুঠ ৩৯৯·০০ লাখ টকাৰ ১০০·০০ লাখ টকা কৰ্ত্তন হৈছে। আৰু ১০০·০০ লাখ টকা বাজহৰ শিতানত জমা হৈ আছে। বাজহৰ শিতানৰ পৰা ১০০·০০ লাখ টকা মোকোলাই দিলে বছৰটোৰ উক্ত আঁচনি সমূহৰ বাকী অংশ ৰূপায়ণ কৰিব পৰা হ'ব। ১৯৯৫-৯৬ চনত আৱণ্টনৰ সম্পূৰ্ণ ধন পালে বছৰটোৰ উক্ত আঁচনি সমূহ ৰূপায়ণ কৰা হ'ব।

(গ) পশ্চিম গুৱাহাটী সমষ্টিৰ খনামুখৰ বামুন জান নৈৰ গড়া খহনীয়া প্ৰতিৰোধৰ বাবে ১৯৯৪-৯৫ চনত বিধান সভাত আঁচনিধন পুঁজি সাপেক্ষে ৰূপায়ণ কৰা হব বুলি কোৱা হৈছিল কিন্তু বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰিদৰ্শন ক্ৰমে দেখা গ'ল যে উক্ত আঁচনিৰ ৰূপায়ণ কৰিবৰ বাবে প্ৰায় ২০·০০ লাখ মান টকাৰ প্ৰয়োজন হ'ব। তেনেধৰণৰ ব্যয় বহুল আঁচনি সমূহ এই বিভাগে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অনেৰে কৰাৰ সম্ভৱ নহয়।

(ঘ) উক্ত আঁচনি খনৰ বাবে ১৯৯৪-৯৫ চনত কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ বানপানীত মঠাউৰি, খেতি পথাৰ নষ্ট আৰু মৃত্যু লোকৰ সংখ্যা

শ্ৰীমনসিং ৰাপি আৰু শ্ৰীবাবু ৰংপি য়ে সুধিছে,

২৭৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমানে কিমানটা মঠাউৰি কিমান ঠাইত আৰু ক'ত ক'ত ভগ্ন অৱস্থাত আছে ?

(খ) এই বছৰ বানপানীত ক'ত ক'ত মঠাউৰী ভাঙিছে, তাৰ ফলত কিমান গাওঁ, খেতিপথাৰ আদি ক্ষতিগ্ৰস্ত হৈছে আৰু কিমান লোকৰ মৃত্যু হৈছে ?
(সবিশেষ তথ্য দাখিল কৰিব লাগে)

(গ) ধেমাজী জিলাৰ ছিছি তড়ানী অঞ্চলত বাননিয়ন্ত্ৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীশৰৎ বৰকটকী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমানে ৪৮ টা মথাউৰিৰ ৯৬ টা অংশ ভগ্ন অৱস্থাত আছে। ভগ্ন অংশ সমূহৰ অৱস্থান সম্পৰ্কে তালিকা 'A' আৰু 'B' ত উল্লেখ কৰা হৈছে।

(See the Annexure—XV and XVI)

(খ) এই বছৰৰ বানপানীত মুঠ ৫৪ ঠাইত মঠাউৰি ভাঙিছে আৰু ১২ ঠাইত স্থানীয় ৰাইজে কাটিছে। এই ভগ্ন অংশ সমূহৰ সবিশেষ তথ্য তালিকা 'A' ত সন্নিৱিষ্ট কৰা হ'ল। এই বছৰৰ বানপানীত সমগ্ৰ অসমৰ ৫,৭৭০ খন গাওঁ, ২১৮৪৪৯ হেক্টৰ খেতি পথাৰ ক্ষতিগ্ৰস্ত হয় আৰু ৫০ জন লোকৰ মৃত্যু হয়।

(গ) কোনো ব্যৱস্থা লোৱা হোৱা নাই।

বিষয় ঃ চাহবনুৱাৰ শিক্ষা-দীক্ষাৰ উন্নয়নৰ বাবে কোষ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে,

২৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিক্ষা বিভাগত ৰাজ্যিক পৰ্য্যায়ত চাহ ও প্ৰাক্তন চাহ বনুৱাৰ শিক্ষা-দীক্ষাৰ উন্নয়নৰ অৰ্থে অসম চৰকাৰৰ এটা কোষ (Cell) আছে নেকি ?

(খ) এই উপদেষ্টা মুলক কোষটিয়ে (Advisory Cell) শিক্ষা বিভাগক কিবা পৰামৰ্শ আগবঢ়াইছে নেকি ?

(গ) যদি কোনো পৰামৰ্শ আগবঢ়াইছে, তেনে প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ত চাহ ও প্ৰাক্তন চাহ মজদুৰৰ শিক্ষাৰ উন্নয়ন কল্পে কিমান সংখ্যক পদ সৃষ্টি কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছে জনাবনে ?

(ঘ) এই পদসমূহ চাহ ও প্ৰাক্তন চাহ মজদুৰ সম্প্ৰদায়ৰ শিক্ষিত নিবনুৱাক কিমান দিনৰ ভিতৰত দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে ?

শ্ৰীজমন সিং ব্ৰহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়। অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয় আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ত পৃথকে পৃথকে একোটিকৈ "চাহ বাগিছা কোষ" আছে।

(খ) পৰামৰ্শ আগবঢ়াইছে । মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ উক্ত কোষে State Level Advisory Committee ৰ অনুমোদন সাপেক্ষে চৰকাৰক পৰামৰ্শ আগবঢ়াইছে ।

(গ) প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ উক্ত কোষে ২০০ টা প্ৰাথমিক বিদ্যালয়ৰ অতিৰিক্ত শিক্ষক পদ আৰু ২৫ টা সহ-পৰিদৰ্শকৰ পদ মঞ্জুৰীৰ বাবে পৰামৰ্শ আগবঢ়াইছে ।

মাধ্যমিক পৰ্য্যায়ত নিম্নলিখিত পদ সমূহ সৃষ্টি কৰাৰ বাবে পৰামৰ্শ দিছে ।

১) স্নাতক পৰ্য্যায়ৰ ৫০ (পঞ্চাশ) টা শিক্ষকৰ পদ ।

২) বৰ্ত্তমান উক্ত কোষত থকা বিশেষ বিষয়াৰ পদটি উপ-সঞ্চালকৰ পদলৈ উন্নীতকৰণ ।

৩) উক্ত কোষৰ বাবে ২ টা নিম্ন বৰ্গ সহায়ক আৰু ২ টা চতুৰ্থ শ্ৰেণীৰ পদ ।

(ঘ) চৰকাৰৰ পৰীক্ষাধীন হৈ আছে ।

Re : Complaint against BEEO.

Shri Kali Ranjan Deb asked,

279. Will the Minister of Elementary Education be pleased to state :

(a) It is a fact that Smt. Khairuddin Choudhury, Block Elementary Education Officer, Katigora misappropriated Rupees Thirty Eight Thousand seven hundred stxty six by making a false bill against one Burhanuddin ?

(b) Is it a fact that Shri Ainuddin, the then Officiating Head Teacher, 1416 No. Niz Bihara L. P. school submitted a written complaint against Shri Khairuddin Choudhury, B.E.E.O to the Deputy Inspector of Schools, Silchar ?

(c) Is it also a fact that the D. I. of Schools, Silchar after enquiry found the allegation to be correct and submitted his report to the Higher Authority for necessary action about a year back ?

(d) If so, what is the contents of that report and what action has since been taken on the basis of that report ?

Shri Jaman Singh Brahma (Minister of State Education) replied,

(a) Primafacie, there is a case against the B.E.E.O., Katigora for payment of Rs. 38,766/- to a teacher for a period before joining.

(b) Yes,

(c) Yes,

(d) The report has found the allegation against the B.E.E.O., Katigora correct, Prima-facie. The report sent by the D. I. Silchar did not come to the notice of the D. E., Assam. However, a copy of the report has been obtained and is under process for taking appropriate action against the deliquent officer.

বিষয় ঃ সূতাকল আৰু কেচা সামগ্ৰী।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে,

২৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বইটামাৰী সমবায় সূতাকল কেচা সামগ্ৰী কিনাৰ অৰ্থৰ অভাৱত আজি ১ বছৰ ধৰি সূতাকলটো বন্ধ হৈ আছে। উক্ত বন্ধ হৈ থকা কলটো খোলাৰ ব্যৱস্থা চৰকাৰৰ হাতত আছেনে ?

(খ) কৰ্মচাৰী সকলক ১ বছৰ ধৰি দৰমহা দিয়া হোৱা নাই। তেওঁলোকৰ পাবলগীয়া দৰমহা চৰকাৰে দিব নে ?

(গ) বৰ্ত্তমান বছৰত মিলটোৰ কেচা সামগ্ৰী ক্ৰয় কৰাৰ বাবে প্ৰয়োজনীয় ধন চৰকাৰে দি মিলটো চালো কৰিবনে ?

শ্ৰীহৰেণ ভূমিজ, (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) বইটামাৰী সূতাকলটো পুনৰ খোলাৰ বাবে আঁচনি বিহৰা হৈছে।

(খ) কৰ্মচাৰী সকলৰ দৰমহা দিয়াৰ দায়িত্ব সূতাকল কৰ্ত্তৃপক্ষৰ।

(গ) আঁচনিৰ ভিত্তিত বিবেচনা কৰা হ'ব।

বিষয় ঃ শিক্ষকদের বেতন বন্ধ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদার জিজ্ঞাসা করছেন ?

২৮১। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ? ?

(ক) হাইলাকান্দি জেলায় গত তিনমাস মে, জুন, জুলাই ৯৫ ইং মধ্য ইংৰাজী ও মধ্য বঙ্গ বিদ্যালয়ের শিক্ষকদের বেতন বন্ধ থাকার কারণ কি ?

(খ) ঐ জেলায় শিক্ষকদের মাসিক বেতন সরকার কবে দিবেন ?

শ্রীজমন সিং ব্রহম (শিক্ষা বিভাগর মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যাবতীয় পুঁজি আৰু পদৰ প্রতিধাৰন (Retention) ইতিমধে পঠোৱা
(খ) হৈছে। গতিকে বর্ত্তমান বেতন পোৱাত অসুবিধা নহব।

বিষয় ঃ প্রাদেশীকৃত মজলীয়া বিদ্যালয়ৰ পদ পূৰণ।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে।

২৮২। মাননীয় বাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ ১৯ নৱেম্বৰত প্রাদেশীকৃত ১২৫৫ খন মজলীয়া বিদ্যালয়ৰ থাকি যোৱা পদ সমূহ কেতিয়া পূৰণ কৰিব ?

(খ) বিশেশকৈ ৬, ৭, ৮ আৰু বাকী থকা ৭৫৫ জন চকিদাৰৰ পদ সমূহ কেতিয়াকৈ পূৰণ কৰিব ?

(গ) বর্ত্তমানেও প্রাদেশীকৃত নোহোৱা প্রাথমিক আৰু মজলীয়া বিদ্যালয় সমূহ প্রাদেশীকৰণ কৰাৰ কিবা আঁচনি গ্রহণ কৰিছে নেকি ? যদি আঁচনি লৈছে তেন্তে কিমানখন বিদ্যালয় প্রাদেশীকৰণ কৰিব ?

শ্রীজমন সিং ব্রহ্মই (বাজিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) ১৯৯১ চনৰ ১৯ নৱেম্বৰত প্রাদেশীকৃত কৰা মজলীয়া বিদ্যালয় সমূহত ৩ টা শ্রেণীৰ বাবে ৩ জন সহকাৰী শিক্ষক, ১ জন প্রধান শিক্ষক আৰু আৰু ১ জন হিন্দী শিক্ষকৰ পদ মুকলি কৰি দিয়া হৈছে। ইয়াৰ উপৰিও এম, ই, মাদ্রাছা বিলাকত এজন আৰবীক শিক্ষক দিয়া হৈছে। ইয়াতকৈ

(খ) উপৰঞ্চি পদ দিয়াটো ছাত্র-ছাত্রীৰ সংখ্যাৰ ওপৰত নির্ভৰ কৰিব। বহুতো মজলীয়া বিলয়ত ছাত্র-ছাত্রী অনুপাতে বেছি শিক্ষক-শিক্ষয়িত্রী থকা কাৰণে এনে বিদ্যালয় সমূহৰ পৰা পদ বদলি কৰি আনি বেছি ছাত্র-ছাত্রী থকা বিদ্যালয় সমূহত দিবলৈ নির্দেশ দিয়া হৈছে। এনেধৰণে সমবিতৰণ হোৱাৰ পাচতহে ছাত্র-ছাত্রী অনুপাতে প্রয়োজনীয়তাৰ ভিত্তিত অধিক পদ সৃষ্টি কৰি দিব পাৰি নেকি সেই কথা পৰীক্ষা কৰি চাব পৰা হব। ৭৫৫ জন চকিদাৰৰ পদ সৃষ্টি কৰিবৰ বাবে বিভাগে ইতিমধ্যে প্রস্তাৰ কৰিছে।

(গ) ছাত্র-ছাত্রীৰ সংখ্যা, বৰ্ত্তমান থকা স্কুলৰ পৰা দূৰত্ব আৰু জনসংখ্যাৰ ভিত্তিত প্ৰয়োজনীয়তা চাই পুঁজি সাপেক্ষে প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৃত কৰা হয়। মজলীয়া বিদ্যালয় প্ৰাদেশীকৰণ কৰা সম্পৰ্কে এটা প্ৰস্তাৱ বিভাগৰ পৰীক্ষাধীন হৈ আছে।

Re : M.E. School Teachers.

Shri Sasha Kamal Handique asked,

283. Will the Minister of Elementary Education be pleased to state :

(a) How many M.E. School teachers have been appointed since 1993 in Bangaigaon District ?

(b) Total Nos. of M E. School of the District ?

(c) The method adopted for such appointment of teacher ?

Sri Jaman Singh Brahma (Minister of State Education) replied,

(a) 594 Nos. out of which 98 Asstt. teachers were appointed against allotted posts and 62 Nos. against retired vacancies. Remaining, 434 Nos. excess teachers were appointed against non-existent posts.

(b) Information regarding total number of schools in Bongaigaon District is being obtained.

(c) As per provisions of Rule 3 of the Assam Elementary Education (Provincialisation) Rules, 1977. The allotment figures of posts have allegedly been tampered with. A police case has been filed in this regard.

Re : Ragging in the Educational Institutions.

Sri Promode Gogoi asked,

284. Will the Minister of Education be pleased to state :

(a) Whether Govt. is aware that ragging in the Hostels of Educational Institutions has taken a serious turn during the year in the State ?

(b) If so, whether the Government is considering any remedial measures including enacting legislation ?

Shri Hiteswar Saikia (Chief Minister) replied,

(a) A few cases of ragging has come to the notice of Government.

(b) Govt. has instructed the college authorities through Director of Higher Education to take prompt disciplinary action against the delinquent students involved in ragging. Further, the college authorities have been advised to be more alert and vigilant against ragging in the college premises including hostels. Existing laws are considered adequate to deal with the problem at present. Govt. is however keeping a watch on the situation and appropriate action are always taken as the situation demands.

বিষয় : হিন্দী শিক্ষক শিক্ষয়ত্রী নিয়োগ।

শ্রীআলাউদ্দিন সবকাবে সুধিছে,

২৮৫। মাননীয় শিক্ষা বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ?

(ক) উচ্চ/উচ্চতব মাধ্যমিক স্কুল সমূহত বিষয় শিক্ষক হিচাবে হিন্দী শিক্ষক শিক্ষয়ত্রী নিযুক্তি দিয়াব ব্যৱস্থা সাম্প্রতিকে কবা হৈছে নেকি ?

(খ) যদি হৈছে মহকুমা পর্য্যায়ত উক্ত নিযুক্তিব সংখ্যা কিমান (মহকুমা পর্য্যায়ত তালিকা দাখিল কবিব)

(গ) কি ভিত্তিত হিন্দী শিক্ষক শিক্ষয়ত্রী সকলক নিযুক্তি দিয়া হৈছে ?

(ঘ) গুৱাহাটী বিশ্ববিদ্যালয়ব পবা এম, এ (M. A.) আৰু ৰাষ্ট্রভাষা প্রচাব সমিতি অসমব প্রবীন আৰু পন্থদ প্রশিক্ষন প্রাপ্ত আবেদনকাবী প্রার্থীক নিযুক্তিব ক্ষেত্রত অগ্রাধিকাব দিয়া হৈছে নে ?

(ঙ) যদি হৈছে, তেনে প্রার্থীব কিমানজনক নিযুক্তি দিয়া হৈছে ?

(চ) ধুবুৰী মহকুমাব তেনে ডিগ্রীধাৰী প্রার্থীক নিযুক্তিব ব্যৱস্থা কবা হৈছে নে ?

(ছ) যদি হোৱা নাই, কিয় হোৱা নাই ?

শ্রীহেম প্রকাশ নাৰায়ন (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কৰা নাই ।

(খ)
(গ)
(ঘ)
(ঙ) প্রশ্ন নুঠে ।
(চ)
(ছ)

বষয় ঃ কাৰাগাৰৰ পৰা আলফা বন্দী পলাই যোৱাৰ সংখ্যা ।

শ্রীনজমুল হ'কে সুধিছে,

২৮৬। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলা কাৰাগাৰৰ পৰা বর্ত্তমানলৈকে মুঠ কিমানজন আলফা বন্দী পলাই গৈছে ?

(খ) উক্ত কাৰাগাৰত বিদ্যুৎ সংযোগ বন্ধ হৈ গ'লে ততালিকে Generator ৰ যোগেদি বিজুলী বাতি জ্বলোৱাৰ ব্যৱস্থা কৰা যায়নে ?

(গ) উক্ত কাৰাগাৰত থকা Generator চলোৱাৰ বাবে কেইজন Operator নিযুক্তি দিয়া হৈছে জনাবনে ?

(ঘ) অপাৰেটৰ জনক মাষ্টাৰ ৰোলত নেৰাখি স্থায়ী নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হবনে ?

শ্রীগোপীনাথ দাস (কাৰাগাৰ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলা কাৰাগাৰৰ পৰা ৮ জানুৱাৰী, ১৯৯৩ তাৰিখে তিনিজন আলফা বন্দী পলাই যায় । তাৰ পিচত বর্ত্তমানলৈকে আৰু কোনো আলফা বন্দী উক্ত জিলা কাৰাগাৰৰ পৰা পলাই যোৱা নাই ।

(খ) হয়, কৰা যায় ।

(গ) এজনক Generator Operator হিচাপে নৈমিত্তিক নিয়োগ কৰা হৈছে।

(ঘ) হয়, চৰকাৰৰ গৃহীত নীতি অনুসৰি ব্যৱস্থা লোৱা হ'ব ।

বিষয় : ভেটাপাৰা-বন গাওঁৰ মাজৰ দুখন দলং সম্পৰ্কে

শ্রীঅতুল বৰাই সুধিছে :

২৮৭। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) দিশপুৰ সমষ্টিৰ বশিষ্ঠ নদীৰ ওপৰত ভেটাপাৰা আৰু বনগাওঁৰ মাজত থকা দলং দুখন পকী দলং হিচাবে নির্মাণ কৰাৰ বাবে কিবা ব্যৱস্থা কৰিছেনে ?

(খ) দলং দুখনৰ দায়িত্ব গড়কাপ্তানী বিভাগক হস্তান্তৰ কৰিবলৈ ব্যৱস্থা লবনে ?

(গ) যদি চৰকাৰে দলং দুখন যানবাহনৰ বাবে উপযোগী কৰি নোতোলে বা কৰিব নোৱাৰে সেই কথা বিভাগে স্পষ্টকৈ জনাবনে ?

শ্রীশৰৎ বৰকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) পকি দলং হিচাবে নির্মাণ কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই। কাঠৰ দলং হিচাবে দুয়োখনকে পুনঃ নির্মাণ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

(খ) তেনে কোনো পৰিকল্পনা নাই।

(গ) দলং দুখন যানবাহনৰ বাবে উপযোগী কৰাৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় : এজনীয়া শিক্ষক

শ্রীগহীন চন্দ্র দাসে সুধিছে ?

২৮৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে .

(ক) নগাওঁ জিলাৰ ৰহা সমষ্টিত কিমানখন প্রাইমাৰী বিদ্যালয়ত এজনীয়া শিক্ষক আছে জানেনে ?

(খ) এজনীয়া শিক্ষকৰ ঠাইত শিক্ষক বৃদ্ধি কেতিয়াৰ পৰা কৰিব জনাবনে ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৮৯ খন প্রাইমাৰী বিদ্যালয়ত এজনীয়া শিক্ষক আছে।

(খ) চৰকাৰে ইতিমধ্যেই প্রত্যেকটো মহকুমালৈ দ্বিতীয়টো শিক্ষকৰ পদ আবণ্টন দিছে।

Re : Printing of Books.

Shri Mission Ranjan Das asked,

289. Will the Minister of Education be pleased to state :

a) What is the total Nos. of books annualy printed in Bengali language by the Assam State Text Book production and Publication Corpn. Ltd.

b) What is the total Nos. of books printed in Barak Valley both in Bengali and Assamese ?

c) What is the total Nos. of books printed in Barak Valley during 1993-94 & 1994-95 ?

d) Has the Nos. of books printed in Barak Valley increased or decreased ?

e) Is the Government paying transportation cost to the printers residing far away from Guwahati ?

f) If not, whether the Government will pay transportation cost to the printers residing far away from Guwahati ?

Shri Jaman Singh Brahma (Minister of State Education) replied :

a) Number of copies of book printed annually by the Assam State Textbook Producation & Publication Corporation varies from year to year on the basis of requirement. In 1994-95 the Corporation printed a total nos of 28,85,000 copies of Bengali Medium Books against 31 titles.

b) Yearwise figures for printing of books in Bengali & Assamese in Barak Valley are as follows :—

1990-91	—	90,000	copies of books
1991-92	—	20,000	„ „
1992-93	—	65,000	„ „
1993-94	—	50,000	„ „
1994-95	—	11,000	„ „

c) 1993-94 — 50,000 Copies of books
1994-95 — 11,000 „ „

d) The number of book printed in Barak Valley varies from year to year on the basis of requirement.

e) No transporation cost is paid to the printers. In 1994-95, the Hindustan paper Corporation has supplied printing

papers very lately, as such, a part of the transportation cost is paid to the printers residing outside the State as special case as per decision of the Board of Directors of the Corporation.

f) There is no such decision.

বিষয় ঃ শিক্ষকদের বেতন প্রদান।

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন ঃ

২৯০। মাননীয় প্রাথমিক শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) করিমগঞ্জ জিলার L.P., M.E. & M.V. School শিক্ষাদের (Plan & Non-Plan) বেতন দির্ঘদিন থেকে পাচ্ছেননা বিভাগীয় কর্তৃপক্ষ এব্যাপারে অবহিত আছেন কি ?

খ) যদি আচ্ছেন, তাহলে তাদের বেতন শিঘ্রেই দেওয়ার ব্যাপারে কি কি ব্যবস্থা নিয়েছেন বিশদ তথ্য সদনেয় মেঝে দাখিল করিবেন (কোন কোন তারিখে কতজন শিক্ষকদের কত টাকা করে, সর্বমোট হিসাব) ?

গ) যদি না, কেন ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

ক) | সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে। পোৱাৰ পিছত বিশদ
খ) | তথ্য সদনক দিয়া হ'ব।
গ) |

বিষয় ঃ চিনটেক্স সুতাকল কর্ম্মচাৰীৰ দৰমহা।

শ্রীপানীৰাম ৰাভায় সুধিছে,

২৯১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে জনাবনে ?

ক) অসম চিনটেক্স সুতাকলৰ কর্মচাৰী সকলে আজি ১২ মাহে (বাৰ) দৰমহা পোৱা নাই নেকি ? দৰমহা দিয়াৰ ব্যৱস্থা লব নেকি ?

খ) অসম চিনটেক্স সুতা কলটো ব্যক্তিগত খণ্ডত দিয়াৰ ব্যৱস্থা লৈছে নেকি ? যদি লৈছে কাক দিয়া হ'ব, কি কি চর্ত্ত পূৰণ কৰিব জনাবনে ?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয় । ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে।

ঘ) চৰকাৰৰ বিবেচনাধীন হৈ আছে । বৰ্ত্তমানে কোনো সিদ্ধান্ত লোৱা হোৱা নাই ।

বানপানীত ক্ষতিগ্ৰস্ত লোকক সাহায্য ।

শ্রীমহেন্দ্র বড়াই সুধিছে,

২৯২। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) তিতাবৰ সমষ্টিত আকস্মিক ভাবে বৰ্ত্তমান বানপানী কেনেকৈ সৃষ্টি হ'ল চৰকাৰ জ্ঞাতনে ? কিমান ক্ষয় ক্ষতি হ'ল ? ক্ষতিগ্ৰস্ত সকলৰ প্রতিজনকে কিমান পৰিমাণৰ ক্ষতিপূৰণ দিয়া হৈছে ?

(খ) তিতাবৰ সমষ্টিৰ কাকডোঙ্গা নদীৰ ওপৰত থকা বেল বিভাগৰ দলংখন ঠেক হোৱাৰ বাবে প্রতিবছৰে কাকডোঙ্গা নদীৰ পানী বৈ যোৱাত বাধা হৈ হেজাৰ হেজাৰ হেক্টৰ মাটিৰ খেতি নষ্ট কৰে । সেয়ে কেন্দ্রীয় চৰকাৰৰ বিভাগীয় কৰ্ত্তৃপক্ষক এই সম্পৰ্কে অৱগত কৰি যাৱতীয় খৰতকীয়া ব্যৱস্থা লবনে ?

(গ) তিতাবৰ সমষ্টিৰ কাকডোঙ্গা নদীৰ বানপানীৰ ফলত কিমান হেক্টৰ মাটিত শস্য নষ্ট হ'ল ? বানপানীয়ে কিমান পথ যাতায়তৰ অনুপযোগী কৰিলে আৰু এই পথ কেতিয়া মেৰামতিৰ ব্যৱস্থা কৰিব ?

শ্রীশৰৎ ৰবকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত । নগাপাহাৰত সৃষ্টি হোৱা অতিপাত বৃষ্টিৰ ফলতেই আকস্মিক ভাৱে বানপানী হ'ল । প্রাপ্ত তথ্য অনুযায়ী ক্ষয় ক্ষতিৰ পৰিমান হ'ল ৫,০০,০০০·০০ টকা । আৰু ক্ষতিগ্ৰস্ত এলেকাৰ কালি হ'ল প্রায় ৩১৮১ হেক্টৰ। ক্ষতিগ্ৰস্ত সকলক জিলা প্রশাসনৰ তৰফৰ পৰা শালি খেতিৰ বীজ, কঠিয়া আৰু বুট মাহ আদি দিয়া হৈছে বুলি জানিব পৰা গৈছে ।

(খ) উল্লেখ কৰা সমস্যাটোৰ বিষয়ে যোৱা ২/৩/৯৫ তাৰিখে ৫৪ তম অসম বাজ্যিক অভিযান্ত্রিক সমিতিৰ সভাত (A. S. C. E.) আলোচনা কৰা হয় । সভাই অধিক তথ্য পাতি সংগ্রহ কৰি আৰু সমস্যাটো পুংখানুপুংখ ৰূপে পর্য্যবেক্ষন কৰি সমাধান সুত্র উদভাৱনৰ বাবে মতামত প্রকাশ কৰে ।

(গ) ৮১৫ হেক্টৰ মাটিত শস্য নষ্ট হয়। ২৭ টা পথৰ ক্ষতি সাধন হয়। ক্ষতি হোৱা পথৰ মেৰামতি এই বিভাগৰ হাতত ন্যস্ত নহয়।

বিষয় ঃ বানপানীত ক্ষতিগ্রস্তৰ পৰিমান।

শ্রীমনসিং ৰংপি আৰু

শ্রীহলিৰাম টেৰাংয়ে সুধিছে,

২৯৩। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) সু-সাহিত্যিক স্বর্গীয় ৰজনী কান্ত বৰদলৈৰ বিখ্যাত উপন্যাস মিৰিজিয়ৰি খ্যাত লক্ষীমপুৰ জিলাৰ ঘুনাসূতি অঞ্চলটোক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছেনে, যদি লৈছে, সেইবিলাক কি কি ?

(খ) সোৱনশিৰী নদীৰ উত্তৰ পাৰত বাননিয়ন্ত্রণৰ বাবে মঠাউৰী আছেনে ? যদি নাই তেন্তে কিয় নাই ?

(গ) সোৱনশিৰী নদীৰ বানপানীত লক্ষীমপুৰ জিলাৰ কদম ৰাজহ চক্রৰ অন্তর্গত কিমানখন গাওঁ এই বছৰ ক্ষতিগ্রস্ত হৈছে, ক্ষয় ক্ষতিৰ পৰিমান কিমান ?

(ঘ) উক্ত অঞ্চলত বান সাহায্যৰ ব্যৱস্থা কি লৈছে ?

শ্রীশৰৎ ৰৰকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় লৈছে। ১৯৮৭-৮৮ চনত FDR শিতানত বানপানী প্রতিৰোধৰ বাবে এটা মঠাউৰি সজোৱা হৈছিল।

(খ) হয় আছে। সোৱনশিৰী নদীৰ উত্তৰ পাৰে ভীমপৰা ঘাটৰ পৰা ন আলি গাঁৱলৈ এটা মঠাউৰি আছে।

(গ) এই বছৰ সোৱনশিৰী নদীৰ বানপানীত লক্ষীমপুৰ জিলাৰ কদম ৰাজহ চক্রৰ ৬০ খন গাওঁ ক্ষতিগ্রস্ত হয়। এই ক্ষতিৰ পৰিমান অনুমানিক ৩০.১৭ লাখ টকা।

(ঘ) উক্ত অঞ্চলত বান সাহার্য্য হিচাপে বিতৰন কৰা সামগ্রী সমূহ হ'ল ঃ—

১। চাউল — ৯৩৬ কুইণ্টল।

২। নিমখ — ৫০.৯৪ কুইণ্টল।

ঃ নারায়ন নাথ হাইস্কুলকে হায়ার সেকেণ্ডারীতে উন্নীত করন ।

শ্রীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন,

২৯৪। মাননীয় শিক্ষাবিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় আনিপুরে অবস্থিত নারায়ন নাথ হাইস্কুলটি কি সরকার হায়ার সেকেণ্ডারীতে উন্নীত (Up-Gradation) করছেন ?

(খ) যদি হ্যা, কেন শিক্ষক পদে এখনও নিযুক্তি দেওয়া হয়নি ?

(গ) O.S.D. (Ministry of Education) কর্ত্তৃক প্রদত্ত নারায়ন নাথ স্কুল সংক্রান্ত, আদেশটি কি অবৈধ ?

(ঘ) যদি অবৈধ, তবে কোন ভিত্তিতে ঐ O.S.D. বিদ্যালয়টি উন্নীত করনের আদেশ দিয়েছিলেন ?

(ঙ) তাতে কি সরকারী নিয়ম লংঘিত হয়নি ?

শ্রীহেম প্রকাশ নারায়ন (রাজ্যিক শিক্ষা বিভাগর মন্ত্রী) য়ে উত্তর দিছে ঃ

(ক) করিমগঞ্জ জিলার নারায়ন নাথ হাইস্কুলক একাদশ শ্রেণী খোলার বারে অনুমতি প্রদান করা হৈছে ।

(খ) এনে অনুমতি প্রাপ্ত স্কুললৈ পদ মঞ্জুরী দিয়া হোৱা নাই ।

(গ) O.S.D. র আদেশ তেতিয়ার মাননীয় শিক্ষা মন্ত্রীর কার্য্যালয়র পরা গৈ ছিল ।

(ঘ) তথ্য বিচরা হৈছে ।

(ঙ) তথ্য বিচরা হৈছে ।

Re : Cachar Investigation Division.

Shri Kali Ranjan Deb asked,

295. Will the Minister of Flood Control be pleased to state :

(a) As to why the divisional Office of Cachar Investigation Division has not yet been shifted from Badarpur (Karimganj Dist.) to Katigora in Cachar District inspite of clear order passed by the Hon'ble Chief Minister, Assam on 9-4-94 on the body of questioner's note which was personally handed over by him to the then Hon'ble Minister of Flood Control ?

(b) As it is admitted by the Hon'ble Flood Control Minister that 90% work of that Division exists in Cachar District and inspite of clear instruction from the Hon'ble Chief Minister why the long standing demand of the public of Cachar is being neglected and Hon'ble Chief Minister's order flouted ?

(c) Will the Hon'ble Minister be pleased to arrange for immediate shifting of that Offiice to Katigora (Cachar) where suitable accomodation is also available ?

Shri Sarat Barkatoky (Minister, Flood Control) replied,

(a) The proposal of shifting the Cachar Investigating Division of Flood Control Deptt. from Bardarpur to Katigora was duly examined by the Govt. and in the greater interest of the public, the proposal was not found feasible.

(b) In view of the reply (a) above the question does not arise.

(c) —do—

বিষয় ঃ A.R. এবং F.D.R. আঁচনি ।

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন,

২৯৬। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) হাইলাকান্দি জেলায় ১৯৯৩-৯৪, ১৯৯৪-৯৫, ১৯৯৫-৯৬ ইং বন্যা নিয়ন্ত্রণ বাঁধের কাজের জন্য A.R. এবং F.D.R. খাতে কত টাকা সরকার কর্ত্তৃক মঞ্জুরী দেওয়া হয়েছে ? বাঁধ গুলার নাম ও কাজ করা হয়েছে তাহার দৈর্ঘ্য বিস্তারীত ভাবে সদনের মেঝেতে প্রদান করবেন ?

(খ) সমগ্র রাজ্যে যে সব M/R কর্মী প্রায় ৫/৬ বৎসর যাবত নিয়মিত ভাবে কাজ করে আসছে, তাদের স্থায়ীকরার কোন প্রস্তাব সরকারের আছে কি ?

শ্রীযুত শরৎ বরকটকী (বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী) য়ে উত্তর দছেন ।

(ক) Amounts sanctioned for A.R. & F.D.R. works in Hailakandi District are as follows

A.R. works :

i) 1993-94 : Rs. 2.14 (lakhs) works
Rs. 18.65 (lakhs) W/C
Rs. 20.79 (lakhs)

ii) 1994-95 : Rs. 12.01 (lakhs) works.

iii) 1995-96 : Rs. 1.25 (lakhs) works.

F.D.R. works :

i) 1993-94 : Rs. 9.00 (lakhs)

ii) 1994-95 : Rs. 24.00 (lakhs)

iii) 1995-96 : Rs. Nil.

Names of embankment with their length are furnished in Annexure—A. (See the Annexure—XVI)

(খ) Yes.

বিষয় : বিং বান্ধ নির্মাণ কৰাৰ বাবে মাটি অধিগ্রহণ।

শ্রীনজমুল হকে সুধিছে ?

২৯৭। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বাননিয়ন্ত্রণ বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ অধীনত শোলামাৰী বিংবান্ধ নির্মাণ কৰাৰ বাবে মুঠ কিমান বিঘা মাটি অধিগ্রহণ কৰা হৈছিল আৰু উক্ত মাটিৰ ক্ষতিপূৰণৰ টকা কিমান ?

(খ) দুখীয়া খেতিয়ক সকলোকে উক্ত ক্ষতিপূৰণৰ টকা অনতিপলমে আদায় দিয়াৰ ব্যৱস্থা কৰা হবনে ?

(গ) উক্ত সংমণ্ডলৰ অধীনত খৰমুজা টাপাৰভিটা আৰু কাছিমাত গৰাখহনীয়া প্রতিৰোধ কৰিবলৈ বিভাগে কিবা আঁচনি গ্রহণ কৰিছেনে ?

(ঘ) যদি কৰিছে উক্ত আঁচনিৰ বাবে মুঠ কিমান টকা বৰাদ্ধ কৰা হৈছে জনাবনে ?

শ্রীশৰৎ বৰকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) শোলমাৰীত কোনো বিংবান্ধ নির্মাণ কৰা হোৱা নাই, সেইবাবে মাটিৰ ক্ষতি পূৰণৰ প্রশ্ন নুঠে।

(খ) 'ক' প্রশ্নৰ উত্তৰ সাপেক্ষে প্রশ্ন নুঠে।

(গ) কোনো আঁচনি গ্রহন কৰা হোৱা নাই।

(ঘ) 'গ' প্রশ্নৰ উত্তৰ সাপেক্ষে প্রশ্ন নুঠে।

বিষয় ঃ ৰেগিঙৰ ফলত মৃত্যু হোৱা ছাত্র ছাত্রীৰ সংখ্যা।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধীছে,

২৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি ঃ জনাবনে ?

(ক) ১৯৯৩, ১৯৯৪ আৰু ১৯৯৫ চনত সমগ্র অসমত ৰেগিঙৰ ফলত কিমানজন ছাত্র-ছাত্রীৰ মৃত্যু হৈছে, কিমানজন পঙ্গু হৈছে আৰু কিমানজনে শিক্ষানুষ্ঠান এৰিব লগা হৈছে, জনাবনে ?

(খ) চৰকাৰে উপৰোক্ত সম্পর্কত কি ব্যৱস্থা গ্রহণ কৰিছে ?

(গ) 'ৰেগিঙ' বন্ধ কৰাৰ কাৰণে চৰকাৰে শিক্ষানুষ্ঠান সমূহক কি নির্দ্দেশ পেৰণ কৰিছে।?

(ঘ) ভয়াবহ ৰূপ ধাৰন কৰা' ৰেগিং বন্ধ কৰাৰ বাবে আগন্তুক শীত কালিন অধিবেশনত এখন বিল অনাৰ ব্যৱস্থা লবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩ আৰু ১৯৯৪ চনত ৰেগিঙৰ ফলত মৃত্যু হোৱা তথ্য চৰকাৰে পোৱা নাই। অৱশ্যে ১৯৯৫ চনত ২৯ মার্চৰ বাতৰি কাকতৰ পৰা গম পোৱা হৈছিল যে, ১৯৯৩ চনত কটন মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্রথম বর্ষৰ এজন ছাত্রই নাম ভর্ত্তিৰ কেইদিনমানৰ ভিতৰতে মহাবিদ্যালয় এৰি গৈছিল আৰু পিছত ১৯৯৪ চনত তিনিচুকীয়া জিলাৰ কাকপথাৰত আত্মহত্যা কৰিছিল। তিনিচাৰি বছৰত ৰেগিঙৰ ফলত পঙ্গু হোৱা তথ্যও চৰকাৰে পোৱা নাই। চলিত বছৰত ৩ জন ছাত্রই কটন মহাবিদ্যালয় ত্যাগ কৰা বুলি তথ্য পোৱা হৈছে। তাৰোপৰি ৪ জন ছাত্র যোৰহাট চৰকাৰী বিজ্ঞান মহাবিদ্যালয় ত্যাগ কৰা বুলি যোৰহাট জিলা উপায়ুক্তৰ পৰা জানিবলৈ পাই অধ্যক্ষৰ পৰা বিশদ তথ্য বিচৰা হৈছে।

(খ) ৰেগিং সম্পর্কত কোনো লুক-ঢাক নকৰাকৈ দোষী ছাত্র-ছাত্রীক বিচাৰি উলিয়াই তেওঁলোকৰ দোষ অনুসৰি অনুশাসনমূলক ব্যৱস্থা লবলৈ মহাবিদ্যালয় সমূহৰ অধ্যক্ষসমূহক সঞ্চালকৰ যোগে নির্দ্দেশ দিয়া হৈছে।

(গ) ৰেগিং বন্ধ কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষসকল অধিক সতৰ্ক আৰু সজাগ হৈ থাকিবলৈ উচ্চশিক্ষাৰ সঞ্চালকৰ যোগে নিৰ্দ্দেশ দিয়া হৈছে।

(ঘ) বৰ্ত্তমান প্ৰচলিত আইনৰ যোগেদিয়েই ৰেগিং নিয়ন্ত্ৰণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ইতিমধ্যে দিয়া নিৰ্দ্দেশৰ ফলাফলো বিভাগে লক্ষ্য কৰি আছে।

(Unstarred Question No. 299 was Postponed)

বিষয় ঃ বন্যায় ক্ষতিগ্রস্ত ই, এন, ডি, বাঁধ মেৰামতি।

শ্রীপ্রনব কুমাৰ নাথ জিজ্ঞাসা কৰছেন,

৩০০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলাৰ বিগত বন্যায় ক্ষতিগ্রস্ত নিম্নোক্ত স্থানৰ বাঁধ গুলি মেৰামতি না কৰাৰ ফলে স্থানীয় জনসাধাৰন মাৰাত্মক অসুবিধাৰ সন্মুখীন—

শীঘ্রই মেৰামতি কৰাৰ জন্য কি কি ব্যৱস্থা নিয়েছেন ?

১। বেৰাটুক গ্রামৰ নিকটবৰ্তী ভাঙ্গন।

২। কৃষ্ণ নগৰ নয়াগ্রাম এৰ মধ্যবৰ্তী স্থানৰ ভাঙ্গন।

৩। ডলুগ্রামৰ নিকটবৰ্তী স্থানৰ ভাঙ্গন।

৪। বীৰ গ্রাম ও নগেন্দ্ৰ নগৰ অঞ্চলৰ ভাঙ্গন।

৫। তেঘৰীয়া গ্রামৰ নিকটবৰ্তী অঞ্চলে ভাঙ্গন।

(খ) যদি হয়, কখন কি ভাবে, যদি না কেন ?

Shri Sarat Borkataki (Minister, Flood control) replied :

(ক) Estimates for closing of breaches have been sent to D.R.D.A. for taking up works.

(খ) The works are to be taken up by D.R.D.A.

বিষয় ঃ ছাত্র-ছাত্রী আৰু শিক্ষক শিক্ষয়িত্রীৰ সংখ্যা।

শ্রীমহেন্দ্র বড়াই সুধিছে,

৩০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাৰ যোৰহাট সমষ্টিৰ কুমাৰ হাটী চুঙ্গি মধ্য ইংৰাজী বিদ্যালয়ত ছাত্র-ছাত্রী আৰু শিক্ষক-শিক্ষয়িত্রীৰ সংখ্যা কিমান ?

(খ) উক্ত বিদ্যালয়ত ১৯৯১-৯২ পৰা ১৯৯৪-৯৫ লৈকে যি সকলক শিক্ষক পদত নিযুক্তি দিয়া হৈছিল তাৰ সংখ্যা কিমান ? সেই সকলৰ নাম স্থায়ী-অস্থায়ী ঠিকনা, সম্প্রদায় উল্লেখ কৰি, যোৰহাট জিলা প্রাথমিক শিক্ষা উপদেষ্টা সমিতিৰ নির্বাচিত শিক্ষক পদৰ তালিকাৰ নম্বৰ সহ সত্য নকল সদনৰ মেজত দাখিল কৰিবনে ?

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ছাত্র-ছাত্রীৰ সংখ্যা ১১৪ জন

শিক্ষক-শিক্ষয়িত্রীৰ সংখ্যা ৬ জন

(খ) ১ জন । শিক্ষকৰ নাম, স্থায়ী-অস্থায়ী ঠিকনা ইত্যাদি Annexure 'A' ত দিয়া হৈছে । যোৰহাট জিলা প্রাথমিক উপদেষ্টা বর্ডৰ দ্বাৰা নির্ব্বাচিত শিক্ষকৰ তালিকা Annexure 'B' ত দিয়া হৈছে । উক্ত তালিকাত জালুকনিবাৰীৰ শ্রীঅজিত ৰবাৰ নাম নাই । নিযুক্তি তেতিয়াৰ সঞ্চালক শ্রীপ্রভাত কোৱৰৰ নামৰ আৱণ্টণ ক্রমে দিয়া দেখা যায় ।

(See the Annexure—XVI and XVII)

বিষয় : বিজ্ঞান শিক্ষাৰ সুবিধা থকা বিদ্যালয়ৰ সংখ্যা ।

শ্রীমনসিং ৰংপি আৰু

শ্রীহলিৰাম টেৰাং য়ে সুধিছে,

৩০২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধেমাজী জিলাত বিজ্ঞান শিক্ষাৰ সুবিধা থকা কিমানখন মহাবিদ্যালয় আছে আৰু তাৰ বিপৰীতে কামৰূপ জিলাত কিমানখন আছে ?

(খ) ধেমাজী জিলাত কাৰিকৰী শিক্ষাৰ কোনো চৰকাৰী অনুষ্ঠান প্রতিষ্ঠান আছেনে যদি আছে কি আৰু তাত কি কি শিক্ষাৰ সুবিধা আছে আৰু এতিয়া-লৈকে তাৰ পৰা কিমান ছাত্র ছাত্রী পাছ কৰি ওলাইছে ?

(গ) ধেমাজী জিলাত কিমানখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে আৰু তাৰে কিমানখনত বিজ্ঞান শিক্ষাৰ সুবিধা আছে ?

শ্রীহেম প্রকাশ নাৰায়ন (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিব :

(ক) ধেমাজী জিলাত বিজ্ঞান শিক্ষাৰ সুবিধা থকা এখন মহাবিদ্যালয় আছে আৰু কামৰূপ জিলাত বিজ্ঞান শিক্ষাৰ সুবিধা থকা ১২ খন মহাবিদ্যালয় আছে।

বিতং তথ্য Annexure—I দিয়া হ'ল। (See the Annexure—XIX)

(খ) ধেমাজী জিলাত কাৰিকৰী শিক্ষাৰ কোনো চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান নাই।

(গ) ধেমাজী জিলাত বৰ্ত্তমান ১১ (এঘাৰ) খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে আৰু তাৰ ভিতৰত ৮ (আঠ) খন কলা শাখাৰ আৰু ৩ (তিনি) খন বিজ্ঞান শাখাৰ।

বিষয় : ঘাটি মঞ্জুৰী নোপোৱা স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়।

শ্ৰীনজমুল হকে সুধিছে,

৩০৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত ঘাটি মঞ্জুৰী নোপোৱা স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়ৰ সংখ্যা কিমান ? তাৰ মাজত কিমানখন মহাবিদ্যালয়ক ১৯৯৫-৯৬ চনৰ আৰ্থিক বছৰত ঘাটি মঞ্জুৰী দিয়া হব তাৰ তালিকা সদনক জনাবনে ?

(খ) নামনি অসমৰ ওৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়খনক ঘাটি মঞ্জুৰীৰ তালিকা ভুক্ত কৰা হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে,

(ক) নতুন স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়ৰ সংখ্যা— — ২০ খন

আৰু ইতিমধ্যে ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ে

(খ) অতিৰিক্ত Stream ৰ স্বীকৃতি পোৱ মহাবিদ্যালয়ৰ সংখ্যা— ১৪ খন

মুঠতে – ৩৪ খন।

১৯৯৫-৯৬ চনত কোন কেইখন কলেজৰ ঘাটি মঞ্জুৰী দিয়া হ'ব এই সম্পৰ্কে এতিয়াওঁ খাতাং সিদ্ধান্ত হোৱা নাই।

Adjournment Motion

Mr. Speaker - Question Hour is over, I have received a notice of Adjournment Motion as per relevant Rules of our Rules of Procedure from the Hon. Members :

Shri Prafulla Kumar Mahanta

Shri Promode Gogoi
Shri Sasha Kamal Handique.
Shri Haliram Terang.
Shri Derhagra Moshary
Shri Hitendra Nath Goswami
On the subject-"LOC scandle-enquiry by House Committee."

I find that it is not a specific matter of recent occurrence. It is only a continuing matter and under enquiry by CBI.

I also do not find any reason for constitution of a House Committee as per rules.

I therefore find no reason to allow it to move the matter through Adjournment Motion and I am satisfied that it is inadmissible. So, I have rejected.

শ্রীপ্রমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ সিদ্ধান্তৰ প্ৰতি চেলেঞ্জ কৰিব নোখোজো, উত্তৰত মই এটা কথা দৃষ্টিগোচৰ কৰিব খুজিছো যে– এই সদনতে এই বিষয়টো প্ৰথম আলোচনা হয় ২৩-৩-৯৩ তাৰিখে। এই বিষয়টোৰ ওপৰত আলোচনা হওতে মোৰ ফালৰ পৰা কোৱা প্ৰশ্ন আৰু মুখ্যমন্ত্ৰীৰ উত্তৰ মই সেই তাৰিখৰ কাৰ্য্য বিৱৰণীৰ পৰা উল্লেখ কৰিব খুজিছো। মোৰ প্ৰশ্নত কোৱা হৈছিল যে "এইটো কথা ৰাজ্যপালৰ ভাষণত কৈছে। এইটো স্বীকাৰ কৰিছে যে ১ কোটি টকাৰ বিপৰীতে ৪৫ কোটি টকা দ্ৰ কৰিছে ডিমৌত। গোটেই অসমত ২০০ কোটি টকা হব পাৰে। এইটোৰ লগত বহুত কথা জড়িত আছে। । চিকিৎসাৰিটি স্কেণ্ডেলৰ দৰে এই স্কেণ্ডেলত বহুত লোক জড়িত আছে। মই জনাত অকল অফিচাৰ, ইয়াৰ লগত অনেক ৰাজনৈতিক লোক জড়িত আছে। মুখ্য মন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে ২০০ কোটি টকা দ্ৰ কৰিছে। এনেকুৱা এটা কেলেংকাৰী তদন্ত কৰাৰ বাবে সৰ্ব্বদলীয় হাউচ কমিটি দিব লাগে।" মুখ্যমন্ত্ৰীয়ে উত্তৰত কৈছে যে "এইটো যদি গভীৰতম বুলি ভাবো, তেন্তে হাউচ কমিটিৰ প্ৰয়োজন হলে নিশ্চয় কৰিম।"

Ms. Speaker : I have to to decide because the matter is being enquired into by CBI, so I have given my ruling.

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, পশুপালন বিভাগৰ ২০০ কোটি টকীয়া কেলেংকাৰীৰ কথাটো মই নিজে সদনত উত্থাপন কৰিছিলো। সেই সময়ত মাননীয় সদস্য শ্রীগগৈ ডাঙৰীয়াই সদন কমিটি গঠনৰ দাবী কৰিছিল। অধ্যক্ষ মহোদয়, মই আপোনাৰ ৰুলিং চেলেঞ্জ কৰিব নোৱাৰো। কিন্তু প্রশ্ন হৈছে এই বিষয়টো সম্পর্কত যিটো সময়ত চি, বি, আইৰ দ্বাৰা তদন্ত চলি আছে, একে সময়তে মুখ্যমন্ত্রীৰ ডিজি.লেন্স চেলৰ পৰাও তালাচী চলাই থকা হৈছে—

মাননীয় অধ্যক্ষ : মই ইতিমধ্যে ৰুলিং দিছো

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি যিটো বিষয়ত ৰুলিং দিছে সেই বিষয়টো আমি বিধান সভাত কেইবাৰো উৎথাপন কৰিছো। এই ক্ষেত্রত মুখ্য মন্ত্রী ডাঙৰীয়াই কৈছিল যে প্রয়োজন হলে এই বিষয়টো সদন কমিটিৰ দ্বাৰা তদন্ত কৰা হব। এই বিষয়টো সদন কমিটিৰ জৰিয়তে তদন্ত কৰোৱাৰ বাবে আমি পুনৰ অনুৰোধ জনালো।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো মাননীয় সদস্য শ্রীচন্দ্র মোহন পাটোৱাৰী ডাঙৰীয়াই শ্রীইউ, চি, দত্তৰ ৰিপর্টৰ পৰা এই কথাখিনি কৈছিল। এই ৰিপর্টৰ কপি এটা তেখেতে কেনেবাকৈ মেনেজ কৰি এইখিনি কথা কৈছে। তেওঁলোকে ৪৬ কোটি টকাৰ কথা কৈছিল কিন্তু মই কৈছো কেৰল ডিমৌতে নহয় বৰপেটা, বিশ্বনাথ চাৰিআলি আদি ঠাইতো এনে ধৰণে টকা দ্র কৰিছে। এই ক্ষেত্রত তেখেত সকলে সদন কমিটি কৰাৰ কথা কৈছিল আৰু তেতিয়া মই কৈছিলো যে এইটো চি, বি, আই, ক দিম আৰু তাৰ লগে লগে প্রয়োজন হলে সদন কমিটিও কৰিম বুলি কৈছিলো। কিন্তু এই বিষয়টোত হাউচ কমিটিৰ প্রয়োজন আছে বুলি ভবা নাই।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টোত সদন কমিটি গঠন কৰি তদন্ত কৰাৰ বাবে পুনৰ দাবী জনায় আমি সদন ত্যাগ কৰিলো। (বিৰোধী দলৰ সদস্য সকলে সদন ত্যাগ কৰে)

Mr. Speaker : I have received as many as 15 Zero Hour notices for 26.9.95 in the name of the Hon'ble Members :

1. Shri Munin Mahanta,
2. Shri Gahin Chandra Das.

★ Speech not corrected. ★

3. Shri Nizamuddin Khan,
4. Dr. Kamala Kalita,
5. Shri Dilip Kumar Saikia,
   Smti Renu Pama Rajkhowa.
7. Shri Thaneswar Boro,
   Shri Binod Gowala
8. Shri Sahidul Alam Choudhury,
   Shri Dilip Kumar Saikia,
9. Shri Thaneswar Boro,
   Shri Binod Gowala,
10. Moulana Abdul Jalil Ragibi,
11. Shri Dhruba Kumar Sen,
12. Shri Mohibul Haque,
13. Shri Ramendra Narayan Kalita,
14. Shri Mission Ranjan Das,
    Shri Parimal Sukla Baidya,
15. Shri Sasha Kamal Handique,

As per Rules, I have selected only 3 Zero Hour motions for raising before the House today.

I now call upon Hon'ble Member, Dr. Kamala Kolita to raise his Zero Hour Motion which was published in 'Dainik Asom' dated 25.9.95'

Dr. Kamala Kalita is absent. I now call upon the Hon'ble Members Shri Sahidul Alam Choudhury and Shri Dilip Kumar Saikia to raise their Zero Hour motion which was published in "Samai Prabhah" dated 13-9-95 under the caption. "হাইলাকান্দির উজান কোপা পূব বিভাগের জনগন বেহায় ক্ষুদ্র রাস্তায় চলছে রাষ্টে বান্ধ।

* শ্রীশহিদুল আলম চৌধুরী : মাননীয় অধ্যক্ষ মহোদয়, আসাম বিধান সভার প্রক্রিয়া এবং কার্য্যাবলীর নিয়ম অনুযায়ী এই সদনে উল্লেখ করতে চাই যে গত ২৩ চেপ্তেম্বর তারিখে 'সময় প্রবাহ' পত্রিকায় প্রকাশ পেয়েছে যে হাইলাকান্দি জেলার উজানকুপা অঞ্চলে পূর্ব বিভাগের রাস্তার উপরে কৃষিকাজ চলছে। ফটো সহ পত্রিক্রিয়ায় প্রকাশ পেয়েছে। এই সম্বন্ধে আমি সরকারের দৃষ্টি আকর্ষন করতে চাই।

★ Speech not corrected.

(Mr. Speaker vacated the chair and Mr. Deputy Speaker occupied the chair)

মাননীয় উপাধ্যক্ষ মহোদয়, পি ডব্লিও ডি রাস্তার অবস্থা এতো শোচনীয় যে হাইলাকান্দি জেলায় কেবল ২/১ টা রাস্তা ছাড়া বাকী রাস্তাগুলিতে যান বাহন চলাচল প্রায় বন্ধ। তার প্রমান হিসাবে সময় প্রবাহ পত্রিকার স্থানীয় সাংবাদিক এই পত্রিকার মাধ্যমে যেরকম অন্যায় ভাবে কাজকর্ম চলছে তার প্রতিবেদন এই সংবাদের মাধ্যমে পরিবেশন করছেন।

উপাধ্যক্ষ মহোদয়, হাইলাকান্দি জেলায় রাস্তার শোচনীয় অবস্থা প্রমান হলো যে স্থানীয় মন্ত্রী শ্রীগৌতম রায় বাড়ীতে হাইলাকান্দি কাটলিছড়া হেলিকেপ্টারে ভ্রমণ করতে বাধ্য হয়েছেন।

মহোদয়, হাইলাকান্দি জেলার মাননীয় মুখ্যমন্ত্রীর আশ্বাস মতে পি দব্লিও দির রাস্তার সংস্কারের জন্য ৫৬ লক্ষ টাকা দেওয়া হয়েছে। এরমধ্যে ২৮ লক্ষ টাকা কেবল আমার সমষ্টিতে দেওয়া হয়েছে। কিন্তু এই ২৮ লক্ষ টাকার মধ্যে মাত্র ৮ লক্ষ টাকার কাজ হয়েছে। বাকী ২০ লক্ষ টাকা অপর অপ্রব্যয় করা হয়েছে। এই ব্যাপারে বিভিন্ন অভিযোগ সংবাদপত্রে পরিবেশন করা হয়েছে। কিন্তু আজপযন্ত সরকার এই ব্যাপারে নীরব রয়েছেন। তাদ্বারা বর্ত্তমানে পূর্ব বিভাগে হাইলাকান্দিতে যে কাজ হচ্ছে তার ঠিকাদার সকলেই নতুন। পুরনোঅভিজ্ঞ ঠিকাদাররা কাজ পাচ্ছে না। তাছরা যারা কাজ করছে তারাও বিল পাচ্ছে না।

মহোদয়, আপনার মারফৎ আমি তাই অনুরোধ করব যে এই যজানুয় উজানকুপার রাস্তা বৃটিশ আমলের রাস্তা যেখানে আজ যান বাহন চলাচলের বদলে কৃষিকাজ চলছে—তার একটা বিহিত ব্যবস্থা হয়।

তাছারা, এই সেকশনে কজন জুনিয়ব ইঞ্জিনীয়ার বিগত ২০ বৎসর যাবৎ কাজ করছে। সেই রাস্তার কাজে ভূয়া বিল পাশ করছে। এই অফিসারের বিরুদ্ধে অনেক অভিযোগ থাকা স্বত্বও তাকে ২০ বৎসর যাবৎ বদলী করা সম্ভব হয় নি। আমার কাছে প্রমান আছে যে গত ৩১ মার্চ তারিখে রাত ১২ টার সময় ৩৫ লক্ষ টাকার ভূয়া বিল পাশ করা হয়েছে। আমি প্রমান সদনে দাখিল করব। এই ব্যাপারে বিভাগীয় মন্ত্রীকে অনেক অনুরোধ করা হয়েছে যে এই জুনিয়র ইঞ্জিনীয়ারকে যেন বদলী করা হয়॥ কিন্তু কিছুই করা হয় নি সুতরাং আমি অনুরোধ করবো যাতে তাকে অতি সত্বর বদলী করা হয় এবং

তার বিরুদ্ধে সমস্ত অভিযোগের তদন্ত করা হয়। সঙ্গে সঙ্গে মুখ্যমন্ত্রীর আশ্বাসে আমার সমষ্টিতে যে ২৮ লক্ষ টাকার দেওয়া হয়েছিল তার আত্মসাতের জন্য যারা দায়ী তাদের বিরুদ্ধে যেন বিহিত ব্যবস্থা নেওয়া হয়। এই বলে আমি আমার বক্তব্য শেষ করলাম।

শ্রীদিলীপ কুমার শইকীয়া ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় সহকর্মী বন্ধু বিধায়ক শ্রীশ্বহীদুল আলম চৌধারী হাইলাকাণ্ডিরাস্তার ওপরত কৃষি বিভাগে খেতি করা বিষয়ে এখন পত্র প্রকাশ পাইছে। বর্ত্তমান রাস্তার ওপরত খেতির ব্যরস্থা হৈছে। অসমর আজি প্রায় ঠাইতেই তেনেকুরা এটা অরস্থা হৈছে। আনফালে আমার গেমাজি মাজখোরা যিটো পথ তাত এককাল গাত হৈছে। তাত মাগুর মাছ, কাকৈ মাছ, ছেঙেলি মাছ, গরৈ মাছর পুখুরী হৈছে। গাড়ীযার নোরারার অরস্থা সৃষ্টি হৈছে আরু রাস্তার ওপরত খেতি করিবলৈ ধরিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এফালে রাস্তা-ঘাট বেয়া হৈ আছে আনফালে মানুহে ৰ'ড টেক্স দিবলগীয়া হৈছে। বিভিন্ন সময়ত যান-বাহনর টেক্স দিব লগীয়া হৈছে। জনসাধারণে তার পরিবর্ত্তে আজি কি সুবিধা পাইছে। একো সুবিধা পোরা নাই। মাত্র টেক্সহে দি থাকিব লগীয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয় আপোনার জরিয়তে আজি বিভাগীয় মন্ত্রী মহোদয়ক মই অনুরোধ জনাম যে অসমর যিবিলাক বেয়া রাস্তা আছে য'ত গাত হৈছে সেই বিলাকত যাতে শিলগুটি দি পুতির পারে তার ব্যরস্থা করিব লাগে। আজি কেরল হাইলাকাণ্ডিয়েই নহয় অসমর সকলো রাস্তা বেয়া হৈছে রাস্তার ওপরত মানুহে খেতি করিবলৈ ধরিছে। মুখ্যমন্ত্রী মহোদয়ে অরশ্যে অহা ডিচেম্বর মাহত সকলো দলং রাস্তা ঘাট আদির কাম সম্পূর্ণ করা হব বুলি আশ্বাস দিছে। কিন্তু এই বাবিষা কেইটা দিনত যাতে যিবিলাক রাস্তার গাত হৈছে অন্ততঃ বেচি নোরারিলেও শিলগুটি দি পুতার ব্যরস্থা করিব লাগে। তৎকালে যাতে ইয়ার ব্যরস্থা মন্ত্রী মহোদয়ে গ্রহণ করে আপোনার যোগেদি অনুরোধ জনালো। মানুহে যাতে রাস্তার ওপরত খেতি পথার করিব নোরারে রাস্তার ওপরেদি যাতে মানুহ অহা-যোরা করিব পারে তার ব্যরস্থা করিব লাগে। হাইলাকান্দির রাস্তার ওপরত যি খেতি করিছে তার তদন্ত করি ব্যরস্থা গ্রহণ করিব লাগে। এইখিনিকে কৈ মোর বক্তব্য সামরণি মারিলো।

* শ্রীবিনোদ গোৱালা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গোলাঘাট জিলাৰ বহু ৰাস্তা ৰেয়া হৈ আছে। বিশেষকৈ গোলাঘাট অসম নগালেণ্ড যিটো ৰাস্তা সেই ৰাস্তাটোৰ অৱস্থা একেবাৰে বেয়া হৈ আছে।

মাননীয় উপাধ্যক্ষ ঃ ইয়াত হাইলাকান্দিৰ কথাহে উল্লেখ কৰা আছে।

* শ্রীবিনোদ গোৱালা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অৱশ্যে হয়। আজি গোলাঘাট জিলাৰ যিবিলাক ৰাস্তা তাৰ প্ৰায় বিলাক ৰাস্তাই এনে অৱস্থা হৈছে। গতিকে গোলাঘাট জিলাৰ ৰাস্তা বিলাকো ভাল কৰিব লাগে।

* Shri Silvius Condpan, Minister, PWD. : Hon'ble Deputy Speaker Sir, the matter raised by the Hon'ble Member Shri Sahidul Alam Choudhury and Shri Dilip Kumar Saikia has drawn the attention of the Government and Government will take all remedial measures within a very short time and any other allegations that made by the Hon'ble Members will also be looked into and will be given due consideration.

Mr. Deputy Speaker : I have received two Zero Hour Notices on the same subject from the Hon'ble Members, Shri Dhruba Kumar Sen and Shri Mohibul Haque and both the notices are clubbed together. On the news item published in "AJIR BATORI" dated 26-9-95 under the Caption "ধুবুৰীৰ বাহঁ বেৰ তৈয়াৰ কৰা উদ্যোগ বন্ধৰ উপক্ৰম।"

I now, call upon the Hon'ble Members, Shri Dhruba Kumar Sen and Shri Mohibul Haque to raise their Zero Hour motion. Now Shri Mohibul Haque.

শ্রীমহিবুল হক ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকতত প্ৰকাশ যে 'ধুবুৰীত বাহ বেত তৈয়াৰ কৰা উদ্যোগ বন্ধ কৰাৰ উপক্ৰম' শিৰোনামৰ বাতৰিটোৰ প্ৰতি আজি পবিত্ৰ সদনৰ জৰিয়তে ৰাজ্য চৰকাৰ তথা বিশেষকৈ বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, এই সময়ত ধুবুৰী বাণিজ্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্যতম প্ৰসিদ্ধ আছিল। তেনে এখন চহৰ আজি বাহ বেতৰ উদ্যোগ বন্ধ হৈ গৈছে। যিকি নহওঁক উপাধ্যক্ষ মহোদয়, আজি ধুবুৰী জিলাত তেনে কোনো ডাঙৰ উদ্যোগ নাই। এনময়ত এই বাণিজ্যিক দিশত প্ৰসিদ্ধ চহৰখনত মেঘালয়ৰ পৰা বাহ বেতৰ যাতায়ত

★ Speech not corrected.

আ ন্ত কৰা হৈছিল। মেঘালয়ৰ পৰা অহা বাহ-বেতৰ জৰিয়তে আমাৰ ৰাজ্য চৰকাৰে প্ৰায় ২০/২৫ লাখ টকা কৰ আদায় কৰিছিল। উপাধ্যক্ষ মহোদয়, তাতোকৈও উল্লেখনীয় কথা হল যে এই উদ্যোগৰ জৰিয়তে প্ৰায় ১০/১২ হেজাৰ শ্ৰমিক আৰ্থিক ভাৱে উপকৃত হৈছিল আৰু পৰোক্ষভাৱে প্ৰায় ১ লাখ ২ লাখ মানুহ উপকৃত হৈছিল।

উপাধ্যক্ষ মহোদয়, অ মৰ ভিতৰত ধুবুৰী আৰু কৰিমগঞ্জতেই বাহৰ চাতাই তৈয়াৰ কৰা হয়। কিন্তু আচৰিত কথা ধুবুৰীৰ বাঁহত চাতাই তৈয়াৰ কৰাৰ ক্ষেত্ৰত কৰ প্ৰৱৰ্ত্তণ কৰা হৈছে অথচ একেই বাঁহৰ চাটাই তৈয়াৰ কৰাৰ ক্ষেত্ৰত কৰিমগঞ্জত কৰৰ ব্যৱস্থা প্ৰৱৰ্ত্তণ কৰা হোৱা নাই। একেখনেই চৰকাৰ আৰু একেখন ৰাজ্যত ধুবুৰীত বিক্ৰীকৰ প্ৰৱৰ্ত্তণ কৰিছে আৰু কৰিমগঞ্জত মাফ কৰি দিছে, উপাধ্যক্ষ মহোদয়, এইটো কৰ আচৰিত কথা। কৰ আয়ুক্তৰ কাৰ্যলয়ৰ চিঠি নং : চি, টি, এম, ১/১২/ তাৰিখে ২০/৫/১৯৮০ যোগে কৰিম-গঞ্জত বিক্ৰীকৰ বেহাই দিব পাৰে, তেনেহলে একে চৰকাৰৰ অন্তৰ্গত দ্বিতীয়খন বাঁহৰ চাটাই তৈয়াৰ কৰা ঠাই ধুবুৰীৰ ওপৰত কৰৰ ব্যৱস্থা কি কাৰণে কৰা হৈছে। উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, আজি এই বৈষম্যমূলক আচৰণ কি কাৰণে কৰা হৈছে। উপাধ্যক্ষ মহোদয়, ইমানদিনে আমাৰ ধুবুৰীৰ ব্যৱসায়ী সকলে এই বিক্ৰী কৰ আদায় দি আছিল। কিন্তু অতি দুখ লগা কথা আগতে এই বাঁহৰ চাটাইৰ প্ৰতি গাড়ীত ৩০০ টকা লোৱা হৈছিল আৰু এতিয়া এই কৰ তিনিগুণ বৃদ্ধি কৰি প্ৰতি গাড়ীত ৯০০ টকা কৰা হৈছে। ইয়াৰ ফলত তাৰ ব্যৱসায়ী সকলৰ বাহৰ চাটাইৰ ব্যৱসায়ত লাভ নোহোৱা হৈছে আৰু তাৰ কাৰণে এই উদ্যোগ বন্ধ হৈ গৈছে। সেই কাৰণে আজিৰ এই শূণ্যকালীন প্ৰস্তাৱ অতি জৰুৰী। গতিকে মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে তৎকালীন ভাৱে আজি ধুবুৰীৰ উপায়ুক্তক নিৰ্দ্দেশ দিব লাগে যাতে যি বিক্ৰীকৰ ধাৰ্য্য কৰা হৈছিল, সেই বিক্ৰীকৰ উঠাই লব লাগে যেনেদৰে কৰিমগঞ্জত বিক্ৰীকৰ মাফ কৰি দিয়া হৈছে। যাতে এই উদ্যোগটো পূৰ্ণ গতিত চলিব পাৰে, কাৰণ এই উদ্যোগটোৰ পৰা ১০/১১/ হাজাৰ শ্ৰমিক মজদুৰৰ উপৰিও ১/২/ লাখ জনসাধাৰণে পৰোক্ষভাৱে সাহায্য পাই আছে। আমাৰ ধুবুৰী জিলাৰ প্ৰতি কিয় এনে বৈষম্যমূলক আচৰণ কৰা হৈছে মই বুজিব পৰা নাই। এই পবিত্ৰ সদনত মই ইয়াৰ আগতেও ধুবুৰী জিলাৰ কিছু কথা দাঙি ধৰিছিলো। আজি প্ৰশ্ন কালতো গড়াখহনীয়া সম্পৰ্কীয়

এটা প্রশ্নৰ সময়ত আমাৰ ধুবুৰী জিলাৰ গৰাখহনীয়া সম্পৰ্কে বাণনিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছিলো। উদ্যোগৰ ক্ষেত্রত ১৯২৫ চনত তেতিয়া বৃটিছ চৰকাৰে এটা জুইশলা কাৰখানা ধুবুৰী জিলাত স্থাপন কৰিছিল। তাৰ পিচত আজিলৈকে আমাৰ ভাৰত চৰকাৰে তথা ৰাজ্য চৰকাৰে যোৱা ৪৬ / ৪৭ বছৰে ধুবুৰী জিলাত কোনো উদ্যোগ স্থাপন কৰা নাই। উপাধ্যক্ষ মহোদয়, মই লক্ষ্য কৰিছো আমাৰ ধুবুৰী জিলাৰ প্রতি বিভিন্ন বিভাগৰ বৈষম্যমূলক আচৰণ অতি দুখজনক কথা। গতিকে আমাৰ ধুবুৰী জিলা খনৰ ব্যৱসায়ী তথা জনসাধাৰণে নিজা ৰবীয়াকৈ এনেধৰণৰ বাহৰ চাটাই তৈয়াৰ কৰা উদ্যোগ গঢ়ি উঠিছে। এনেদৰে স্বতঃস্ফুটভাৱে গঢ়ি উঠা উদ্যোগবোৰ ভালদৰে চলোৱাৰ বাবে আমাৰ চৰকাৰৰ দৃষ্টি দিয়াটো অতি প্রয়োজনীয় হৈ পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি মাননীয় বিত্তমন্ত্রী মহোদয়ৰ বিশেষ ভাবে দৃষ্টি আৰ্কষণ কৰিব খুজিছো আৰু দাবী জনাইছো যে কৰিমগঞ্জৰ নিচিনাকৈ আমাৰ ধুবুৰী জিলাতো বাঁহৰ চাটাইৰ ওপৰত আৰোপ কৰা বিক্রীকৰ মাফ কৰিব লাগে। আমাৰ ধুবুৰী জিলাত এনেদৰে নিজাৰবীয়াকৈ স্বতঃস্ফুতভাৱে গঢ়ি উঠা উদ্যোগ বোৰৰ সন্মুখত চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ প্রতিৰোধ বা প্রতিবন্ধকতাৰ সৃষ্টি কৰিব নালাগে তাৰ পৰিবর্ত্তে তাৰ লোক সকলক স্বাৱলম্বী হোৱাৰ ক্ষেত্রত সহায়হে কৰিব লাগে। আমাৰ ধুবুৰীৰ ৰাইজে আন্দোলনমুখী হব লগা কোনো কাম নকৰিবৰ বাবে চৰকাৰক মই অনুৰোধ জনাইছো আৰু আমাৰ ধুবুৰীৰ বাহৰ চাটাই নির্ম্মাণ কৰা উদ্যোগৰ ক্ষেত্রত আৰোপ কৰা বিক্রীকৰ মাফ কৰিবৰ বাবে ৰাজ্য চৰকাৰ বিশেষকৈ বিত্তমন্ত্রী মহোদয়ৰ ওচৰত দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ, জয়হিন্দ।

Mr. Deputy Speaker : Now, Hon'ble Member. Shri Dhruba Kumar Sen.

শ্রীধ্রুব কুমাৰ সেন : মাননীয় উপাধ্যক্ষ মহোদয়, যিকোনো ঘটনা হলে যে সকলোৱে উত্থাপন কৰিব তেনে কোনো কথা নাই তথাপি আজিৰ যিটো ঘটনা, যিটো নটিচ দিয়া হৈছে সেইটো মোৰ ধুবুৰী সমষ্টিৰ ঘটনা। গতিকে আপুনি প্রথমতে মোক কবলৈ এলাও কৰা উচিত আছিল।

মাননীয় উপাধ্যক্ষ : আপোনালোক দুয়োজনে নটিচ দিছে। সেই কাৰণে তেখেতক কবিবলৈ দিয়া হৈছে।

শ্রীধ্রুব কুমাৰ সেন : মাননীয় উপাধ্যক্ষ মহোদয়, 'আজিৰ বাতৰি' কাকতৰ অ্যাজি ২৬ চেপ্তেম্বৰৰ সংখ্যাত ধবুৰীৰ বাঁহ বেতৰ উদ্যোগ বন্ধৰ উপক্রম বুলি যিটো

বাতৰি ওলাইছে সেই সম্পৰ্কত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৰ বিচাৰিছো যে ধুবুৰীয়েই অসমৰ ভিতৰত আটাইতকৈ পিচপৰা জিলাৰ টাউন। স্বাধীনতাৰ আগতে টাউন খনৰ যি অৱস্থা আছিল আজিও সেই একেই অৱস্থা আছে। স্বাধীনতাৰ পিছত একো নতুনত্ব পৰিলক্ষিত হোৱা নাই। আগতে ধুবুৰী চহৰ খনত জাহাজঘাট, বিমানঘাটি আৰু ৰেলৰ লাইন আদিও আছিল আৰু তেনেকৈ সমগ্ৰ ব্যৱসায়িক বস্তু ধুবুৰীৰ পৰা উত্তৰ বেংগল, শিলিগুৰি পৰ্য্যন্ত গৈছিল। ১৯৬৫ চনৰ পাকিস্তান যুদ্ধৰ পিচত জাহাজঘাট আৰু বিমানঘাটি বন্ধ হয়। এতিয়া ধুবুৰীৰ মানুহ জৰিত হৈ পৰিছে। ধুবুৰীৰ পৰা কলিকতা, উত্তৰ বেংগল শিলিগুৰি পৰ্য্যন্ত বয়-বস্তুৰ চালনা কাৰ্য্যত প্ৰায় দহ পোন্ধৰ হাজাৰ মানুহ জড়িত হৈ আছিল। আৰু মালিক, লেবাৰ, ট্ৰাকৰ লোডিং আনলোডিং আদি কামৰ দ্বাৰা বিভিন্ন জনে ৰোজগাৰ কৰিছিল। এই দিশত ধুবুৰীৰ এটা পৰম্পৰা আছিল। মোৰা বাজেট অধিবেশনত মই মুক্তি যুআৰৰ কথা উল্লেখ কৰিছিলো। কিন্তু ধুবুৰীক কনচিডাৰ নকৰি বৰাক ভেলিক হে কৰিলে। কমিশ্বনাৰ টেক্সৰ পৰা নং চি-টি-এফ ১।১২। তাং ২০-৩-৮০ নং নিৰ্দ্দেশ যোগে কৰিমগঞ্জত এই টেক্স ৰেহাই দিছে কিন্তু ধুবুৰীৰ ক্ষেত্ৰত আগৰ তিনিশ টকাৰ ঠাইত ট্ৰাকে প্ৰতি ন শ কৰিছে। বাঁহৰ ছটাই বিলাকৰ ওপৰত এনেদৰে টেক্স বঢ়াই দিয়াৰ ফলত ধুবুৰীৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা হৈছে। মই বিত্ত মন্ত্ৰী মহোদয়ৰ ওচৰত আপোনাৰ জৰিয়তে অনুৰোধ ৰাখিছো যেন এই নেটি-ফিকেশ্বন খন উঠাই লয়। প্ৰয়োজন হেতু ধুবুৰীৰ ডি-চিলৈ মেচেজ এটা পঠাই এই নোটিফিকেশ্বন খন উঠাই লব লাগে।

* শ্ৰীদেৱান জয়নাল আবেদীন : মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো বিষয় আহিছে এই বাতৰিটোত ধুবুৰীৰ বাহ বেতৰ তৈয়াৰ কৰা উদ্যোগ বন্ধৰ উপক্ৰম। এই বিষয়টোৰ ওপৰত বিভিন্ন কথা ইতিমধ্যে মাননীয় সদস্য শ্ৰীমহিবল হক আৰু শ্ৰীধ্ৰুব কুমাৰ সেন ডাঙৰীয়াই কৈছে যে সকলোখিনি কথাৰ লগত মই একমত আৰু সমৰ্থন কৰো। ইয়াৰ লগতে মই আপোনাৰ জৰিয়তে চৰকাৰক এইটো কথা জনাবলৈ বিচাৰিছো যে ধুবুৰী জিলা অসমৰ সীমামুৰীয়া জিলা আৰু ইয়াৰ লগতে এই জিলাখনেই আটাইতকৈ পিচপৰা দুখীয়া জিলা। এই বহৰ চাৰিটা বানপানী হৈ গ'ল আৰু শেহতীয়া বানপানীৰ ফলত এনেএটা অৱস্থা

★ Speech not corrected.

হৈছে যে ধুবুৰীত পুনৰ দুর্ভিক্ষ দেখা দিব পাৰে। অসমৰ সমগ্ৰ জিলাৰ পানী ধুবুৰী জিলাৰ ওপৰেদি বৈ যাব লাগে। খেতি বাতি সম্পূর্ণ শেষ হৈছে। মানুহৰ টকা পইচা নাই। আনকি গহনা বেছি সেই পইচাৰে পুনৰবাৰ যি বীজ সিচিছিল সেইটোও নষ্ট হৈ গৈছে। মই যোৱা পৰহি গৈ আহিছো। আমাৰ এতিয়া আশংকা হৈছে যে ১৯৭৪ চনত যিটো ভয়াবহ দুর্ভিক্ষ হৈছিল তেনেকুৱা দুর্ভিক্ষ হব। সেইবাৰ বিশ হাজাৰ মানুহ ধুবুৰীত মৰিছিল। এইবছৰো তেনে হব পাৰে। অসমৰ বিভিন্ন ঠাইত বানপানী হৈছে, ক'ৰবাত বাটঘাট ভাঙিছে, মথাউৰি ভাঙিছে, দলং ছিঙিছে কিন্তু সর্বশেষত হোৱা ধুবুৰী জিলাৰ বানপানীৰ ফলত আমাৰ আশংকা জিলা খনত দুর্ভিক্ষই দেখা দিব। ধুবুৰীৰ বাঁহ বেতৰ উদ্যোগৰ ওপৰত বৈষম্যমূলক আচৰণ কৰাটো দুখজনক আৰু উদ্বেগজনক। ইয়াৰ ফলত কৰিমগঞ্জ আৰু মেঘালয়ত তৈয়াৰী বাঁহ বেতৰ ছাটাই বজাৰত চাহিদা বাঢ়িব কম দামত পোৱা কাৰণে আৰু ধুবুৰী জিলাত এই উদ্যোগৰ লগত জড়িত সকল অসুবিধাত পৰিব। দুখীয়া বাইজক এনেদৰে অসুবিধাত পেলোৱাটো উদ্বেগজনক।

(মাননীয় অধ্যক্ষ আহি নিজৰ আসন গ্ৰহণ কৰে। উপাধ্যক্ষ মহোদয় নিজৰ আসনলৈ যায়।)

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো কৰিমগঞ্জ জিলাত যেনেকৈ বেহাই দিছে ধুবুৰী জিলাকো তেনে দৰে বেহাই দিব লাগে ঃ সকলো ঠাইতে একে ধৰণৰ হব লাগে। আৰু অতি সোনকালে ধুবুৰী জিলাৰ কাৰণে আদায় কৰা বর্দ্ধিত টেক্স প্ৰত্যাহাৰ কৰি দুখীয়া বাইজৰ প্ৰতি সু-বিচাৰ কৰিব লাগে।

Mr. Speker : Now Minister, Finance is to reply.

শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ মাননীয় সদস্য শ্ৰীমহিবুল হক আৰু শ্ৰীধ্ৰুব কুমাৰ সেন ডাঙৰীয়াৰ লগতে মাননীয় সদস্য দেৱান জয়নাল আবেদীন চাহাবে যিটো উদ্বেগ প্ৰকাশ কৰিছে এই বাতৰি সংক্ৰান্তত উদ্বেগৰ কোনো অর্থ নাই। তেখেত সকলে অনর্থক উদ্বেগ প্ৰকাশ কৰিছে। কাৰণ যিটো কৰ লগোৱাৰ কথা কৈছে সেইটো নহয়। বাঁহৰ ছটাইৰ ওপৰত নতুনকৈ কৰ লগোৱা নাই বর্দ্ধিত কৰাৰ প্ৰশ্নই নাই। ২০-৩-৮০ তাৰিখে সেই নোটিফিকেশ্বন মতে কৰ মাফ দিয়াহে হৈছিল। বৈষম্যমূলক নীতি কৰা কথা কৈছে, সেইটো বিষয়টো তেনে নহয়। কিয়নো আইন সকলোৰে কাৰণে

একেখনেই। সমগ্র অসমৰ কাৰণে একেখন আইন। কৰিমগঞ্জ আৰু ধুবুৰী জিলাৰ কাৰণে বেলেগ আইন নহয়। সকলোৰে কাৰণে গোটেই অসমৰ কাৰণে প্ৰযোজ্য সমানেই হব। কৰিমগঞ্জত যদি মাফ হৈছে ধুবুৰীতো হব।

মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমৰ কাৰণে এখনেই আইন। আমাৰ চেলটেক্স আইন মতে ট্ৰাক ওৱাইজ টেক্স লোৱাৰ ব্যৱস্থা নাই আইটেম ওৱাইজ লব পাৰে। সেইটো যদি কোনোবাই কৰিছে সেইটো বেয়া কাম কৰিছে। সেইটো এটা ভুল কথা হৈছে॥ ৩০০ টকাৰ পৰা ৯০০ টকালৈ যদি কোনোবাই টেক্স লৈছে সেইটো অবৈধ হৈছে। আগতে যিটো টেক্স আছিল এতিয়াও সেইটোৱে হৈ আছে। এতিয়া যদি কোনোবাই ৩০০ টকা টেক্স লোৱা আমাৰ দৃষ্টিগোচৰ কৰে তেতিয়াহলে আমি চাম। কোনোবাই যদি অন্যায় ভাৱে টেক্স লৈছে তাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰীধ্ৰুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যলয়ৰ পৰা সেই খবৰ লওক।

* শ্ৰীগহীন দাস : মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰৰ সময়ত এচ, চি, এচ, টি সম্পৰ্কত মই কবলৈ বিচাৰোতে মোক কবলৈ নিদিয়াৰ প্ৰতিবাদত মই সদন ত্যাগ কৰিলো।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সস্থাই লাষ্ট গেটত ধৰ্ম্মঘট কৰিছে। অধ্যক্ষ মহোদয় আপুনি মন্ত্রী-মহোদয়ক (শিক্ষা) নিৰ্দ্দেশ দিব লাগে যাতে তেখেতে গৈ চায় আৰু আলোচনাৰ ব্যৱস্থা কৰে।

* শ্ৰীমহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যিখিনি কথাত উদ্বেগ প্ৰকাশ কৰিছে সেইখিনিত আমি সন্তুষ্ট হৈছো। আৰু এটা কথা জানিব খুজিছো '৮০ চনৰ পৰা আজিলৈ ৩০০ টকালৈ গাড়ীয়ে প্ৰতি যি আদায় কৰিছে এই টকা বিকোভাৰী কৰা হব নেকি। মন্ত্রী মহোদয়ে কৈছে এইটো অন্যায় হৈছে। এই বে-আইনী ভাৱে কাম কৰা কৰ্ম্মচাৰী সকলৰ বিপৰীতে শাস্তিমুলক ব্যৱস্থা গ্ৰহণ কৰিব নেকি আৰু যিখিনি টকা লৈছিল সেইখিনি ঘুৰাই দিব নেকি।

* শ্ৰীজীৱ কান্ত গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই টকা চৰকাৰী বাজ ভৰাললৈ অহা নাই। গতিকে ঘুৰাই দিয়াৰ প্ৰশ্ন নুঠে। কোনোবাই যদি ইল্লিগেলি

★ Speech not corrected.

কলেক্ট কবিছে তাব কাবণে চবকাব দায়ী নহয়। কোনোবাই যদি দেখুৱাই দিয়ে আমি চাম।

শ্রীমহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, আমি দেখুৱাই দিছো। ধুবুৰী জিলাত যিবিলাক টেক্স অফিচাব আছে তেখেতসকলে কলেক্ট কবিছে।

* শ্রীজীৱ কান্ত গগৈ (মন্ত্রী) : অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত টেক্স অফিচাব বহুটো আছে। সেই সকলৰ ভিতৰত নিৰ্দ্দিষ্ট কৈ কলে অনুসন্ধান কবি চাম।

* শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, অসম কলেজ শিক্ষক সন্থাৰ প্রতিনিধি সকলে সদনৰ বাহিবত ধর্ণা দিছে তেওঁলোকৰ ৮ দফীয়া দাবীৰ ভিত্তিত। গতিকে আপোনাক অনুবোধ কবিছো যাতে তেখেতসকলৰ লগত আলোচনাৰ কাৰণে আপুনি নির্দ্দেশ দিয়ে।

শ্রীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ লগতো আলোচনা কবাৰ কাৰণে নির্দ্দেশ দিব লাগে চাৰ।

* শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীৰ পৰা জানিব বিচাবিছো যদি আমি যি ট্রাকৰ পৰা লৈছে তাৰ বিচিপট্ দিউ তেতিয়াহলে টকাটো দিব নেকি।

Announcement from the chair

Mr Speaker : এনকুৱাবি কবিব তেতিয়া মন্ত্রীক দিব।

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in my office chamber at 5.00 p.m. on 25. 9. 95 for a discussion for consideration and passing of the remaining six Government Bills on 27 th September, 1995.

After a discussion, it has been decided that all the Government Bills will be passed and Hon'ble Members will participate in the discussion of the Bills at the consideration stage taking into their amendments together.

It has also been decided that all Government business listed in the list of Business for 27.9 95 should be completed within 1.30 p.m.

★Speech not crrocted.

I hope, this has the approval of the House.

Item No 3. Hon'ble Member Munin Mahanta to call the attention of the Minister of State, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Ajir Batori' dated 9th September, 1995 under the caption "যোৱহাটত পূর্ণ সাক্ষৰতা এতিয়াও হোৱা নাই।"

Calling Attention Notice :

* শ্রীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য-পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ৯ চেপ্তেম্বৰ তাৰিখে 'আজিৰ বাতৰি'ত প্রকাশিত "যোৱহাটত পূর্ণ স্বাক্ষৰতা এতিয়াও হোৱা নাই" এই সম্পর্কত মাননীয় বাজ্যিক শিক্ষামন্ত্রী মহোদয়ৰ মনযোগ আকর্ষণ কৰিছো।

* শ্রীআবু চালেহ নীজামুদ্দিন (বাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ বাতৰিত প্রকাশিত যোৱহাটৰ বাতৰিতো শিক্ষা বিভাগৰ দৃষ্টি গোচৰ হৈছে। আৰু এইটোৰ ওপৰত যোৱহাট জিলা স্বাক্ষৰতা সমিতিৰ সভাপতিয়ে বিপোর্ট এটা মোলৈ পঠাইছে। মই সেইখিনি আমাৰ মাননীয় সদস্য মহন্ত চাহেবৰ প্রশ্নৰ উত্তৰত কৈ দিছো।

The news item under the caption "Jorhat Purna Saksharata Atiau Huwa Nai" published in the Ajir Batori dated 9/9/95 has come into the Notice of the Govt. in the Education Deptt.

From the above news item it appears that some organisations like Science News Network, Global News Network and Assam Gyan Bigyan Samittee organised a press Conference in Guwahati Press Club. No intimation was given to the Deputy Commissioner, Jorhat who is also the President of the Jorhat Zila Sakharata Samity and hence he did not have any personal krowledge of such press Conference.

The evaluation of T.L.C. campain in Jorhat District was done by the State Institute of Education, Jorhat after

★Speech not corrected.

two years of handwork done by the Jorhat Zila Sakharata Samity. The State Institute of Education was a recognised Agency for evaluation by the State Govt. as well as the National Literacy Mission. The State Institute of Education conducted a systematic evaluation of T.L.C. programme during the period from 26/7/94 to 19/8/94 whereby they completed examinations of about 25000 Neo-Literates. As per detailed evaluation report submitted by the S.I.E. to the N. L. M. (the gist of the results of such evaluation is at Annexure-I) where from it will show that 73·29% had secured more than 50% Marks and 86'95% of Neo-Literates had secured 45% marks while 98·82% had secured more than 30% marks. National Literacy Mission vide their latter at Annexure-II stated that a commdable work has been done by the J.Z.S.S. for the first time in the whole of North East and the progress of the evaluation work comensuate to the expectation. Even the National literacy Mission requested the State Govt. to Circulate the evaluation report to other T L.C. Districts for their guidence. This evaluation report was discussed in detail in the Executive Committee meeting of J.Z.S.S. also and same was unanimously accepted in the said meeting.

As regards Finance, the Jorhat Zila Sakharata Samity has so far received a sum of Rs. 65 Lakhs from Central Govt. and Rupees 15 Lakhs from the State Govt. The Samittee has also submitted detail accounts to the N.L.M. on the expenditure, and the N.L.M. being satisfied with the accounts issued Utilisation Certificate in favour of the Samittee. There are some outstanding liabilities however, which will be paid by the J.Z.S.S. as and when the sum is made available by the State Govt.

It would not be out of place to mention that Jorhat was the first District to have been taken up for T. L. C. Programme in the whole of North East and they had acquired

vast experience of implementing this programme inspite of various constraints.

(Mr. Deputy Speaker occupied the chair)

Notable contribution has been made in preparation of Primer for implementation of Literacy Campain in the State by J.Z.S.S . The Primers adopted by J.Z.S.S. have been also used by the Tinsukia Zila Sakharata Samity. But the Assam Gyan Bigyan Samittee had demanded Royalty for using their primer namely "Likha Porha Siku Ahok" by Jorhat Zila Sakharta Samity. As the J.Z.S.S. had not earned any profit by using the primer of A.G.B.S. and whereas primers were distributed free of cost to the Neo-literates the question of payment of Royality does not arise. But unfortunately the A.G.B.S. sent pleader's notice to the J.Z.S.S. threatening to take the matter to the Court unless they (JZSS) pay the claimed royality to the A.G.B.S. The Govt of India did not appreaciate the idea of claiming royality by the A.G.B.S. The Govt. of India vide their D.O. letter No. F-2-3/94 AE.7 dated 10-2-95 (at annexure—III) sorted out the matter and directed A.G.B.S. not to resort to pretty quarrel over the issue and hoped that petty scuabbles would not come in the way of Major Policy decission. Being satisfied with the works done by Jorhat Zila Sakharata Samity in T. L. C. Campaign the National Literacy Mission has sanctioned post Literacy Campaign for Jorhat District in the month of December '94. During the P.L.C. J.Z.S.S. will move from guided learning to self learning wherein they will cover the dropouts if any.

This is because the success of the Jorhat Zila Sakharata Samity has been scrutinised dy the National Literacy Mission and they are totally satisfied on the performance of the Jorhat Samity. I am placing a copy of the recomendation letter received from them in this regard on the floor of the House.

* শ্রীমুনীন মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলাক খবৰ নিউজ আইটেমত দিছে । তাৰ পৰা আমি 'ক্লেৰিফাই' হৈছো, যোৰহাটত দিয়াৰ কথাও পাইছো লিটাৰেচি প্ৰগ্ৰেমত ৮৩ লাখ টকা যোৰহাটত খৰচ কৰাৰ কথা পাইছো কিন্তু আজি যোৰহাটত খৰচ কৰাৰ কথা কৈছে ৮৬ লাখ টকা । বাতৰি কাকতত এই বিলাক পাইছো । বাতৰিত এইবোৰ দেখুৱাইছে, কিন্তু আমি দেখিছো এইবোৰৰ কোনো মিল নাই । এইবোৰ আচলতে কাৰ্য্যকৰী হৈছে নে নাই । প্ৰকৃতাৰ্থত পূৰ্ণ স্বাক্ষৰতা পোৱাৰ কথা মৰিগাওঁ জিলাতো লৈছিল, এই বিলাকত লাখ লাখ টকা খৰচ কৰিছে । কামকাজ বিলাক যি ধৰণে হব লাগিছিল সেই ধৰণে হোৱা নাই । মন্ত্ৰী মহোদয়ে প্ৰকৃতাৰ্থত এই ক্ষেত্ৰত 'গেৰাণ্টি' দিব নেকি তেখেতৰ নিজা দৃষ্টিৰে সদনক অবগত কৰিব নেকি যে বৰ্ত্তমান যি বিলাক কাম কৰি আছে সেই বিলাক সত্য নহয় ।

* শ্রীআবু চালেহ নিজামুদ্দিন (ৰাজ্যিক মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য মহন্ত ডাঙৰীয়াই যি কথাখিনি কৈছে ৰাজ্যৰ শিক্ষা বিভাগত টোটেল লিটাৰেচি প্ৰগ্ৰেমৰ এটা ব্যৱস্থা গ্ৰহণৰ কথা কৈছে । আপোনালোকে দেখিছে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এনে ধৰণৰ প্ৰগ্ৰেমত কিবা আসুৱাহ থাকিলে অনুসন্ধান কৰিবলৈ কৈছে । যদি এই বিলাকত কোনো ধৰণৰ নিৰ্দ্দিষ্ট কমপ্লেইন থাকে তেতিয়া ব্যৱস্থা লম ।

* শ্রীমতী ৰেনুপমা ৰাজখোৱা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো সম্পূৰ্ণ অসত্য । যোৰহাট জিলাত পূৰ্ণ স্বাক্ষৰতা গ্ৰহণ কৰিছে সেই কথাটো সম্পূৰ্ণ অসত্য । আমি দেখিবলৈ পাইছো এখন ৪০৭ গাড়ী লৈ লগত এটা মাইক লৈ লৰা-ছোৱালীয়ে গান-বাজনা কৰাৰ এটা আচনিহে লৈছে । এইখিনি কৰিলে পূৰ্ণ স্বাক্ষৰতা আচনি সফল নহয় । সেই সময়ত মই সেই বৰ্ডৰ সদস্য আছিলো তাত তেতিয়াৰ শিক্ষা মন্ত্ৰী শ্রীশৰৎ বৰকটকী ডাঙৰীয়া আছিল । মই প্ৰতিবাদ কৰি ওলাই আহিছিলো । সেই সময়ত লেম্প কিনাৰ কাৰণে ৪ লাখ টকা লৈছিল । যিখিনি পাঠ্যপুথি যোগান ধৰাৰ কথা আছিল সেইখিনি যোগান ধৰা নাই, সেই বিলাকৰ মই প্ৰতিবাদ কৰিছিলো । সেয়ে মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে এইবোৰ সত্য নহয় ।

শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো হৈছে—

★ Speech not corrected.

লিটাৰেচি চেণ্ট পাৰ্চেণ্ট হওঁক নহওঁক, এইটো চেণ্ট পাৰ্চেণ্ট হোৱাটো অসুবিধা ! মই এতিয়া কবলৈ গৈছো 'পষ্ট লিটাৰেচিৰ কথা— প'ষ্ট লিটাৰিচিটো কার্য্যকৰী কৰাটোহে ডাঙৰ কথা হৈছে। প'ষ্ট লেটাৰেচিৰ কাৰণে ১ কোটিত কৈ অধিক টকা ধৰা হৈছে। কেন্দ্রীয় চৰকাৰে কৰি দিয়া পষ্ট লিটাৰেচি কেমপেইন ধীমা গতিত চলিছে। ভবিষ্যতেওঁ যদি ভাৰতবর্ষত পূর্ণ স্বাক্ষৰতা আনিব লগা হয় তেতিয়াহলে পষ্ট লিটাৰেচিত জুৰ দিব লাগিব। এইটোত যোৰ নিদিলে অশিক্ষিতৰ সংখ্যা বৃদ্ধি কৰাহে হব। এতিয়ালৈকে পষ্ট লিটাৰেচিৰ ক্ষেত্রত গভাৰনিং বডিৰ মিটিং হোৱা নাই বোৰালডেভেলেপ্‌মেণ্টৰ মন্ত্রী বোধহয় চেয়াৰমেন হৈছে। তেখেতে নিশ্চয় জানে পষ্ট লিটাৰেচিৰ ক্ষেত্রত যদি আচনি লোৱা নহয় তেতিয়াহলে অশিক্ষিতৰ সংখ্যা বাঢ়িবহে।

* শ্রীমুনীন মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যিখিনি কৈছে গোটেই কথাখিনি অসত্য। মাননীয়া সদস্য শ্রীমতী বাজখোৱাই মোৰ কথাখিনি কৈ দিছে। যদি এনেকোৱা উত্তৰ হয় কেনেকৈ হব। আমাৰ পবিত্র সদনৰ এটা 'দিগনিটি' আছে। এনে হলে হাউচৰ 'দিগনিটি' নৰব।

শ্রীআবু চালেহ নাজমুদ্দিন (বাজ্যিক মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, প'ষ্ট লিটা-ৰেচি প্রগ্রেমতো ভাৰত চৰকাৰে এপ্রভ কৰিছে। ইয়াৰ কাৰণে যোৰহাট জিলা স্বাক্ষৰতা সমিতিয়ে পষ্ট লিটাৰেচি আঁচনি কৰিছে। সেইখন ভাৰত চৰকাৰে এপ্রভ কৰিছে। মই মাননীয় সদস্যক এচুৰেঞ্চ দিব পাৰো যে এইটো স্কিমত আমি ১৫ বছৰৰ পৰা ৩৫ বছৰলৈ ধৰিছো। ৯ বছৰৰ পৰা ১৪ বছৰৰ গ্রোপ আছে। এইখিনি পষ্ট্র লিটাৰেচিৰ আণ্ডাৰত দিয়াৰ ব্যৱস্থা কৰা হৈছে। যোৰহাট জিলাৰ স্বাক্ষৰতা অভিজান জিলা হিচাবে এন ই ৰিজনতে নহয় গোটেই ভাৰতবর্ষতে স্থান অধিকাৰ কৰিব পাৰে। এই ক্ষেত্রত বাইজৰ সহায় সহযোগীতা কামনা কৰিলো লগতে বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক সহায় কৰিবলৈ অনুৰোধ কৰিলো। আৰু ডি চি সকলকো নির্দেশ দিয়া হব যাতে সোনকালে মিটিং বহুৱাৰ ব্যৱস্থা কৰে। পষ্ট্র লিটাৰেচি প্রগ্রেমত ১ কোটি ৪৭ লাখ ৬ হেজাৰ ৩ শ টকাৰ এষ্টিমেট দিয়া হৈছে আৰু সেইটো ভাৰত চৰকাৰে এপ্রভ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৰহাট জিলা স্বাক্ষৰিত জিলা হিচাবে গোটেই ভাৰতবর্ষতে স্থান অধিকাৰ কৰিব পাৰে। সেই কাৰণে সকলোৱে সহায় সহযোগীতা আগবঢ়ালে এই কার্য্যসূচী হাতত লম। (ভইচ- ডি, চি, ক মিটিং

★ Speech not corrected.

সোনকালে পাতিব কব লাগে)। ডি, চি, ক' আমাব ফালব পবা নির্দেশ দিয়া হব যাতে মিটিংখন সোনকালে ব্যৱস্থা কবে। পোষ্ট লিটাবেচি প্রগ্রেমত এক কোটি ৪৭ লাখ ৬ হেজাব ৩ শ টকাব এখন এষ্টিমেট চাবমিট কৰা হৈছে। কেন্দ্রীয় চবকাবে এপ্রোভ কবিছে। এতিয়া গভর্নমেন্ট অব ইণ্ডিয়াই ৪০ লাখ দিছে যদিও ডি, চি,ব হাতত আহি পোৱা নাই। মই আশা বাখিছো অলপ দিনব ভিতবতে টকা আহি পাব। আমি নিশ্চই কাম আৰম্ভ কবাব ব্যবস্থা কবিম।

* শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ওবল্ড বেংকব পইচাবে চাবিখন জিলা হাতত লোৱা হৈছে, তাব ভিতবত যোবহাট জিলা প্রথমে চিলেক্ট কবিছে। যোবহাট জিলাত প্রথমতে হলে বাকী জিলা কেইখন পর্য্যায়ক্রমে লোৱা হব। নিউ লিটাবেট যদি মেনটেইন কবে তেতিয়াহলে ভাল হব।

Matter Under Rule 301.

Mr. Deputy Speaker : Now item No. 4. hon'ble Member Shri Abdul Jalil Ragibi to draw the attention of the Minister Revenue by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "Relief of the Flood affected people of Jamunamukh under Nagaon District."

* মৌলানা আব্দুল জেলিল বাগিবী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই ৩০১ ধাবাব অধীনত আমাব বাজহ মন্ত্রী ডাঙবীয়াব দৃষ্টি আকর্ষণ কবিব বিচাবিছো। যোৱা কেইদিন মান আগতে যমুনামুখ সমষ্টিত অতি ভয়াবহ বানপানী হৈছিল। বানপানী অকল যমূনামুখতে নহয় গোটেই অসমে বানপানীব কবলত পবিছে। যমুনামুখ কপিলীব কবলত পবি শস্য আৰু খেতি পথাব নষ্ট হৈছে। যোৱা বানপানীব সময়ত হাজাব হাজাব মানুহ গৃহহীন হৈছিল। এইটো ঠিক যে চবকাবব ফালব পবা গৃহহীন হোৱা সকলক সাহায্য দিয়া হৈছিল। সেই সাহায্য বিতবণত মইয়ো আছিলো। বান পানীব কাবণে কেন্দ্রীয় চবকাবব ফালব পবা টিম পঠোৱা হৈছিল, মই নিজেও আছিলো। তেওঁলোকব লগত এই ভয়াবহ বানপানীব বিষয়ে আলোচনা হৈছিল। যমুনামুখত খেতি বাতি সম্পূর্ণ নষ্ট হৈছে, চবকাবে যদিও সাহায্য দিছিল কম হৈছে, যিখিনি সাহায্য

*Speech not corrected

দিব লাগে এতিয়ালৈকে দিয়া নাই। যিবিলাক দুখীয়া মানুহৰ ঘৰ দুৱাৰ উটুৱাই নিছিল সেইবিলাকক এতিয়াও সাহায্য দিয়া হোৱা নাই। খেতিয়কক ক্ষতিপূৰণ নিদিয়াৰ কাৰণে তেওঁলোকে খেতি কৰিব পৰা নাই। বানপানী যোৱাৰ লগে লগে খেতিয়কে খেতি কৰিব লাগে, চৰকাৰে সাহায্য দিব লাগিছিল, দুখীয়া মানুহখিনিয়ে ঘৰবাৰী বনাবৰ কাৰণে চৰকাৰী নীতি হিচাবে সাহার্য্য পাব লাগিছিল, কিন্তু আজিলৈকে পোৱা নাই। এই কথাটো কিয় হল ৰাজহ মন্ত্রী মহোদয়ে ব্যাখ্যা দি সোনকালে বিহিত ব্যৱস্থা লব বুলি আশা কৰি সামৰণী মাৰিলো।

* শ্রীদেৱান জয়লাল আবেদিন : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰাগিবী চাহাবে যিটো প্রস্তাৱ আনিছে যমুনামুখ সম্পর্কে, মইও তেখেতৰ লগতে উদ্বেগ প্রকাশ কৰিছো। এই বানপানীত যি সকল মানুহ ক্ষতিগ্রস্ত হৈছে তেওঁলোকক সংস্থাপন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। আমাৰ এটা প্রস্তাৱ আছিল— সেইটো হ'ল ধুবুৰী জিলা বানপীড়িত জিলা হিচাবে ঘোষনা কৰিব লাগে। এইটো আছিল প্রাইভেট মেম্বাৰচ বিজিনেচ। ৰাগিবী চাহাবৰ প্রস্তাৱত এই সম্পর্কে আমাৰ কব লগা আছিল। সেই কথাখিনি চমুকৈ কব খুজিছো। এইটো দর্কাৰী, প্রয়োজনীয় কথা এই কাৰণে আমি প্রস্তাৱ দিছিলো। তেতিয়া আছিল তিনিটা বানপানী, এতিয়া চতুর্থ বানপানী গোটেই অসমতে হৈছে। উজনি অসমত কমি আহিছে, কিন্তু নামনিৰ ফালে বাঢ়ি আছে। ঘোৱা কাল্লি ৰাতিপুৱা মই ধুবুৰীৰ পৰা আহিছো, তাত তিনিটা বান পানীয়ে যি ক্ষতি কৰিছিল তাতকৈ চতুর্থটো বানপানীয়ে বেছি ক্ষতি সাধন কৰিছে, খেতি বাতি সম্পূর্ণ বিনষ্ট হৈ গৈছে। মাতি মাহ, ধানৰ যি বীজ সিচিছিল সকলো বিলাক নষ্ট হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানেই যে ধুবুৰী জিলাই হ'ল অসমৰ একেবাৰে এমুৰত আৰু সমগ্র অসমৰ নদীৰ পানী আহি ধুবুৰী জিলাতে গোটখাই আৰু তাৰ পাচত বাংলাদেশত পৰেগৈ আৰু সেই কাৰণেই দেখা যায় প্রতি বছৰেই ধুবুৰী জিলাতেই বানপানী প্রকোপ আটাইতকৈ বেচি আৰু সেই বানপানীৰ পৰা দুর্ভীক্ষ হয়। বিগত ১৯৭৪ চনত ধুবুৰী জিলাত যিটো দুর্ভীক্ষ হৈছিল সেই চিন আমি আজিয়ো পাহৰিব পৰা নাই॥ সেই বছৰতে ৪।৫ টা বানপানীয়ে ধুবুৰী জিলাখন থকাসৰকা কৰিলে প্রায় ২০ হাজাৰ মানুহ মৃত্যু মুখত পৰিল,

★ Speech not crroected,

গোটেই অসমত বানপানীয়ে যি ধৰণৰ বিস্তৰ ক্ষতি সাধন কৰে সেই অনুপাতে প্ৰতি বছৰেই ধুবুৰী জিলাত আটাইতকৈ বেচি হয়। যোৱাটো বছৰত বানপানীত যিটো সাহায্য আগবঢ়াইছে সেইটো নাই দিয়া বুলি কোৱা নাই কিন্তু প্ৰয়োজন অনুসাৰে বহুতো কম হৈছে। কিন্তু তাত পুনৰ সংস্থাপন একেবাৰে হোৱা নাই। মাননীয় মহিবুল হক ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত ৰাজহ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল যে ৬ টা শিবিৰ হৈছে, কিন্তু এই শিবিৰ ক'ত হৈছে সেইটো আমি কব নোৱাৰো। বোধহয় এই শিবিৰ কেইটা হ'ল কিছুমান বান আক্ৰান্ত মানুহে উপায় নাপাই ৰাস্তাত মঠাউৰী আৰু ওখ ঠাইত গৈ আশ্ৰয় লৈছিল তাকেই শিবিৰ বুলি ধৰিছে নেকি কব নোৱাৰো। সেইবিলাক অঞ্চলত খোৱাপানী ইত্যাদিৰ কোনো ব্যৱস্থা হোৱা নাই, মেডিকেল ফেচিলিটি ইত্যাদিৰ কোনো ব্যৱস্থা নাই ফলত সেইবিলাক অঞ্চলত মানুহে কলেৰা হাংজা দায়েৰীয়া দিচেণ্ট্ৰী বেমাৰত ভুগিছে, প্ৰায় ৪০ জন মানুহৰ মৃত্যু হৈছে, বৰ্ত্তমান মোৰ হাতত লিষ্টখন নাই নহলে কব পাৰিলোহেতেন। গতিকে যি কেইটা শিবিৰ আছে বুলি জনাইছে সেই কেইটাৰ দায়িত্ব লৈ শিবিৰ কেইটা ভাল ধৰণে চলাব লগীয়া হৈছে। বানপানী কমি অহাৰ পিচত যি সকল লোকে এতিয়াও ঘৰলৈ যাবলৈ সামৰ্থ্য নহয় ৰাস্তা মঠাউৰীত অৱস্থান কৰিব লগা হৈছে সেই সকলক আইদেনটিফাই কৰি কেম্পত ৰাখি কেম্প হিচাবে ঘোষনা কৰিব লাগে। তাৰ পিচত ডি, চিৰ লগত যোগাযোগ কৰি ই, এচ স্কীমৰ জৰীয়তে যাতে তেওঁলোকক দুপইচা উপাৰ্জ্জন কৰিব পাৰে আৰু দুৰ্ভিক্ষত নমৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বানপানী আহিলে কাম কৰিব নোৱাৰিব, গতিকে আকৌ বানপানী অহাৰ আগতেই যদি প্ৰতিৰোধৰ ব্যৱস্থা নলয় তেতিয়াহলে পুনৰ ধুবুৰী জিলাত দুৰ্ভিক্ষ হোৱাৰ আশংকা আছে। গতিকে যি কেইটা কেম্প আছে বুলি জনাইছে সেই কেইটা এতিয়াই থিক-থাক কৰি লব লাগে। দক্ষিন শালমাৰাৰ যি খিনি বান আক্ৰান্ত লোক আছে তেওঁলোকক পুনৰ সংস্থাপন দিব লাগে আৰু এই মানুহ খিনিয়ে যাতে দুপইচা উপাৰ্জ্জন কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। গতিকে অসমৰ লগতে ধুবুৰী জিলাত যাতে পুনৰ দুৰ্ভিক্ষ নহয় তাৰ বাবে আগতিয়াকৈ ব্যৱস্থা হাতত লব লাগে আৰু আমি আশা কৰিছো ৰাজ্য চৰকাৰৰ হাতত যি খিনি ক্ষমতা আছে তাৰে এই বানপানীৰ যিটো প্ৰকোপ সেইটো নিশ্চয় প্ৰতি-ৰোধ কৰিব পৰিব। এইখিনিকে অনুৰোধ জনাই পুনৰ যাতে ধুবুৰী জিলাত দুৰ্ভিক্ষ আহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব বুলি আশা কৰি সামৰিলো।

শ্রীষতীন মালী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টোৰ লগত সঙ্গতী ৰাখি অসমৰ বিভিন্ন ঠাইৰ লগতে পলাশবাৰী সমষ্টিত ভয়াবহ বানপানী হোৱাৰ ফলত চৰকাৰে লোৱা বিভিন্ন ব্যৱস্থা আৰু পদক্ষেপৰ সংক্ৰান্তত দুটামান কথা উত্থাপন কৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, বানপানীৰ সময়ত বানপানীত আক্ৰান্ত হোৱা লোক সকলক সাহায্য বিতৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা সাহায্য দিয়া যি নীতি ঘোষনা কৰা হয় আৰু সেই ঘোষনা কৰা যিবিলাক কাৰ্য্যকৰী ব্যৱস্থা লোৱা হয় সেই সম্পৰ্কত আলোচনা কৰাতো দৰকাৰ হৈ পৰিছে কিয়নো বানপানীৰ সময়ত যি ধৰণে কাম বিলাক কৰা হয় সেইবিলাক সকলো ঠাইতে একেধৰণৰ খেলিমেলি নহলেও কম বেচি পৰিমানে খেলিমেলি হোৱা দেখা যায়। ৰিলিফ মেনুৱেল মতে যি খিনি সাহায্য আৰু সামগ্ৰী বানআক্ৰান্ত লোকক দিব লাগে বা যোগান ধৰিব লাগে সেইখিনি পৰ্য্যাপ্ত পৰিমানে নিদিয়া আৰু খেলিমেলি কৰাৰ ক্ষেত্ৰত অসমৰ সকলো ঠাইৰ পৰাই আপত্তি অহা আমি দেখা পাইছো। ৰিলিফ মেনুৱেলত যি ধৰণৰ প্ৰভিজন আছে ইমানখিনি সাহায্য আগবঢ়াৰ লাগে, ইমানখিনি সামগ্ৰী যোগান দিব লাগে ইত্যাদি কথাবিলাক শতকৰা ১০০ ভাগ পালন কৰাতো দৰকাৰ। সেইটো ফলো নকৰাৰ কাৰণে আপত্তি আহিছে আমি যেতিয়া চৰকাৰ চলাইছিলো তেতিয়া মোৰ মনত পৰা-তে আমি খড়ি পৰ্য্যন্ত বানআক্ৰান্ত লোকক যোগান দিছিলো। একেদৰে বিগত বানপানীত পলাশবাৰী সমষ্টিত যি সাহায্য দিছিল তাতো আপত্তি আহিছে। গতিকে সেইখিনি নাইকিয়া কৰিবৰ কাৰণে ৰিলিফ মেনুৱেল সতর্ক-ভাৱে অবলম্বন কৰিব লাগে। সাধাৰণতে আমাৰ এই যি বিলাক সাহায্য শিবিৰ সেইবিলাক ৰাজহুৱা অনুস্থানত হয় যেনে স্কুল বা ৰাজহুৱা স্থান ইত্যাদিত কিন্তু এখন হাই স্কুলত স্থানীয় ৰাইজে স্থানীয় বান আক্ৰান্ত লোক সকলৰ কাৰণে এটা কেম্প কৰিবলৈ থিক-থাক কৰি স্কুলৰ হেড মাষ্টৰক স্কুল খুলি দিবলৈ অনুৰোধ কৰাতো সেই স্কুলত কেম্প পাতিব নিদিলে আনকি স্কুলত তলা মাৰিওঁ দিলে। পিছত পুলিচৰ সহায় লৈ তাত কেম্প পাতিব লগা হল। এনেবিলাক কথাও চাব লগীয়া আছে তাৰোপৰি বানপানীৰ লগত কিছুমান হস্ৰম্যাদী আৰু দীৰ্ঘয্যাদী ব্যৱস্থা লোৱাৰ বিষয়ে চিন্তা কৰিব লগীয়া আছে কিয়নো বানপানীয়ে কেবল ৰাইজৰ ক্ষতি সাংন কৰাই নহয় এই বানপানীৰ দ্বাৰা কৃষিৰ ক্ষেত্ৰত বিস্তৰ ক্ষতি সাধন হৈ আছে। এইবাৰ যি ক্ষতি হ'ল তাৰ দ্বাৰা অহা বছৰত খাদ্যৰ অভাৱ হয়তো আৰু বেচি হব, কিয়নো এইবাৰ খেতি

নহল' আৰু এতিয়া খেতিয়কে খেতি কৰিব পৰা নাই, বানপানীয়ে যি কৃষিৰ ক্ষতি কৰিলে সেই কৃষিৰ ক্ষেত্ৰ কৃষি বিভাগৰ ফালৰ পৰা কোনো ধৰণৰ ইন্সপেকশ্যন হোৱা নাই বুলি জানিব পৰা গৈছে, গতিকে কোন কোন জিলা বা অঞ্চলত বানপানীয়ে কেনে ধৰণে বাইজৰ খেতিপথাৰ নষ্ট কৰিলে সেইবিলাক কৃষি বিভাগৰ ফালৰ পৰা তন্ন তন্নকৈ জৰীপ কৰি উপপ্ৰতি সমাহৰ্ত্তাৰ ওচৰত বানপানীৰ ক্ষয়-ক্ষতিৰ প্ৰকৃত তথ্য ডাঙি ধৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ যি গৰাকী বিষয়া পৰিদৰ্শক ফিল্ডত থকা বিষয়া গৰাকীয়ে খবৰ খাতি লৈ উপ প্ৰতি সমাহৰ্তাক প্ৰকৃত তথ্য জনাব লাগে, যাতে বাইজে কিবা সাহায্য পাব পাৰে। কৃষি বীজ, কঠিয়া আদি দিব পাৰে। এতিয়াও খেতিয়কসকলে কৃষি বীজ, কঠিয়া নোপোৱা বাবে খেতি কৰিব পৰা নাই। এতিয়া সৰহ সংখ্যক কৃষকে ৰবি শস্যৰ খেতি কৰাৰ কথা কৈ আছে। চৰকাৰে ৰবি শস্যৰ লগত জৰিত বীজ, সামগ্ৰী আদি বেহাই হাৰত যোগান দিব লাগে। কিন্তু মন কৰিবলগীয়া কথাটো হৈছে চৰকাৰে আজিকোপতি ৰবি শস্যৰ বীজ যোগান ধৰাৰ পদক্ষেপ লোৱা দেখা নাই। গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। লগতে আকৌ এটা কথা কবলৈ বিচাৰিছো যিখিনি খেতিয়কে এই বছৰ খেতি কৰিব নোৱাৰিলে সেই খেতিয়কসকলক এই বছৰৰ খাজনা বেহাই দিব লাগে। খাজনাৰ কথাটো ৰাজহ বিভাগৰ। তথাপি ৰাজহ বিভাগ আৰু কৃষি বিভাগে আলোচনা-কৰি পলাশবাৰীৰ বানপীড়িত বাইজৰ খাজনা বেহাই দিয়া সম্পৰ্কে সিদ্ধান্ত লব লাগে। সাহায্য আৰু পুনৰ সংস্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহিছিল। এই টকা সময়োচিত ভাৱে বেভিনিউ বিভাগে উলিয়াই নিদিয়ে বুলি এটা আপত্তি আছে। যদি এইটো সঁচাকৈ হৈ আছে তেতিয়াহলে এইটো এটা ডাঙৰ কথা হৈছে সময়মতে টকা উলিয়াই নিদিয়া বাবে গোটেই প্ৰক্ৰিয়া-টোৱে বন্ধ হৈ আছে, লেহেম হৈ আছে। আৰু লেহেম হৈ থকা বাবে গোটেই প্ৰক্ৰিয়াটো সফলতা লাভ কৰিব পৰা নাই। মই শুনা মতে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৭ কোটি টকা ৰাজ্য চৰকাৰে পাইছে। কিন্তু এই ১৭ কোটি টকাৰ ১০০ শতাংশ বাদেই ৫০ শতাংশ টকাও উলিয়াই দিয়া নাই। বিভাগীয় মন্ত্ৰীয়ে নিশ্চয় এই বিষয়ে কব। কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকাখিনি সময় মতে সংশ্লিষ্ট জিলা বিলাকলৈ উলিয়াই দিয়া হলে সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত এই অভিযোগ নাহিলহেতেন। আজিলৈকে কেন্দ্ৰীয় চৰকাৰৰ ১৭ কোটি

টকা সংশ্লিষ্ট হেডলৈ উলিয়াই নিদিয়া কথাটো ঠিক হোৱা নাই। গতিকে ভৱিষ্যৎ যাতে এনেকুৱা নহয় তাৰ বাবে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। উপাধ্যক্ষ মহোদয়, আন এটা কথা হৈছে— গৰু-ছাগলীৰ কথাটো বান পানীৰ সময়ত পলাশবাৰীত গৰুৰ কাৰণে একো খাদ্য দিয়া নাছিল। বান পানীৰ সময়ত পলাশবাৰীৰ যোগাযোগ বিচ্ছিন্ন হৈ গৈছিল। গৰুবিলাক নাওত উঠাই মথাউৰিলৈ অনা হৈছিল। মথাউৰিতে গৰুবিলাক ৰখা হৈছিল। কিন্তু গৰুৰ বাবে একো খাদ্য যোগান ধৰা হোৱা নাছিল। বাৰিষাৰ সময়ত গৰুৰ বাবে ভেটেৰীনাৰী বিভাগে যি খাদ্য আনিব লাগে সেই খাদ্য যোগান ধৰা হৈছিল নে নাই আৰু কিমান টকাৰ কি কি খাদ্য আনিছিল সেইবিলাক কথা ভালদৰে চোৱাৰ বাবে মই বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। পলাশবাৰীৰ অঞ্চলৰ বাবে আটাইতকৈ ডাঙৰ কথাটো হৈছে গৰা খহনীয়া। বান পানীৰ সময়ত মানুহবিলাক কেম্পত থকাৰ কথাটো মই ইতিমধ্যে উল্লেখ কৰিছো। কেম্পত থকা সময়ত যি যি সা-সুবিধা দিব লাগে সেইবিলাক যে দিব পৰা নাই সেই বিষয়ে মই উল্লেখ কৰিছো। গৰা খহনীয়াৰ ফলত যিবিলাক মানুহ গৃহহীন হৈছে সেই মানুহখিনিক পুনৰ সংস্থাপন কৰাৰ আশা ৰাখি মই মোৰ বক্তব্য সামৰিছো।

* শ্রীবুবুল দাস : মাননীয় উপাধ্যক্ষ মহোদয়, এই প্রসঙ্গত মই কেইটামান কথা পুনৰ সংস্থাপন বিভাগৰ মন্ত্রীৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। মৰিগাওঁ জিলাখন বৰ্ত্তমানলৈকে ব্রহ্মপুত্রৰ বানপানীয়ে ৩ বাৰ বিধ্বস্ত কৰিলে। মৰিগাওঁৰ লাহৰি ঘাট, ভোৱা গাওঁ, আদিকে ধৰি কেৰাখনো গাওঁ আৰু ঠিক সেইদৰে গোপনি মহকুমাৰ বকৰীয়া মৌজা মনসা মৌজা আদি বিভিন্ন অঞ্চল এই বছৰ এতিয়ালৈকে ৩/৪ টা বানপানীয়ে বিধ্বস্ত কৰি গৈছে। ৰাইজৰ খেতি বাতি, ঘৰ-দুৱাৰ, সা-সম্পতি নষ্ট কৰি পেলাইছে। আৰু এইবাৰ এতিয়ালৈকে মৰিগাওঁ জিলাৰ প্রায়বিলাক ঠাইৰে শালি খেতি নষ্ট কৰি পেলাইছে। এই বিষয়ে মই পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। বানপানী আৰু গৰাখহনীয়াৰ ২০ খন গাওঁৰ মানুহ আজি কেবাবছৰ ধৰি মথাউৰিৰ ওপৰত আছে। বিশেষকৈ ভোৱা গাওঁকে ধৰি ৩/৪ খন গাওঁৰ মানুহ আজি কেবা বছৰ মথাউৰি ওপৰত আছে। এই লোক সকলৰ পুনৰ সংস্থাপনৰ বাবে বিভাগীয় মন্ত্রীয়ে যথা বিহিত ব্যৱস্থা লব বুলি আমি আশা কৰি মোৰ মন্তব্য সামৰিছো।

* Speech not corrected

* শ্রীপদ্মেশ্বৰ দলে ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বেছি নকওঁ। আমাৰ অসমত ১৯৫০ চনৰ ৰৰ ভুইকঁপৰ পিছৰে পৰা বানপানীৰ উপদ্রৱ বাঢ়ি আহিছে। ১৯৫২-৫৩ চনৰে পৰা আৰম্ভ কৰি এতিয়ালৈকে অসমত অদ্ভুত পূৰ্ব বানপানী হৈ আহিছে। এতিয়ালৈকে বান নিয়ন্ত্রণ মন্ত্রী আৰু মুখ্য মন্ত্রীক এই সদনতে কেবাবাৰো বান নিয়ন্ত্রণ সংক্রান্তত কৈ আহিছো। কেনেকৈ বান পানী নিৰাময় কৰিব পৰা যায় এই বিষয়ে কেবাবাৰো কোৱা হৈছে। অকল মাজুলীতে নহয়, দৰং ধুবুৰী আদি সমগ্র অসমতে প্রলয়ংকৰী বানপানী হৈ আহিছে। বানপানী অসমত নতুন নহয়। ইয়াত নতুনত্তৰ একো নাই। বান পানীৰ সাহায্যৰ বাবে অসমক কেন্দ্রীয় চৰকাৰে ২৫ কোটি টকা দিয়ে নেচাৰেল কেলামিটিৰ বাবে। আগতে ১০০ কোটি ২০০ কোটি টকা কোনো লিমিট নোহোৱাকৈ দিছিল কিন্তু এতিয়া কেন্দ্রীয় চৰকাৰে দিয়ে ২৫ কোটি টকা আৰু ৰাজ্য চৰকাৰে দিয়ে ৫ কোটি টকা মুঠ ৩০ কোটি টকা। আমি আৰ আৰ বিভাগৰ সমালোচনা কৰিব বিচৰা নাই মাত্র আলোচনাহে কৰিব বিচাৰিছো ৰিগার্ডিং এছ পাৰ মেনুৱেল। অপ্রিয় হলেও সঁচা কথা কব লাগিব। মই উদাহৰণ হিচাপে আমাৰ মাজুলীৰ কথাকে কবলৈ বিচাৰিছো বান পানীৰ সময়ত তাত কোনোৰা এজন ওৱেংগা নামৰ এছ দি অ' আছিল। তেওঁ ষ্টকত দুটকীয়া চাউল আছিল বুলি কৈছিল। মই বানপানীৰ সময়ত মেচিন নাওঁত উঠি ৪ দিন ৪ ৰাতি গাওঁ বিলাক ঘুৰি ৰিপোর্ট দাখিল কৰিছিলো কিন্তু তেতিয়া ৰিলিফ দিয়া নাছিল। তেতিয়া জুলাই মাহ আছিল! এতিয়া সেই এছ দি অ' জন নাই। তেওঁৰ ঠাইত আন এজন গৈছে। তাৰ পিছত ৰিলিফ দিছে। চাউল আছে কিন্তু দুটকীয়া চাউল তিনি মাহে পোৱা নাই। কিয় পোৱা নাই এইটো এটা বিচার্য্য বিষয়। এতিয়া কথা হৈছে ৰিলিফৰ ব্যৱস্থা আৰু ঘৰ দুৱাৰ ভাঙিলে দিয়া সাহার্য্যৰ কথাটো এক নম্বৰ কথা হ'ল বানপানীত ইৰোছন হলে ৰিলিফ মেনুৱেল মতে দিয়ে ৫০ টকা। আমি যোৱাবাৰো ১৯৯১-৯২-৯৩ চনতো আমি ৰিলিফ মেনুৱেল চেঞ্জ কৰাৰ কথা কৈছিলো। মানুহৰ ঘৰ ভাঙিলে ৫০ টকা, ঘৰ উটুৱাই নিলে ১০০ টকা বা ২০০ টকা দি কিবা কামত আহে জানো। এতিয়া ১০০/২০০ টকাত যে একো কাম কৰিব নোৱাৰি প্রত্যেকে জানে। আনকি সাধাৰণ কেঁচা ঘৰ এটা সাজিবলৈ হলেও ১০ হাজাৰ টকাতো নহয়।

★ Speech not corrected.

মাননীয় উপাধ্যক্ষ মহোদয়, ১০ হেজাৰ টকাৰে কেচা ঘৰ এটাও সাজিব নোৱাৰে। জিলা উপায়ুক্তক বিলিফ মেনুৱেলখন দিয়া আছে। মই এটা পৰামৰ্শহে দিব বিচাৰিছো। ধুবুৰী, দক্ষিণ শালমাৰাত দুৰ্ভিক্ষই দেখা দিছে। মানুহে খাবলৈ পোৱা নাই। আটাইতকৈ ডাঙৰ কথা হৈছে বিশ্ব নদী দ্বীপ মাজুলীত যাবলৈ ৰাস্তা ঘাট নাই। ২-১ খন নাৱেৰে ওচৰৰ শদিয়া আদি ঠাইৰ পৰা যাব পাৰে। মাজুলী মা মানে মাছ আৰু জুলী মানে ভৰাল। মাছৰ ভৰাল। আজিকালি সেই ভৰাল নাই। দুৰ্ভিক্ষৰ ভৰাল হৈছে। বাৰিষা পানী শুকুৱাৰ পিচত ৰবি শস্য খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। আহিন-কাতি মাহত ৰবি খেতিৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে কৃষি বিভাগক বীজ বিতৰণৰ দায়িত্ব দিব লাগে আৰু বেভিনিউ বিভাগক চাৰ্ভে কৰিবৰ কাৰণে দায়িত্ব দিব লাগে। জিলা উপায়ুক্ত, মহকুমাধিপতি সকলে আছে তেখেত সকলে অলপ চাব লাগে। খেতিয়ক সকলে কত কি কি খেতি কৰিছে তাৰ এটা ৰিপোৰ্ট চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে। মাননীয় উপাধ্যক্ষ ঃ আচলতে ৩০১ মিটো নোটিচ আছিলে তাৰ ওপৰত কওঁক।

* শ্রীপদ্মেশ্বৰ দলৈ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিলিফক সকাহ দিবৰ কাৰণে ২০০ গ্ৰাম বা ৩০০ গ্ৰাম দিলে যথেষ্ট নহয়। সময়ত ৰবী বীজ, সময়ত ধানৰ বীজ নিদিলে regularly as per Relief manual. In 1992-93 when Mr. Mukut Sarmah was Revenue Minster I requested him to amend the existing relief mannual. It should be amended inmediately, কি ব্যৱস্থা হব। ছৰকাৰৰ যিখন স্কীম আছে সেই স্কীমৰ জৰিয়তে কৃষি আৰু ৰাজহ এই দুটা বিভাগ একেলগ হৈ মতা মাইকীৰ দৰে কাম কৰি যাব লাগে co-related and inter-related in between Agriculture, Electricity (ASEB) and Irrigation. এই তিনিটা ৰিলেটেড। ইটোৰ অবিহনে সিটো হব নোৱাৰে। মই আশা ৰাখিছো যে চৰকাৰে ৰবি শস্য সময়মতে দিয়াৰ ব্যৱস্থা কৰিলে কিছু বাইজৰ ভাল হব। সেইকাৰণে মই কৃষি মন্ত্ৰী মহোদয় আৰু ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এইটো সময়মতে বাৰিষা যোৱাৰ লগে লগে খেতি কৰিব পৰাকৈ এতিয়াৰ পৰাই আপোনালোকে জিলাবিলাকত দিয়াৰ ব্যৱস্থা কৰক।

মাননীয় উাধ্যক্ষ ঃ ৩০১ ৰ ওপৰত কওক।

* Speech not crrected.

* শ্রীভুপেন বয় : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ কেইটামান কথা কবলগীয়া আছে। উদাহৰণ স্বৰূপে আই আৰু মানাহ এই দুখন নৈয়ে প্রতি বছৰে মানুহৰ যথেষ্ট পৰিমাণে ক্ষতি সাধন কৰে। যোৱা বহুবৰ কথা বড়ো এলেকাত যেতিয়া গণ্ডগোল হৈছিল, তেতিয়া ৮০০ টা পৰিয়ালক চৰকাৰে আই আৰু মানাহ নৈৰ চৰ এলেকাত পুনৰ সংস্থাপন কৰি দিছিল। স্থানীয় বাইজে আপত্তি কৰা স্বত্তেও প্রশাসনে নামানিলে। আই আৰু মানাহ নদীত যেতিয়া পানী বাঢ়ে তেতিয়া মানুহ থকা অসুবিধা হৈ পৰে। সেই অঞ্চলখিনিত অন্যান্য কামত ব্যৱহাৰ কৰিব নোৱাৰে যদিও তাত গৰু-ম'হ আদিৰ চৰণীয়া ঠাই হয়। তাত স্থানীয় মানুহখিনিয়ে যাতে কোনো ধৰণৰ বাধা সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণে পাঞ্জাৰ কমাণ্ডোকে আদি কৰি সামৰিক বাহিনী ৰাখিছে। সেই অঞ্চলত বানপানী হোৱাত সেই ৮০০ শ পৰিয়াল আহি মঠাউৰীত ৪ কিলোমিটাৰ মান ঠাইত পলিথিন পেপাৰৰ চালি ঘৰ বান্ধি আছে। মোৰ অঞ্চলত এই দুখন নদীয়ে যথেষ্ট ক্ষতি সাধন কৰিছে। যাৰ কাৰনে শালি, ৰবি আদি শস্য কৰিব নোৱাৰি। বিশেষকৈ কৃষি বিভাগৰ হেমাহিৰ কাৰণে সময়োপযোগী খেতি বাইজে কৰিব নোৱাৰে। যি সময়ত বীজ দিব লাগে সেই সময়ত নিদি সময় পাৰ হৈ যোৱাৰ পিচত বীজ বিতৰণ কৰে। সৰিয়হৰ খেতি যেতিয়া কৰিব লাগে তাৰ কিছুদিনৰ আগতে বীজ বিতৰণ কৰিলে সময়মতে খেতি হয়। বা বীজ সিচিৰ পাৰে। সময় নথকাৰ কাৰণে সিচিৰলৈ দিয়া সৰিয়হৰ বীজ বজাৰত বিক্রী কৰি হাঁহ বা কুকুৰা আদি কিনি আনি থয়। এনেকুৱা এটা ব্যৱস্থা চলি আছে। গতিকে পুনৰ সংস্থাপন কৰিবলৈ যাওঁতে সকলোপিনে নজৰ দিব লাগে। আই আৰু মানাহ নদীত পুনৰ সংস্থাপন কৰিছে যদিও পানীত ডুবাৰ কাৰণে যি বিলাক মানুহ মঠাউৰিৰ ওপৰত আছে সেই সকলক উপযোগী ঠাইত থাকিবলৈ দিব লাগে।

* শ্রীদেৱানন্দ কোৱৰ (মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, ৩০১ নং যিটো নটিচ মাননীয় সদস্য মৌলানা আবদুল জেলিল বাৰ্ষিবীয়ে দাঙি ধৰিছিল সেইটো আছিল Relief to Food affected people of Jumunamukh under Nagaon District. কিন্তু মই গোটেই মাননীয় সদস্য সকলে ক্লাদৰ বিষয়টোৰ প্রতি যি উৎবেগ আশংকা, চিন্তাৰ গভীৰতা ইয়াত দাঙি ধৰিছে তেওঁলোকৰ উৎবিগ্নতা লক্ষ্য ৰাখি মই ইয়াত অংশ গ্রহণ কৰিছো। আপোনালোকে জানে যে তিনিটা বানপানী ইতিমধ্যে আহি গৈছে। এবাৰ

★ Speech not corrected.

দুৱাৰ নহয়, তিনি বাৰ হৈছে। বৰ্ত্তমান এই সময়ত চতুৰ্থ বানপানী ভয়ানক ভাৱে চলি আছে। আধাঘণ্টা আগতে মোৰ সমষ্টিৰ পৰা ফোন আহিছে। টেলিফোন যোগে মই জানিব পাৰিছো যে ৬ ঠাইত ভাগিছে আৰু চাৰি খন বাগান বুঢ়াই পেলাইছে। দিৱাং, চুমনি বান্ধ ভাঙি পৰিছে আৰু বহু ঠাইত বান্ধ ভাঙিছে। যোৱা নিশাটো বানপানীয়ে বান্ধ ভাঙি-ভাঙি সম্পূৰ্ণ ভাঙি পেলাইছে। চতুৰ্থ বানপানীটোৱে মাৰাত্মক পৰিস্থিতিৰ উৎভৱ কৰিছে॥ মাননীয় সদস্য জয়নাল আবেদিন ডাঙৰীয়াই কৈছে যে শেষত ধুবুৰীৰৰ ওপৰৰে বানপানীৰ ভয়াবহ ৰূপটো যাব। মই আবেদিন ডাঙৰীয়াক কব খুজিছো যে চতুৰ্থ বানপানীৰ ভয়াবহ ৰূপটো এতিয়া উজনি অসমতে আছে। আৰু ৪/৫ দিন পাচতহে পাব। ইয়াৰ লগত জৰিত আছে গোটেই অসমতে ৰিলিফ দিয়া সমস্যাটো। ৰিলিফৰ লগতে পুণৰ সংস্থাপনৰ ব্যৱস্থা আৰু ৰবিশষ্যৰ সমস্যা। আপোনালোকে শালী খেতিৰ কথাটো সকলোৱে কৈছে। তৃতীয়টো বানপানীৰ পাচতো চৰকাৰ আৰু ৰাইজৰ সংযোগত ভাল খেতি হৈছিল। উজনি অসমত বহুত ভাল খেতি হৈছিল। কিন্তু চতুৰ্থ বানপানীয়ে সৰ্ব্বনাশ কৰিলে। সেইকাৰণে মাননীয় সদস্য সকলৰ মনত উৎৰিগ্নতাই ঠাই পাইছে। অহা দিন কেইটাত কেনেকৈ চলিব কেনেকৈ খেতি কৰিব এই সকলোবিলাক পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মই সকলোকে ধন্যবাদ জনাইছো। প্ৰথম প্ৰস্তাৱ কৰ্ত্তা শ্ৰীৰাঘিবী ডাঙৰীয়াই ৩০১ নং যিটো নটিচ দিছে তাৰ ভিতৰত দুটামান কথা কব বিছাৰিছো।

The first wave of flood started in Assam on 15.6.95 affecting many districts. The vast areas of Hojai Sub-Division was also inundated due to flood water of Kopoli and Lakajan. In total 81 villages with a population of 60 000 of Hojai Sub-Division was affected. Jamunamukh-Kampur and Jamunamukh—Doboka road was submerged by flood water causing closure of vehicular traffic. Out of this all total 23 villages of Jamunamukh L. A. Constituency were affected alongwith others. Total 7462 farmers were affected. High yielding variety seeds have been distributed amongst 1300 farmers families @ 10 kg per family. Agriculture Department has submitted requirement of seeds for balance 6162

families. Deserving families whose houses have been damaged will be given rehabilitation grant as per our norms. ইয়াৰ উপৰিও এই প্ৰসংগতে অংশগ্ৰহণ কৰা মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে মই এইখিনি কথা দাঙি ধৰিব বিচাৰিছো। আমাৰ বৰ্ত্তমান কেলামিটি বিলিফ ফাণ্ড পাইছো কেন্দ্ৰীয় চৰকাৰ আৰু আমাৰ নিজৰ চৰকাৰৰ তৰফৰ পৰাও, আচলতে মাননীয় সদস্যগৰাকীয়ে কোৱাৰ দৰে ১৭ কোটি নহয়।

Calamity Relief Fund received from Central and State are .

Central Government : 35.40 Cr.
State Government's Contribution : 11.60 Cr.

Total : 47.20 Cr,

ইয়াৰে চে-টাৰে দিয়ে ৩৫ কোটি ৪০ লাখ টকা আৰু ৰাজ্য চৰকাৰে ১১ কোটি ৮০ লাখ। এইটো ২৫ কোটি নহয়। ৪৭.২০ টকা আছে জিলা ভিত্তিত আৰু মহকুমা ভিত্তিত টকা বিলাক ডিষ্টিবিউট কৰি দিয়া হৈছে।—

For Dhubri district so far Rs. 151 90 lakhs have been released for distribution of GR. The break up is :—

Dhubri Sub Divn Rs. 51.00 lakhs
South Salmara Rs. 68.60 lakhs
Bilasipara Rs. 32.30 lakhs

Total Rs. 151.90 lakhs

Fund so far released for the following Subdivisions :
North Salmara : GR : 30,30,00/-
Tubewell & Fodder : Rs 1,20,000/-

Majuli Subdivision :
GR : Rs. 6,81,000/-
Tubewell & Fodder : Rs. 1,00,000/-
Total : Rs 7,81,000/-

Hojai Sub-Division :
GR : Rs. 28,00,000/-

Nagaon Sub-Division :
GR : Rs. 24,00,000/-
Guwahati Sub-Division :
GR : Rs. 33 50,000/-

এই টকাটো বিলিজ কবি দিয়া হৈছে। ধুবুৰী চাবডিভিজনত ৫১ লাখ ছাউথ শালমাৰা ৬৮'৬০ লাখ, বিলাসীপাৰা ৩২'৩০ লাখ টকা মুঠ হৈছে ১৫১ '৯০ লাখ টকা। নৰ্থ শালমাৰা মহকুমাত জি, আৰ দিবলৈ ইতিমধ্যে ৩০ লাখ ৩০ হাজাৰ টকা দিয়া হৈছে। দমকল বহুৱাবলৈ আৰু গৰুৰ খাদ্যৰ বাবে ১ লাখ ২০ হাজাৰ টকা দিয়া হৈছে। মাজুলী মহকুমাত জি, আৰৰ বাবে ৬ লাখ ৮১ হাজাৰ দিয়া হৈছে আৰু টিউবেল আৰু গৰুৰ আহাৰৰ বাবে ১ লাখ টকা দিয়া হৈছে। মুঠ হৈছে ৭ লাখ ৮১ হাজাৰ টকা। হোজাই মহকুমাত জি, আৰৰ কাৰণে ২৮ লাখ টকা দিয়া হৈছে। নগাওঁ মহকুমাৰ কাৰণে ২৪ লাখ দিয়া হৈছে। মই ভাৱো There is sufficient fund of Rs. 47.20 Cr. in calamity Relief fund for flood work, we are taking steps for distribution of GR and seeds for Rabi crop. গুৱাহাটী মহকুমাৰ বাবে জি, আৰ দিবলৈ ইতিমধ্যে ৩৩ লাখ ৫০ হাজাৰ টকা দিয়া হৈছে। কঠিয়া আৰু বীজ দিবলৈ কৃষি বিভাগক ইতিমধ্যে এক কোটি টকা দিয়া হৈছে।

* শ্রীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, পইণ্ট অৱ ক্লেৰিফিকেচন মই কও যে, কঠিয়াৰ বাবে টকাটো এতিয়া দিব নালাগে। আৰু গৰুৰ খাদ্য সম্পৰ্কে ক্লেয়াৰ কৰিব লাগে।

* শ্রীদেৱানন্দ কোৱৰ (মন্ত্রী) : কঠিয়াৰ বাবে দিয়া হৈছে। চতুৰ্থ বানপানীৰ আগতে বীজ দিয়া হৈছে।

* শ্রীপদ্মেশ্বৰ দলে : আমাৰফালে কঠিয়া দিয়া নাই। নিজে আনি ৰুইছে।

* শ্রীদেৱানন্দ কোৱৰ (মন্ত্রী) : শিৰসাগৰ, মাজুলীৰ ফালে দিয়া হৈছে।

* শ্রীযতীন মালী : কঠিয়াৰ কাৰণে দিয়া নাই।

* শ্রীদেৱানন্দ কোৱৰ (বাজহ মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ যোগেদি, ডিষ্ট্রিকট এগ্রিকালচাৰ অফিচৰ যোগেদি এইবিলাক কৰা হৈছে। ৰবিশস্যৰ বীজ দিবলৈও ব্যৱস্থা লোৱা হৈছে। ৰবিশস্যৰ বিষয়ে মাননীয় সদস্যসকলে প্রস্তাৱ দাঙি ধৰিছে আৰু সেইটো কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

★ Speech not corrected.

কেন্দ্রীয় চৰকাৰৰ পৰা ইতিমধ্যে ১৭ কোটি ৭০ লাখ টকা পাইছো। তাৰে ১৫ কোটি ৩৮ লাখ টকা চেংচন দিয়া হৈছে।

* শ্রীযতীন মালি : উপাধ্যক্ষ মহোদয়, ৰিলিফ এণ্ড ৰিহেবিলেটেচন গ্রাণ্টৰ শিতানত ২·৫০ কোটি টকা বান নিয়ন্ত্রন বিভাগক দিয়া বুলি শুনিছিলো। সেই সম্পর্কে এই টকাটো ৰিলিজ নোহোৱাৰ কথাটো সচানে ?

* শ্রীদেৱানন্দ কোৱঁৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, টকা চেংচন দিয়া হৈছে। ৰিলিজ অৰ্দাৰটো ৰিত্ত বিভাগে দিব আৰু তাৰ আগতে পি, দব্লিউ, দি আৰু বান নিয়ন্ত্রন বিভাগে টপ প্রায়ৰিটি দিয়া এৰিয়া বিলাক আইদেনটিফাই কৰাৰ ব্যৱস্থা কৰিব। তাৰোপৰি বাৰিষা চলি আছে। গতিকে বৰষুণৰ সময়ত যদি টকা খৰচ কৰে কোনো কাম নহব। পি, দব্লিউ, দি বিভাগে বহু টকা খৰছো কৰিছে কিন্তু চতুর্থ বানপানীয়ে সকলো ধুই নিছে। সেইবিলাক পুনৰ ৰিপেয়াৰ কৰিব লাগিব বুলি পি, দব্লিও দি মন্ত্রীয়ে কৈছে।

* শ্রীযতীন মালি : এদমিনিচট্রেটিভ শব্দটো কোৱাৰ কাৰণে মই ৰুব ৰিচাৰিছো যে ৰিলিফ এণ্ড ৰিহেলিটেচন হেদত বান নিয়ন্ত্রণ বিভাগত যিখিনি টকা খৰচ হব তাৰ কাৰণে দি, চি আৰু মহকুমাধিপতি সকলে প্রক্রিয়া আৰম্ভ কৰিছে। এইটো বেয়া হৈছে বুলি কোৱা নাই। কিন্তু পোনপতীয়া ভাৱে টকা দিলে কাম কৰিবলৈ সুবিধা হব।

* শ্রীদেৱানন্দ কোৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, আমি বেকা হৈ থকাখিনি পোন কৰিবলৈহে ৰিচাৰিছো। আচলতে টকা চেংচন দিয়া হল টকা ৰিত্ত বিভাগে ৰিলিজ কৰিব॥ তাৰ পিচত ৰিভাগে কাম ৰিলাক কৰিব।

* শ্রীদেৱান জয়নাল আবেদিন : উপাধ্যক্ষ মহোদয়, ৰিলিফ এণ্ড ৰিহেবিলে-টেচনৰ শিতানত টকা দিয়া হৈছে। কিন্তু প্রত্যেক চাবদিভিজনতে ৰিলিফ কমিটি আছে। সেই কমিটি ৰিলাক বহুৰাই এইৰিলাক তদাৰক কৰিব লাগে। চাউথ শালমৰা চাবদিভিজনত আজিলৈকে ৰিলিফ কমিটি বহা নাই। ৰিলাসী পাৰা, ধুবুৰীত বহিছে। বীজৰ ক্ষেত্রত আমি চেষ্টা কৰিছিলো যে আমাক ২ মাহী চিদ দিব লাগে। সেইটো লোকেলি জাৰমিনেচন কৰি দিয়ক। ২ মাহী বীজ যিখিনি ৰিচাৰিছিলো সেইখিনি নাপালো।

* শ্রীদেৱানন্দ কোৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, উপায়ুক্ত আৰু মহকুমা অধিপতি সকলক আমি টকা দিও আৰু তেওঁলোকে মহকুমা আৰু জিলা

★ Speech not crrcected.

পর্য্যায়ত বিলিফ কমিটিৰ পৰামৰ্শমতে আলোচনা কৰি টকা খৰচ কৰিব লাগে। আৰু চাউথ শালমৰাত যদি কমিটি বহা নাই তেনেহলে গোৱালপাৰাৰ দি, চি আৰু এচ, দি, অ'ৰ লগত যোগাযোগ কৰি পৰামৰ্শ দিম। মৰিগাৱঁৰ বাবে ১ কোটি ৭ লাখ টকা মুকলি কৰি দিয়া হৈছে। টিউবওৱেল আৰু গৰুৰ দানাৰ বাবে ২ লাখ টকা আচুতীয়াকৈ দিয়া হৈছে। টিউবওৱেল, গৰুৰ খাদ্যৰ বাবে জিলা উপায়ুক্ত সকলক আৰু মহকুমাধিপতি সকলক ৪২ লাখ বিলিজ কৰি দিয়া হৈছে বিলিফ এণ্ড বিহেবিলেটেচন গ্ৰাণ্টৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক ইতিমধ্যে ৪২ লাখ ১৭ হেজাৰ টকা বিলিজ কৰি দিয়া হৈছে। মাননীয় সদস্য দলে ডাঙৰীয়াই কৈছে যে, মাজুলীত বানপানীয়ে ঘৰ দুৱাৰ ক্ষতি কৰা লোক সকলে পুনৰ নিৰ্ম্মানৰ বাবে একো সাহায্য পোৱা নাই। আগতে আমি যিটো সাহায্য দি আছিলো এতিয়া ৭/৮ হেজাৰ কৰি দিমনে ১০ হেজাৰ দিম সেই কথাটো চৰকাৰে বিবেচনা কৰি আছে। আৰু এই সম্পৰ্কত এটা সিধান্ত অতি সোনকালে গ্ৰহন কৰা হব।

* শ্ৰীমিচন ৰঞ্জন দাস : উপাধ্যক্ষ মহোদয়, মোৰ কৰিমগঞ্জ জিলাত যোৱা এপ্ৰিল মাহত হোৱা চাইক্লোনত বহুতো মানুহ ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী মহোদয়ক আমি জনাইছিলো এই ক্ষতিগ্ৰস্ত লোক সকলে চৰকাৰৰ পৰা এতিয়াও একো সাহায্য পোৱা নাই। মন্ত্ৰী মহোদয়ে ইয়াৰ এটা ব্যৱস্থা কৰিবনে ?

* শ্ৰীদেৱানন্দ কোৰৰ (ৰাজহ মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, আমি দি, চিৰ পৰা ৰিপোৰ্ট বিচাৰিছো। ৰিপোৰ্ট পালেই ব্যৱস্থা লোৱা হব। ৰিপোৰ্ট আহিলেই কিমান দেমেজ হৈছে তাৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱস্থা লোৱা হব। বিলিফ দিয়া হব।

* মৌলানা আব্দুল জেলিল ৰাগিৰী : উপাধ্যক্ষ মহোদয়, বিভিন্ন জিলা আৰু মহকুমাত বানপানী ক্ষতিগ্ৰস্ত এলেকাত সস্তীয়া বীজ আৰু খোৱাপানীৰ ব্যৱস্থাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে। মোৰ সমষ্টিত মই জনামতে এতিয়ালৈকে এটাও টিউবওৱেল দিয়া হোৱা নাই। তাৰ লগতে সস্তীয়া বীজো দিয়া হোৱা নাই। এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ? যদিহে দিয়া নাই তেনেহলে এই ক্ষতিগ্ৰস্ত লোক সকলে কেনেকৈ খেতি কৰিব কৰ পানী খাব ? মন্ত্ৰী মহোদয়ে ইয়াৰ এটা ব্যৱস্থা কৰিবনে ?

* Speech not corrected

* শ্রীদেৱানন্দ কোৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, মই আগতেই উল্লেখ কৰিছো যে, খোৱা পানীৰ ব্যৱস্থাৰ বাবে টিউবওৱেল দিয়াৰ বাবে উপায়ুক্ত আৰু মহকুমাধিপতি সকলক টকা দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে কৈছে যে, হোজাইত এটাও বহোৱা হোৱা নাই। মই এই সম্পর্কত নিশ্চয় খবৰ লম। এইটো এটা সাংঘাটিক কথা হৈছে। কাৰণ এই সম্পর্কত দি, আৰ, দিয়েকো টকা দিয়া হৈছে।

* শ্রীমৌলানা আব্দুল জেলিল বাগিৰি : উপাধ্যক্ষ মহোদয়, পি, এইচ, ইৰ জৰিয়ৱেও হোৱা নাই দি, আৰ, দি, এৰ জৰিয়তেও হোৱা নাই। এইটো আচৰিত কথা হৈছে।

* শ্রীদেৱানন্দ কোৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, কিয় বহোৱা নাই আজিৰ ভিতৰতে মই ব্যৱস্থা লম।

* শ্রীযতীন মালী : উপাধ্যক্ষ মহোদয়, এইবোৰ কথা চাই মেলি কৰিব লাগে।

* মোঃ মহিবুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে এই ক্ষেত্রত যথেষ্ট বৈষম্য কৰা হৈছে আৰু এই বৈষম্যৰ প্রতি মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো— শেহতীয়া ভাৱে হোৱা বানপানীত ধুবুৰী, গৌৰীপুৰ, দক্ষিণশালমাৰা সমষ্টিটো বেয়াকৈ ক্ষতিগ্রস্ত কৰিছে। মানকাচাৰ সমষ্টিত বিলিফ কেম্প পাতিছে দুটা কিন্তু ধুবুৰী সমষ্টিত কেম্প পতা হৈছিল ৫৪ টা ধুবুৰী সমষ্টিত টকা বিতৰণ কৰা হৈছে— ১০ লাখ ৬৭ হেজাৰ ২৬৪ টকা আনহাতে মানকাচাৰ সমষ্টিত টকা দিয়া হৈছে— ৩২ লাখ ৫১ হেজাৰ ৭৬২ টকা। মানকাচাৰত পলিথিন দিয়া হৈছে ২৩ হেজাৰ ৬৩৬ মিটাৰ, ধুবুৰীত দিয়া হৈছে ৫ হেজাৰ ৮৩৫ মিটাৰ। হেণ্ড টিউবৱেল মানকাচাৰ সমষ্টিত দিয়া হৈছে ৯৬ টা কিন্তু ধুবুৰী সমষ্টিত এটাও দিয়া নাই। এই ক্ষেত্রত ধুবুৰীক বৈষম্য মূলক আচৰণ কৰা হৈছে।

* শ্রীদেৱানন্দ কোৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে হেণ্ড টিউবৱেলৰ যি বৈষম্যৰ কথা কৈছে- এইটো হৈছে যদি জিলা পর্য্যায়ত হৈছে। এইটো কিয় হৈছে, হেণ্ড টিউবৱেল ধুবুৰীত কিয় বহুৱা নাই এই বিষয়ে আজিয়েই মই যোগাযোগ কৰি ব্যৱস্থা লম।

* শ্রীদেৱান জয়নাল আবেদিন : উপাধ্যক্ষ মহোদয়, এই ক্ষেত্রত ধুবুৰী জিলাৰ দায়িত্বত এজন কেবিনেট মন্ত্রী আছে, তেখেতৰ এক দায়িত্ব আছে। এটা সমষ্টিত ৩৮ আৰু আন এটা সমষ্টিত ১০ টা এনে ধৰণৰ বৈষম্য হব নালাগে।

★ Speech not corrected

* শ্রীজেহিকল ইচলাম (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, বানপানীৰ সম্পৰ্কত এতিয়া যিবোৰ কথা আলোচনা কৰা হৈছে এই বিষয়ে মই কব খোজো যে য'ত বেছি লোক ক্ষতিগ্রস্ত হৈছে তাত বেছিকৈ সাহায্য পাইছে আৰু য'ত কম লোক ক্ষতিগ্রস্ত হৈছে তাত কমকৈ পাইছে। দক্ষিণশালমৰা আৰু মানকাচাৰ সমষ্টি অসমৰ ভিতৰত আটাতকৈ ক্ষতিগ্রস্ত হোৱা ঠাই। এই হিচাবত তুলনা মূলক ভাবে ধুবুৰীত কমকৈ ক্ষতিগ্রস্ত হৈছে। ধুবুৰীৰ এটা অংশ ক্ষতিগ্রস্ত হোৱা নাই। গোটেই কথাবোৰ ভালদৰে চাই কলে ভাল হয়।

মাননীয় উপাধ্যক্ষ : ৩০১ মতে কিমান আলোচনাৰ স্কোপ আছে সেইটো আপোনালোক সকলোৱে জানে।

* শ্রীযতীন মালী : উপাধ্যক্ষ মহোদয়, ঘৰ পোৰা লোকৰ সাহায্যৰ ক্ষেত্রত মই এটা কথা কব খোজো যে ক'ৰবাত ঘৰ জলিলে স্থানীয় এচ, ডি, চি সকল ঘৰ জ্বলা ঠাইলৈ নিজে নেযায়, মণ্ডলৰ ৰিপোর্টৰ ওপৰত নির্ভৰ কৰে। আমি জানো যে এতিয়া একোটা চার্কোলত ৩ জনকৈ এচ, ডি, চি থাকে। এজন হলে বেলেগ কথা। গতিকে এতিয়া ক'ৰবাত ঘৰ জ্বলিলে এচ, ডি, চি এজন নিজে ঘৰ জ্বলা ঠাইলৈ গৈ তদন্ত কৰিব লাগে, মণ্ডলৰ ওপৰত নির্ভৰ কৰিব নেলাগে। মই এই ক্ষেত্রত ৰাজহ মন্ত্রী আৰু মুখ্য মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে ঘৰ জ্বলিলে স্থানীয় এচ, ডি, চি স্পটট গৈ অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিবলৈ নির্দেশ দিব লাগে। লগতে ঘৰ পোৰা যোৱা লোক সকলক ৩০ দিনৰ ভিতৰত প্রয়োজনীয় সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। সমগ্র অসমৰ কাৰণে চৰকাৰে এইটো পলিচি কৰিব লাগে।

* শ্রীদিলীপ কুমাৰ শইকীয়া : উপাধ্যক্ষ মহোদয়, আগৰ ৰাজহ মন্ত্রী শ্রীশর্ম্মা ডাঙৰীয়াই বাজেট অধিবেশনত আশ্বাস দিছিল যে কোনো লোকৰ ঘৰ জ্বলিলে এচ, ডি, চি স্পটত যাব লাগে বুলি। শ্রীমালী ডাঙৰীয়াইও তেতিয়া এই কথা কৈছিল। কিন্তু কথা হৈছে যে এচ, ডি, চি সকলৰ ইফালে সিফালে যোৱা-মেলা কৰিবৰ কাৰণে কোনো পৰিবহনৰ ব্যৱস্থা নাই। বিশেষ প্রয়োজন হলেই তেওঁলোকে গাড়ী ৰিকুইজেশন কৰিব লাগে। এতিয়া জি,এ,ডি বিভাগে মন্ত্রী সকলৰ এচকোর্টৰ কাৰণে, পুলিচ থানাৰ কাৰণে গাড়ী কিনিছে। মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে আমাৰ এচ, ডি, চি সকলৰ যাতায়তৰ কাৰণে চৰকাৰে গাড়ী কিনাৰ ব্যৱস্থা কৰিব লাগে।

★Speech not crroected.

*শ্রীচন্দন সৰকাৰ : উপাধ্যক্ষ মহোদয়, মই এটা কথা বিভাগীয় মন্ত্রীৰ পৰা জানিব বিচাৰিছো সেইটো হৈছে ৰাজ্যখনত হোৱা বানপানীত ভালেকেইটা মহকুমা ক্ষতিগ্রস্ত হৈছে। কিন্তু ডি, চি আৰু এচ, ডি, অ' সকলে বান সাহায্যৰ বহুত টকা এতিয়াও পাবলৈ বাকী আছে। মন্ত্রী মহোদয়ৰ পৰা সদনত আশ্বাস বিচাৰিছো যে যি খিনি টকা এতিয়াও চৰকাৰে বিলিজ কৰিবলৈ বাকী আছে সেই টকা যেন অতি সোনকালে বিলিজ দিয়াৰ ব্যৱস্থা কৰিবনে ?

*শ্রীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) : উপাধ্যক্ষ মহোদয়, নিশ্চয় দিয়া হব। আমৰ ফালৰ পৰা অনুমোদন দিয়া হৈছে— গড়কাপ্তানি, বান নিয়ন্ত্রণ বিভাগত যিবোৰ টকা দিয়া হৈছে তাৰে তেওঁলোকক আচনি তৈয়াৰ কৰিবলৈ কোৱা হৈছে। অন্য বিভাগকো ক্ষয়ক্ষতিৰ বাবে আচনি তৈয়াৰ কৰিবলৈ কোৱা হৈছে। এতিয়া বাৰিষা চলি থকাত কাম আৰম্ভ কৰাত অলপ পলম হৈছে। আমাৰ বিভাগৰ ফালৰ পৰা টকাৰ অনুমোদন দিয়া হৈছে বিত্ত বিভাগে সেই মতে টকা বিলিজ কৰি দিব। আৰু টকা পালেই কাম আৰম্ভ কৰিব। এচ, ডি, চি সকলৰ গাড়ী দিয়া সম্পর্কে কব খোজো যে তেখেত সকলৰ মবিলিটিৰ প্রয়োজন আছে, গাড়ীৰ প্রয়োজন আছে। কিন্তু বর্ত্তমান অৱস্থাত এচ, ডি, চি সকলক গাড়ী দিয়াটো সম্ভৱ নহব। কিয়নো আমাৰ বহুতো চাৰ্কোল আছে আৰু ইয়াৰ কাৰণে বহুতো গাড়ী লাগিব। বিত্ত বিভাগে এনে প্রস্তাৱ পালে কি কৰে কব নোৱাৰো। তথাপি আমি এই বিষয়ে বিবেচনা কৰি চাম। কোনো ঠাইত ঘৰ জ্বলিলে এচ, ডি, চি সকল স্পটলৈ যোৱা প্রয়োজন আছে।

Private Members Bill

Mr. Deputy Speaker : Now, Item No. 5. Hon'ble Shri Hitendra Nath Goswami to beg leave to introduce "The Assom prohibition of Ragging in the Educational Institutions and their Hostels Bill, 1995;

Sri Hitendra Nath Goswami : Sir, I beg leave to introduce 'The Assam Prohibition of Ragging (In Educational and their Hostels) Bill 1995.

শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, মই এই বিষয়টোৰ সংক্রান্তত দুষাৰমান কব খুজিছো। মোৰ এই বিলখন সদনে হয়তো গ্রাহ্য নকৰিবও পাৰে

* Speech not corrected.

কিন্তু এই ক্ষেত্রত আজি যিটো অবস্থাৰ সৃষ্টি হৈছে সেই ক্ষেত্রত আমি গভীৰ ভাবে চিন্তা চৰ্চা কৰা প্রয়োজন হৈ পৰিছে। আজি আমাৰ মহাবিদ্যালয় সমূহৰ হোষ্টেল সমূহত ৰেগিংৰ পৰা যিটো ব্যাধিৰ সৃষ্টি হৈছে সেইটো অতি সোনকালে বন্ধ কৰাৰ কাৰণে আমি ব্যৱস্থা হাতত লোৱা উচিত আৰু এই ক্ষেত্রত মই ভাবো বিশেষকৈ কলেজ সমূহৰ প্রিন্সিপাল আৰু হোষ্টেল চুপাৰ সকলে এই ক্ষেত্রত আগ ভাগ লৈ এই ব্যাধি বন্ধ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৰ লাগে। সেইবাবে আমাৰ ছাত্র-ছাত্রী সকলেও তেওঁলোকৰ নিজ নিজ কলেজ সমূহত নজৰ ৰাখি এই ৰেগিংৰ পৰা হৰ পৰা ক্ষতিৰ প্রতি লক্ষ ৰাখি প্রতিকাৰৰ উপায় চিন্তা কৰিব পাৰিলেহেতেন। কিন্তু এই ক্ষেত্রত আজি কোনেও মনোযোগ দিয়া নাই। তাৰ পৰিবর্ত্তে আজি কলেজ সমূহৰ হোষ্টেলবোৰত ৰেগিংৰ নামত আনক শাস্তি দি ৰং পোৱা মানসিকতাৰে পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ দ্বাৰা আজিৰ যুৱক যুৱতী সকলৰ যুৱ মানসিকতাৰ সলনি হৈছে। এনে কার্য্যৰ দ্বাৰা যুৱক যুৱতী সকলৰ মনত এটা চেলেভিষ্ট মেণ্টেলিটি গঢ়ি উঠিছে আৰু তেওঁলোকে এই অপৰাধমূলক কার্য্যবোৰ ক্রমান্বয়ে বৃদ্ধি কৰি নিয়াৰ ফলত ৰেগিং সমাজৰ এক ব্যাধিলৈ পৰিবর্ত্তিত হৈছে। এই ব্যাধিটো যেতিয়ালৈকে বন্ধ কৰিব পৰা নাযায় তেতিয়ালৈকে সেইটো চলিয়েই থাকিব বৰং আৰু বৃদ্ধিহে পাব। আমি এটা কথা দেখিবলৈ পাইছো যে কোনো কোনো ক্ষেত্রত হোষ্টেলৰ চুপাৰ বা প্রিন্সিপাল সকলে এই বিষয়টো গুৰুত্বৰ সহকাৰে লবলৈ নিবিচাৰে। কিন্তু এই ব্যাধিয়ে যিটো ৰূপ লৈছে তাৰ ফলত আজি অসংখ্য বহুতো কলেজত বহুতো মেধা ছাত্র-ছাত্রীয়ে পঢ়াৰ আশা ত্যাগ কৰি গুছি যাবলৈ বাধ্য হৈছে। এইটো সময় থাকোতেই নিয়ন্ত্রীত কৰিব লাগিছিল। কিন্তু তাকে নকৰাৰ কাৰণে এইটো পৰম্পৰা গত ভাবে চলি গৈ এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। মই জানো যে আজিৰ এই বিলখন হয়তো সদনত গ্রাহ্য নহব কিন্তু চৰকাৰে ভবিষ্যতৰ কাৰণে এই বিষয়টোৰ ক্ষেত্রত চিন্তা চৰ্চা কৰি বিশেষকৈ ৰেগিংৰ দৰে এক অপৰাধী, অমানবীয় সংস্কৃতিৰ পৰা আজিৰ যুৱক যুৱতীক মুক্ত কৰাৰ অর্থে এক সমূহীয়া পদক্ষেপ গ্রহণ কৰা উচিত।

উপাধ্যক্ষ মহোদয়, এটা কথা কবলৈ অতি দুখ লাগে যে এই বছৰ অসমত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া মুঠ ২ লাখ ৪৮ হাজাৰ ছাত্র-ছাত্রীৰ মাজত যি জন প্রথম হৈছিল তেওঁ ৰেগিংৰ বলি হৈ কটন কলেজ এৰি যাবলৈ বাধ্য হৈছে। এনে ঘটনা আমি সহজ ভাবে ললে নহব। এইবাৰ চলিত বিধান সভাতো

এটা প্রশ্নৰ উত্তৰত চৰকাৰে স্বীকাৰ কৰিছে যে কটন কলেজৰ পৰা ৩ জন ছাত্ৰ আৰু যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ পৰা ৪ জন ছাত্ৰই ৰেগিঙৰ কাৰণে এই বছৰত কলেজ এৰি গুচি যাব লগা হৈছে। আন এটা ঘটনা ২৩ আগষ্টৰ 'আজিৰ অসম' কাগজত প্ৰকাশ পাইছে যে যোৰহাট ইঞ্জিনিয়াৰিং কলেজত গোলাঘাটৰ এজন লৰাক ৰেগিংৰ নামত নিজৰ গালত ২০০ চৰ মাৰি দিয়া হয়। লৰাজনে নিজৰ গালত চৰিয়াব লগা হোৱাত বিমোৰত পৰে যদিও বাধ্য হৈ চৰিয়াবলৈ ধৰে। কিন্তু তেওঁ নিজে মৰা চৰত অন্যান্য সকল সন্তুষ্ট নহৈ তেওঁলোকে লৰাজনৰ গালত চৰিয়াব ধৰে। এনে ধৰণৰ অমানুষিক শাস্তি পোৱাৰ পিচত লৰা জনে কলেজ এৰি যাবলৈ বাধ্য হয়। এনে ধৰণৰ ঘটনা ইয়াৰ আগতেও আমি এই সদনত আলোচনা কৰিছো। ৰেগিঙৰ বলি হৈয়েই যোৰা বছৰ কটন কলেজৰ মেধাৰী ছাত্ৰ গৰ্গৰামেও মৃত্যু বৰণ কৰিব লগা হৈছিল। সেই কাৰণে ৰেগিংৰ ফলত আজি যিটো ব্যাধিৰ সৃষ্টি হৈছে সেইটো বন্ধ কৰিবৰ কাৰণে আৰু এক বিকৃত যুৱ মানসিকতা বৃদ্ধি হোৱাৰ প্ৰবনতাক বাধা দিয়াৰ কাৰণে আমাৰ সদনৰ এক বিশেষ কৰ্ত্তব্য আছে আৰু সেই কাৰণে মই আজি এই বিলখন সদনত উৎথাপন কৰিছো। সদনৰ জ্ঞাতাৰ্থে ইয়াৰ ষ্টেটমেণ্ট অৰ অবজেক্টটো পঢ়ি দি বিলখন আলোচনাৰ বাবে গ্ৰহণ কৰিবলৈ সদনৰ অধ্যক্ষ ডাঙৰীয়াৰ জৰীয়তে সমূহ সদনক আহ্বান জনালো।

In order to arrest and prohibit the menace of ragging and threat caused by the evil designs of ragging in educational institutions and their hostels by some unscrupulous elements the academic atmosphere in the state of Assam has vociferously affected. The atmosphere has sprayed in such a degree that the guardians are unwilling to send their brillant sons and daughters to the educational institutions for prosecuting higher studies.

With a view to remove the suspicions, doubts and threat in the minds of guardians, teachers and the students communities the prohibition of ragging in the educational inttitutions and their hostels is immediate necessity. Hence, I beg leave to introduce the Assam prohibition of ragging in the educational institutions and their hostels Bill 1995.

Shri Giasuddin Ahmed : Mr. Deputy Speaker Sir, I would like to say a few words in this regard. Sir, before

this motion is put, I would rather like to appeal to the Goverment not to take this issue as a political or prestige issue. The matter is a very important one and it is one of the most burning problems of the State. It should not be taken as a prestige issue or political issue only because the Bill is sought to be introduced by one Hon'ble Member from the Opposition Bench. That Sir, we have seen earlier also that whenever any bill is sought to be introduced from the Opposition Bench it is invariably opposed from the Treasury Bench and it happens. Sir. I think this should not be repeated in this particular case. I think all Hon'ble Members of this August House will agree that the problem of ragging has taken dangerous dimension and unless and until this is stopped by a Legislation the future of Education in the state will be very much jeopardised. That is why Sir, I would request the Government not to take this as a prestige issue. If the Government thinks that they themselves will bring a similar sill then of-course the Hon'ble Members may consider this matter.

So, this should not be rejected outright by majority votes. Sir, we should forget the difference between the Treasury Bench and Opposition in this case, it is a general problem for all sections of the people of the State. So, I hope, the Government will take a positive step in this regard with these few words Sir, I conclude.

* শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্র ২ মিনিট কম। যি হওঁক প্রশ্ন হৈছে গোস্বামী ডাঙৰীয়াই যিখন ৰেগিং আইনৰ বিল আনিছে তাত আমাৰ এজন লাৱনেট সদস্য শ্রীগিয়াচুদ্দিন আহমেদ ডাঙৰিয়াইও সমর্থন কৰিছে। আজি অসমৰ বিভিন্ন ঠাইত ৰেগিং হৈছে তাৰ ফলত অভি-ভাৱকৰ অৱস্থাও ৰেয়া হৈ গৈছে। এই ভয়াবহ ৰেগিংৰ ফলত ব্রিলিয়েণ্ট ল'ৰা-ছোৱালী বিলাক পেচেণ্ট হৈ গৈছে। এই ৰেগিংৰ ক্ষেত্রত আজি যিখন বিল আনিছে সেইখনৰ এটা ভাল ব্যৱস্থা লবলৈ আপোনাৰ জৰিয়তে অনুৰোধ

★ Speech not corrected.

কৰিছো। আমি অপজিচনে এই বিলখন আনিছো বুলি নাকচ কৰাৰ চিন্তা নকৰি সদনত এটা ভাল ব্যৱস্থা লবলৈ অনুৰোধ কৰিছো। কনভেনচনেল প্ৰচেচত এই বিলখন যাতে পাচ হয় তাৰ কাৰণে অনুৰোধ কৰিলো। আমি যেতিয়া অসমৰ বিভিন্ন ঠাইত যাওঁ তেতিয়া আমাৰ অভিভাৱক বিলাকে এটাই প্ৰশ্ন কৰে যে আপোনালোকে সদনত বহু কথাই উৎথাপন কৰে কিন্তু স্কুল কলেজত ৰেগিংৰ কাৰণে ছাত্ৰ-ছাত্ৰী পঢ়িব নোৱাৰে, হোষ্টেললৈ আহিব নোৱাৰে তাৰ কাৰণে মাত নেমাতে কিয় ? স্কুল-কলেজত ৰেগিং হয়, আমি যেতিয়া কটন কলেজত পঢ়িছিলো তেতিয়া আমাকো ৰেগিং কৰিছিল। সেই ৰেগিংৰ কথাবিলাক বেলেগ আছিল। আমাক ডাঙৰ ডাঙৰ মানুহৰ কথা সুধিছিল, অমুক কোন, তমুক কোন ইত্যাদি। সেই চিনিঅ'ৰ লৰা বিলাকক আমি যথেষ্ট সন্মান কৰি চলিছিলো আৰু ৰেগিংৰ সময়ত উত্তৰ দিব নোৱাৰিলে লাজ পাই পঢ়া শুনা ভালকৈ কৰিছিলো। সেই চিনিঅৰ বিলাকক সন্মান কৰাৰ পৰমপৰা আজিও চলি আছে। আমি তেখেতলোকক এতিয়াও ৰাস্তা-ঘাটে দেখিলে মুৰ দুৱাই সন্মান কৰো। কিন্তু আজি সেই চিনিঅৰ বিলাকক জুনিয়ৰ বিলাকে দেখিলে ঘৃনা কৰে। কিয়নো সেই চিনিঅৰ বিলাকে জুনিঅৰ বিলাকক কলেজত, হোষ্টেলত যথেষ্ট সাস্তি দিছে। আজি সমাজখনত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। গতিকে আজি এই সমস্যাটো চচিয়েল সমস্যা হৈ পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, পালিয়ামেণ্টৰী মিনিষ্টাৰক মই অনুৰোধ কৰিম ৰুলচ এণ্ড প্ৰচিডউৰ ফৰ কনদাক্ট অৱ দি বিজিনেজ তাৰ ওপৰত বেচি জোৰ নিদি সমস্যা-টোৰ ওপৰত জোৰ দিলে ভাল হয়।

* শ্ৰীগোলোক ৰাজবংশী (পাৰ্লিয়ামেণ্টৰী মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে ৰুলচ বাদ দি কাম কৰিব লাগে। সেই সম্পৰ্কত মই তেখেতৰ লগত একমত। আজি ৰেগিংৰ ফলত যুৱক সকলৰ মাজত যি প্ৰতিক্ৰিয়া সৃষ্টি হৈছে তাৰেই এইটো প্ৰতিফল। ৰেগিংৰ যিখন বিল আনিছে সেইখন পাচ হৈ গলেই যে সমস্যা শেষ হব সেইটো নহয়। অৱশ্যে, ইয়াৰ দ্বাৰা কিছু 'চেক' হব। মানুহে আজি 'মাদাৰ' কৰিবলৈ ভয় নকৰে। এই বিলখনে সাস্তি দিয়াৰ ব্যৱস্থা আছে কিন্তু আইনে বাধা দিব নোৱাৰে। এইটো বৰ 'চিৰিয়াচ' বিষয়। এই সম্পৰ্কত ইতিমধ্যে শিক্ষা বিভাগলৈ এখন চিঠি আহিছিল আৰু মুখ্যমন্ত্ৰীলৈ ইয়াৰ কপি দিছিল। ডিপাৰ্টমেণ্ট এই

★ Speech not crroected.

ক্ষেত্রত ভেৰী চিৰিয়াচ। কি কৰিব পৰা যায় এই ক্ষেত্রত তেওঁলোকে চিন্তা চৰ্চা কৰি আছে। In addition to the Rules applicable to Govt. Bills in this conncetion, private members Bill pending before the House is also removed from the pending Bills registered in case of the members in charge ceases to be a member of the House or is appointed a minister. আজি প্রাইভেট মেম্বাৰ বিজিনেচ সেই কাৰণে এই প্রস্তাৱটো আজি শেষ কৰিব লাগিব কিয়নো কালিলৈ গভৰ্ণমেণ্ট বিজনেচ আছে। তেখেতসকলে কলচ বাদ দিবলৈ কৈছে যদিও সেইটো বাদ দিব নোৱাৰি। কালিলৈ গভৰ্ণমেণ্ট বিজিনেচ আছে যেতিয়া এইটো পুনৰ নেস্ক চেচনত আহিব লাগিব। কোনে জানে নেস্ক চেচন হয়নে নহয়। (— ভইচ — হব হব আপুনিটো জিকিবই।) গতিকে নেস্ক চেচনত যদি নাহে তেতিয়াহলে ডেফাৰ হব। সেইকাৰণে আমি চিৰিয়াচলি টেক-আপ কৰিছো আৰু এই বিলখন উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছো।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, তেখেত যেতিয়া এডাকেচন মিনিষ্টাৰ আছিল তেতিয়া 'হাউচত' কৈছিল যে চৰকাৰে এই বিল আনিবৰ কাৰণে বিবেচনা কৰি আছে। এতিয়া কথা হল এই বিল পাচ কৰি ব্যৱস্থা গ্রহন কৰিব লাগে আৰু ভবিষ্যতে যাতে তেনে কোনো ঘটনা পুনৰ নঘটে। তেনেকুৱা ব্যৱস্থা গ্রহণ কৰিবৰ কাৰণে আগবাঢ়ি অহা উচিত। বৰ্ত্তমান অসমৰ যুৱক সকলৰ যি সমস্যা সেইটো সমাধান কৰাত লেহেম কৰিলে নহব। আজি হাইস্কুল শেষান্ত পৰীক্ষাত প্রথম হোৱা, দ্বিতীয় হোৱা ছাত্রইও শিক্ষানুষ্ঠান এৰি যাব লগীয়া অৱস্থা হৈছে। এইটো বৰ দুর্ভাগ্যজনক ঘটনা। বহুতো ছাত্র তাৰ কাৰণে মৃত্যু মুখত পৰিছে। এই বিলখন পাচ কৰিলেই যে সমস্যা নাইকিয়া হব সেইটো নহয় কিন্তু ঘটনা যাতে পুনৰ নহয় তাৰ বাবেহে মই দৃষ্টি আকর্ষণ কৰিলো।

* শ্রীদেৱান জয়লাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিখন প্রস্তাৱ ৰখা হৈছে এইটো অতি গুৰুতৰ বিষয়। এই বিলখন ইনট্রডিউচ কৰিবলৈ দিব লাগে। আৰু আমাৰ দুয়োপক্ষকে আলোচনা কৰিবলৈ দিব লাগে। আলোচনা কৰাৰ পিচত পাচ হয় নহয় সেইটো পিচৰ কথা। যিহেতু বিষয়টো গুৰুত্বপূর্ণ গতিকে আলোচনা কৰিবলৈ দিব লাগে।

* Speech not corrected

Mr. Deputy Speaker : Hon'ble Minister has already stated in his reply that the Education Department is considering the case. Therefore, I request the hon'ble Member Shri Hitendra Nath Goswami to withdraw the Bill. Will you please withdraw the Bill ?

* Shri Hitendra Nath Goswami : Mr. Deputy Speaker sir, actually question of withdrawing the Bill at this stage does not at all arise. I wanted to introduce the Bill. So, I only request all the hon'ble Members cutting across the political line to support for introduction of this Bill. I know, we do not have the majority. Which would be required at the passing stage. I wanted to introduce the Bill to have a proper discussion on the subject. So sir, if you allow, the Bill will be introduced and there will be a proper discussion.

Mr. Deputy Speaker : I put the motion before the House. The motion is that Leave be granted to introduce 'The Assam Prohibition of Ragging (In Educational Institutions and their Hostels) Bill, 1995.'

(voices .... Leave not granted)

Now item No. 6, Shri Anowar Hussain.

(শ্রীআনোৱাৰ হুচেনে কবলৈ আৰম্ভ কৰোতেই সদনত গণ্ডগোল চলি থকাত শুনা পোৱা পোৱা নগল।)

* শ্রীচন্দ্র মোহন পাটোৱাৰী : উপাধক্ষ্য মহোদয়, এইটো আপুনি ভইছ ভোটত নাকচ কৰিলেই নহব ।

মাননীয় উপাধ্যক্ষ : প্রচিডিঅৰ লেপচ হোৱা নাই, এইখন ইনট্রডিউচ কৰিবলৈ দিয়া নহ'ল ।

* শ্রীচন্দ্র মোহন পাটোৱাৰী : উপাধ্যক্ষ মহোদয়, আপুনি ডিভিজন দিয়ক, মই এই সদনৰ এজন মেম্বৰ হিচাপে ডিভিজন বিচৰাৰ সম্পূর্ণ ৰাইট আছে ।

* Mr. Deputy Speaker : I have already given my ruling and I can not come back

★ Speech not corrected.

* শ্রীচন্দ্র মোহন পাটোৱাৰী : উপাধ্যক্ষ মহোদয়, আপুনি ডিভিজন দিবনে নিদিয়ে কওঁক । আপুনি কলিং দিয়ক ।

মাননীয় উপাধ্যক্ষ মহোদয় : মই কলিং দিছো ডিভিজন দিয়া নহয় ।

শ্রীআনোৱাৰ হুছেইন আপুনি এতিয়া কওঁক ।

Discussion on the pending private members Resolution

শ্রীআনোৱাৰ হুছেইন : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বক্তব্য কম কথাৰ ভিতৰত শেষ কৰিম । মই এটা কথা উল্লেখ কৰিব খুজিছো যে, মেৰিট আৰু স্পিৰিটক আমি বাদ দিব নোৱাৰো । (সদনত গণ্ডগোল চলি থকা বাবে শুনা পোৱা নগল) আজি বিধান সভাত এই প্রস্তাৱ গ্রহণ কৰিব নোৱাৰে । আমাৰ ইচ্ছা আছে, কিন্তু প্রস্তাৱ গ্রহণ কৰাৰ উপায় নাই । সেই কাৰণে ইয়াৰ বাবে দায়বদ্ধ ডঃ শর্ম্মা ডাঙৰীয়াহে হোৱা উচিত । মই পৰামর্শ দিছো চেখেতে যদি বিচাৰে তেতিয়া সংশোধিত ৰূপত এটা প্রস্তাৱ লৈ আহে নিশ্চয় গ্রহণ হব । কিন্তু সেই বিষয়ে মই আগতে অধ্যক্ষ মহোদয়ক পইন্ট অৱ অর্ডাৰৰ যোগেদি মই অনুৰোধ কৰিছিলো, যিহেতু এই প্রস্তাৱটো গ্রহণৰ অযোগ্য তথাপি মেৰিট আৰু স্পিৰিট বাদ দিব নোৱাৰি কিন্তু কিছুমান ত্রুটিৰ বাবে গ্রহণ কৰিব নোৱাৰি । শেষত দেখা গৈছে একো নহ'ল আমাৰ স্থিতিৰ এটা অসহায় অৱস্থা হ'ল । আমাৰ এনেকুৱা এটা স্থিতি হ'ল তাক কথাৰে প্রকাশ কৰিলে "দেখহ শুনহ নিৰন্তৰে হৰি হৰি বোল" ইয়াৰ বাহিৰে আমাৰ উপায় নাই । উপাধ্যক্ষ মহোদয় মই মাত্র এটা কথা উল্লেখ কৰিব খুজিছো— আমাৰ আধ্যাত্মিক জগতখন অতি বিচিত্র । মহাপুৰুষ যিসকল পৃথিবীলৈ আহিছে তেওঁলোক আগমনৰ ভবিষ্যতবানী নানা গ্রন্থত পোৱা যায় । মই এই কথা জানিবলৈ চেষ্টা কৰিছিলো যে শংকৰদেৱৰ আগমন সম্পর্কে কোনো কিতাপ-পত্রত পোৱা যায় নেকি ? সৌভাগ্য বশতঃ কমতাপুৰত শঙ্কৰদেৱৰ নামৰ এখন কিতাপত উল্লেখ আছে । সেয়েহে আধ্যাত্মিক জগতৰ বিচিত্র কথাবোৰ, ইয়াত সকলো কথা যুক্তিৰে আমি দোহাৰিব নোৱাৰো ।

উপাধ্যক্ষ মহোদয়, বেদ-পুৰাণ-উপনিষদত আজিৰ পৰা যীশুখৃষ্ট জন্মৰ প্রায় চাৰে চাৰি হাজাৰ বছৰৰ পৰা চাৰে তিনি হাজাৰ বছৰৰ আগতে অর্থাৎ আজিৰ পৰা প্রায় চাৰে চাৰি হাজাৰৰ পৰা চাৰে পাচ হাজাৰ বছৰ পুৰণি ।

★ Speech not corrected

মই কিছুমান গ্রন্থত উল্লেখ দেখিছো আৰু কিছুমান পঢ়িছোও। বেদ-পুৰাণ-উপনিষদ, অথৰ্ব্ব বেদ উপনিষদ ভবিষ্য পুৰাণ ভোজৰাজ উবাচ, অল্লোপনিষদ আদিত বহু শশ শ্লোক পোৱা যায়। অলোপ পৰিষদত উল্লেখ আছে ঃ হোতাৰমিন্দ্রো মহাসুবিন্দ্রাঃ অল্লো জ্যেষ্ঠং, শ্রেষ্ঠং, পৰমং পূণং ব্রাহ্মাণ অলাম॥ আৰো আছে 'অল্লো ৰসুল মহমদকং ৰৰস্য অল্ল অল্লাম আদল্লাহবুকমে ককম অল্লাবুক নিখাতকম॥' ৩॥ অর্থাৎ সকলো গুণৰ অধিকাৰী তেওঁ পূর্ণ জ্ঞানী, মহম্মদ আল্লাৰ ৰছুল। আল্লাহ আলোকময়, অক্ষয় এক, চিৰপৰিপূর্ণময় আৰু স্বয়ম্ভূ। এই শ্লোক বিলাক আজিৰ ৰচনা নহয়। আজিৰ পৰা প্রায় পাচ হাজাৰ বছৰৰ আগতে এই বিলাক লিখা হৈছিল। মই অভিভূত হৈ পৰিছো আৰু সেই কাৰণে শ্রদ্ধা আৰু ভক্তিত বেদ-পুৰাণ-উপনিষদৰ জ্ঞানময় আলোকৰ প্রতি মোৰ মূৰ দোঁ খাই যায়। এই ধৰণেই সকলো বিলাক মহা-পুৰুষৰ আগমন সম্পর্কে ভবিষ্যৎবাণী পোৱা নায়। শংকৰদেৱ সম্পর্কে অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছো। আৰো কৈছো কমতাপুৰত শংকৰদেৱ নামৰ গ্রন্থ এখন পোৱা গৈছে। সেই গ্রন্থত শংকৰদেৱ সম্পর্কে তেখেতৰ কমতাপুৰ ৰাজ্যত আশ্রয় লোৱা সকলোখিনি কথা বর্ণনা কৰা আছে। আমি জানো যে যিটো সময়ত শংকৰদেৱৰ আবির্ভাৱ হৈছিল সেই সময় আৰু তাৰ আগৰে পৰা সেই সময়খিনিৰ শিক্ষা ব্যৱস্থা আছিল গুৰুকুল পদ্ধতিৰ। তেনেকুৱা বহুত আশ্রম গোটেই ভাৰতবর্ষতে আছিল। বাৰাণসীৰ কথা আমি সকলোৱে জানো। বাৰাণসী আছিল বেদান্ত ধর্ম্মৰ চর্চ্চাৰ প্রাণকেন্দ্রস্বৰূপ। তাত আশ্রমত গুৰু আছিল বিষ্ণুপ্রিয়া সন্যাসী। তেওঁৰ প্রিয় শিষ্য আছিল ব্রজানন্দ সন্যাসী। গুৰুৱে শিষ্যক নির্দ্দেশ দিছিল যে তেওঁ কামৰূপ ৰাজ্যলৈ যাব লাগে আৰু তাত এখন ঠাইৰ যাৰ আদি আখৰ 'ৰ' আছে আৰু তাত এজন মহাপুৰুষ আছে তেওঁৰ নামৰ আদি আখৰ 'শ' পাব। সেই ঠাইখনেই হৈছে ৰৰদোৱা আৰু মহাপুৰুষ ব্যক্তিজনা হ'ল শংকৰদেৱ। তেখেতক গৈ ৰত্নাৱলী নামৰ এখন সংস্কৃত কিতাপ উপহাৰ দিব লাগে। এইখিনিকে শিষ্যক পৰামর্শ দিছিল। তেওঁ গুৰুৰ আদেশ মানি আহি ৰত্নাৱলী নামৰ কিতাপখন দিলে। এই কথাটো প্রসঙ্গক্রমে উল্লেখ কৰিলো। সংগ্রাম সিংহ বীৰ আছিল। চিলাৰায় বীৰ আছিল যিমান, সিমানে আছিল পণ্ডিত। কবি সাহিত্যিক হিচাবে তেওঁ বীৰৰ নিচিনাই সমানেই বিখ্যাত আৰু প্রখ্যাত আছিল। চিলাৰায় বাৰাণসীত পঢ়িবলৈ

গৈ এই ইতিহাস উদ্ধাৰ কৰিছিল। বাৰাণসীত গৈ সেই সন্যাসীৰ লগত কথা বতৰা হয় আৰু সেই সূত্রেই এই সকলো উদ্ধাৰ কৰিছিল। শংকৰদেৱ যে প্রকৃতার্থত মহাপুৰুষ তাত তিলমানো সন্দেহ নাই। সেইকাৰণে তেওঁৰ প্রতি শ্রদ্ধা ভক্তি আমাৰ আছে আৰু সেই কাৰণেই বিচাৰিছো সর্ব্বসন্মতিক্রমে শংকৰ দেৱৰ নামত এখন বিশ্ববিদ্যালয় হওক কিন্তু দুর্ভাগ্যবশতঃ সংশোধনী প্রস্তাৱটো নাহিল। সেই কাৰণেই সন্তুৱতঃ এইটো গ্রহণৰ অযোগ্য হৈ পৰিছে। মই আৰু বেছি কথা কব খোজা নাই। এইখিনি কথা কৈয়েই মোৰ বক্তৃতা সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Mr. Chittaranjan Patowary.

শ্রীচিত্রৰঞ্জন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, প্রথমে মই এই প্রস্তাৱটোৰ বিৰোধিতা কৰিছো। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে এই কেন্দ্রীয় বিশ্ব-বিদ্যালয় তুখন ইতিমধ্যে প্রতিস্থা হৈ গৈছে। লগতে এই দুয়োখনযে নামাকৰণো হৈ গৈছে। গতিকে প্রস্তাৱকে যদি আন্তৰিকতাৰে নামাকৰণ কৰিবলৈ বিচাৰিছিল তেতিয়াহলে অসমত গণপৰিষদ দলৰ চৰকাৰে থাকোতে সেই সময়ৰ কেন্দ্রীয় চৰকাৰক এই প্রস্তাৱ দিব লাগিছিল। এই কেন্দ্রীয় বিশ্ববিদ্যালয় স্থাপন কৰাৰ সময়ত আৰু আইন প্রণয়ন কৰাৰ সময়ত কেন্দ্রই অসম গণপৰিষদ দলৰ সাংসদ পৰাগ চলিহা, ডাঃ নগেন শইকীয়া, আটোৱাৰ ৰহমান আৰু প্রয়াত দীনেষ গোস্বামীও আছিল। এই বিশিষ্ট লোক সকল সেই সময়ত অসমত থকা সত্বেও কেন্দ্রীয় বিশ্ববিদ্যালয় আইন প্রণয়ন কৰাৰ সময়ত এই প্রস্তাৱ সেই সময়ত অসম ৰাজ্যৰ শাসনভাৰ চলাই থকা অসম গণপৰিষদ দলে দিব নোৱাৰিলে। গতিকে প্রস্তাৱটো আন্তৰিকতাৰে উত্থাপন কৰা হলে সেই সময়ত দিব পাৰিলেহেতেন। মই এতিয়া প্রস্তাৱটো আন্তৰিকতাৰে উত্থাপন কৰা বুলি সেই কাৰণেই নাভাবো। এই কাৰণেই উপাধ্যক্ষ মহোদয়, মই প্রস্তাৱটোৰ বিৰোধীতা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এই প্রস্তাৱৰ বিৰোধিতা কৰিছো। আন এটা দৃষ্টিকোনৰ পৰা মই বিৰোধিতা কৰিছো যে মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ আমাৰ সকলোৰে পৰম গুৰু। এই গুৰুজনাৰ নামত এখন বিশ্ববিদ্যালয় নামা-কৰণ হোৱাটো আপত্তি আছে। অসমৰ সকলো মানুহ বৈষ্ণৱ ধর্ম্ম অৱলম্বি মানুহ নহয়। আমাৰ অসমত বহুটো ধর্ম্ম আছে। যিহেতু আমাৰ দেশ ধর্ম্ম নিৰপেক্ষ

দেশ সেই কাৰণে এই গুৰুজনাৰ নামত এখন বিশ্ব বিদ্যালয় নামাকৰণ হোৱাটো নিবিচাৰো। তেখেত অকল ধৰ্ম্মগুৰুৱেই নহয়, তেখেতে অসমৰ সংস্কৃতি, সাহিত্যলৈ দিয়া অৱদান আৰু অসমৰ জনজাতিলৈ দিয়া অৱদান আমি কেতিয়াও নুই কৰিব নোৱাৰো। গতিকে এনে কাৰ্য্য আমাৰ সদনত আনুষ্ঠানিক ভাৱে অহাটো শোভা হোৱা নাই। মই প্ৰস্তাৱকক অনুৰোধ জনাইছো এই প্ৰস্তাৱটো উঠাই লওক। এই কথাটো থিক যে শংকৰদেৱ গুৰুজনাৰ নাম অৱমাননা কৰাৰ কথা নহয়। এই পবিত্ৰ সদনত দল নিৰ্ব্বিশেষে প্ৰস্তাৱ অনা হওক যে শংকৰ দেৱৰ জন্মস্থান বৰদোৱাৰ ওচৰে পাজৰে এখন বিশ্ব বিদ্যালয় পতাৰ পৰামৰ্শ দিয়ক তেনেধৰণৰ প্ৰস্তাৱত আমি একমত। উপাধ্যক্ষ মহোদয়, আগতেই যিহেতুকে বিশ্ববিদ্যালয়খনৰ নামাকৰণ হৈছে সেই কাৰণেও মই এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। সেই কাৰণে মই এই প্ৰস্তাৱ উঠাই লবৰ বাবে প্ৰস্তাৱকক অনুৰোধ কৰিছো আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Deputy Speaker : Now, Shri Mohibul Haque:

শ্ৰীমহিবুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই দুখন বিশ্ববিদ্যালয়ৰ এখন বিশ্ববিদ্যালয়ৰ নামাকৰণ শংকৰদেৱৰ নামত হব লাগে বুলি প্ৰস্তাৱ আগবঢ়াইছিল। উপাধ্যক্ষ মহোদয় এই প্ৰস্তাৱটোৰ ওপৰত ভালেকেইজন মাননীয় সদস্যই পক্ষে আৰু বিপক্ষে তেখেতসকলৰ মধুৰ ভাষণত যুক্তি প্ৰদশণ কৰিছে। উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে এটা কথা কবলৈ বিচাৰিছো শৰ্ম্মা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে তাত মোৰ মতে এটা ডাঙৰ ভুল লিপিবদ্ধ কৰিছে। এই মহাপুৰুষ শঙ্কৰদেৱ হৈছে জগত গুৰু এই প্ৰস্তাৱত মহাপুৰুষ শংকৰদেৱৰ নাম দিয়াটো ভুল কৰিছে। সেইটো হৈছে শংকৰদেৱৰ আগত মহাপুৰুষ শব্দটো প্ৰয়োগ কৰাৰ প্ৰয়োজন আছিল। যিজন ব্যক্তিক আমি জগত গুৰু বুলি আখ্যা দিছো, যিজন ব্যক্তিক আমি প্ৰত্যেকে হিন্দু, মুছলমান সকলো ধৰ্ম্মৰ মানুহে শ্ৰদ্ধা ভক্তিৰে নাম লয় সেইজনা ব্যক্তিৰ নামৰ আগত মহাপুৰুষ শব্দটো থকাটো বাঞ্ছনীয়। আজিলৈকে মহাপুৰুষ শংকৰদেৱৰ নামত যিবিলাক অনুষ্ঠান প্ৰতিষ্ঠান আছে সেই বিলাক নামাকৰণ কৰোতে মহাপুৰুষ শব্দটো ব্যৱহাৰ কৰা হৈছে। কাৰণ মহাপুৰুষ শংকৰদেৱ এজন অসাধাৰণ ব্যক্তি আছিল। তেখেতৰ ব্যক্তিত্ব আমাৰ নিচিনা সৰু সৰু ব্যক্তিয়ে আলোচনা কৰাটো কিমান সমিচীন সেইটো ভাবিব লাগিব। শৰ্মা ডাঙৰীয়া আজি সদনত উপস্থিত নাই,

থাকিলে ভাল আছিল। তেখেতে হয়টো এই কথা ভাবিয়েই ২ খন বিশ্ব-বিদ্যালয়ৰ ভিতৰত ১ খন বিশ্ববিদ্যালয়ৰ নাম শংকৰদেৱৰ নামে হব লাগে বুলি প্রস্তাৱ আগবঢ়াইছিল। তেখেতে হয়টো ভাবিছে এই বিশ্ববিদ্যালয়ৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱৰ নাম চিৰস্থায়ী হৈ থাকিব অসম তথা ভাৰতবৰ্ষৰ বুকুত। এই ক্ষেত্রত মই কব খুজিছো যে মহাপুৰুষ শংকৰদেৱৰ নাম যিমান দিন পৃথিবীত থাকিব, যিমান দিন সূৰ্য্য তৰা জিলিকি থাকিব সিমান দিনলৈ মহাপুৰুষ শংকৰদেৱৰ নাম অকল অসমতে নহয় ভাৰতবৰ্ষ তথা গোটেই বিশ্বতে জল জল পট পট কৈ জিলিকি থাকিব। এনে এটা স্তৰত এই মহান ব্যক্তি জনক বিশ্ব বিদ্যালয় এখনৰ নামাকৰণৰ জৰিয়তে জীয়াই ৰাখিব খুজিছে। শৰ্মা ডাঙৰীয়াই মনত ৰখা উচিত যে মহাপুৰুষ সকল সদায় অমৰ। এই ক্ষেত্রত আমাৰ পূৰ্ব্ববৰ্ত্তী বক্তা সকলে ভালেখিনি কথা দাঙি ধৰিছে। মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই হয়টো ভাবিছে যে আজি শংকৰদেৱৰ নামত এখন বিশ্ববিদ্যালয় নামাকৰণ কৰিলে তেখেতৰ প্রতি সন্মান কৰা হব। এনেয়েও মই ভাবো মহাপুৰুষ জনাৰ প্রতি জনসাধাৰণৰ শ্রদ্ধা ভক্তি সদায় অটুত থাকিব। উপাধক্ষ মহোদয়, গতিকে এই ক্ষেত্রত মই কব খোজো যে ইমান বিশাল ব্যক্তিত্ব থকা জগত গুৰুজনাৰ নামত বিশ্ববিদ্যালয়ৰ নামটো জৰিত কৰিলেই তেখেতৰ প্রতি সন্মান দেখুৱা নহয়। আজি মহাপুৰুষ শংকৰদেৱৰ বাণী আমাৰ প্রতিজনৰ অন্তৰত জল জল পট-পট কৈ আছে। তেখেতৰ বিশাল ব্যক্তিত্ব আৰু বিশাল আদর্শ আজি এখন বিশ্ববিদ্যালয়ৰ নামাকৰণতে সীমিত ৰখাৰ কোনো যুক্তি নাই বুলি মই ভাবো।

Ms. Deputy Speaker : It is now 1-30 P. M. now the house stands adjourned till 9 A. M. tommorrow, the 27th September 1996.

ADJOURNMENT

The House then stood adjourned at 1-30 P. M. till 9. A. M. tommorrow, the 27th September, 1995.

D. Talukdar
Secretary,
Assam Legislative Assembly.

Dispur,
The 26th September, 1995.

তালিকা 'ক'

বিষয়	প্রথম বান পানীত হোৱা ক্ষয় ক্ষতি	দ্বিতীয় বান পানীত হোৱা ক্ষয় ক্ষতি	তৃতীয় বানপানীত হোৱা ক্ষয় ক্ষতি
১। মুঠ প্রাণ হানি			
হোৱা লোকৰ সংখ্যা	১১ জন	৩৭ জন	২ জন
২। নষ্ট হোৱা খেতি	৩৭,৭৭১ ০৫	২,১৮,৪৪৯	৯,৭৪৫
মাটিৰ পৰিমান	হেক্টৰ	হেক্টৰ	হেক্টৰ
৩। পশুধন হানিৰ সংখ্যা	—	১২,১০৪	৪০ টা
৪। মুঠ ক্ষতিগ্রস্ত হোৱা	২,১০,৬০৬	৭,০০,২৬৭	১,৩৫,৬৯৬
এলেকা	হেক্টৰ	হেক্টৰ	হেক্টৰ
৫। আক্রান্ত হোৱা	(১৮ খন)	(১৮ খন)	(১৮ খন)
জিলাৰ নাম	ধেমাজি, ধুবুৰী, যোৰহাট, কামৰূপ, তিনচুকীয়া, নলবাৰী, কোকৰাজাৰ, বঙ্গাইগাওঁ, দৰং, বৰপেটা, নগাওঁ, মৰিগাওঁ, ডিব্রুগড়, গোৱালপাৰা, হাইলাকান্দি, বঙ্গাইগাওঁ, কাৰিআলং, গোলাঘাট, কৰিমগঞ্জ	উত্তৰ লক্ষীমপুৰ ধেমাজী, ডিব্রুগড়, যোৰহাট, নগাওঁ, মৰিগাওঁ, দৰং, শোনিতপুৰ, নলবাৰী, বৰপেটা, ধুবুৰী, গোৱালপাৰা, কামৰূপ, গোলাঘাট, কোকৰাজাৰ, তিনিচুকীয়া	ধেমাজী, তিনচুকীয়া, ডিব্রুগড়, শিৱসাগৰ যোৰহাট, বঙ্গাইগাওঁ দৰং, ধুবুৰী।

Annexure—II তালিকা 'খ'

১৯৯৫-৯৬ চনত বাননিয়ন্ত্রণ বিভাগে বাৰ্ষিক পৰিকল্পনাৰ শিতানত ৰূপায়ন কৰিবলৈ লোৱা আঁচনিৰ আকাৰ তলত উল্লেখ কৰা হ'ল।

1. State plan for General Areas :—	Rs. 2,241.00 Lakhs.
2. Special plan assistance for : one project under Borak valley	Rs. 100.00
	Rs, 2,341.00 Lakhs

(Detailed break up is shown in Annexure "A"

3. Central Loan Assistance (C.L.A) plan Rs. 2,500.00 Lakhs
4. Hill Areas plan Rs. 135.00 Lakhs

State plan for General Areas ৰ অধীনত বৰ্ত্তমানে চলি থকা ১৩১ খন আঁচনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১ খন নতুন আঁচনি আৰু বৰাক উপত্যকাৰ কেইখনমান নতুন আঁচনি এই বছৰত ৰূপায়ন কৰা হব পাৰে।

Hill Area Plan ৰ অধীনত ১০ খন চলি থকা আঁচনিৰ আৰু ৪ খন নতুন আঁচনি কার্য্যকৰী কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

Central Loan Assistance plan অধীনত ৮ খন চলি থকা আঁচনিৰ লগতে আৰু ৩ খন নতুন আঁচনি কার্য্যকৰী কৰাৰ বাবে হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত ৫ টা বৃহত প্ৰকল্পও আছে।

Annexure—III

Annexure-I

TINSUKIA ZILA SAKHARATA SAMITY

Dak Banglow,
Tinsukia, 786125

Receipts & payments Account for the period from 05-11-93 to 11-09-95

Receipts	Rs.	Payments.	Rs.
To Grant in Aid A/c : 68,89,620,00		By Printing of Forms	51,107-00
To Security Deposit :	25,000.00	By Environmental Building :	
To Bank Interest :	3,277.03	Signboard :	10,850-00
		Banner :	36,619-00
		Heardings :	23,500-00
		Flags :	38,020-00
		Walling :	11,001-00
		Children Rally :	150-00
		Poster :	61,000-00
		International Literacy Day :	35,000-00

Slogan	:	5,640-00
Mohila Samarah	:	3,412·74
Sarai	:	4,870-00
Badges	:	1,64.140-00
Sticker	:	58,750-00
Cycle Rally	:	5,000-00
		4,57,953-24
By Honararium A/C :—		
Project Co-Or :	65,000 00	
Sub-Project :	3,23,200·00	
Project Astt. :	47,300 00	
		4,35,500-00
By Salary to Dist: Office		85,750-00
By Expenditure of Survey		83,393-00
By Vol. Training Programme		98,389-00
By Master Trainer		
By Key Resource Person		29,205-14
By G. P. Level Convention		73,004-00
By exp. on Cultural Team		32,807-50
By Tender & Quotation		6,306-00
By Office Stationery		89,661-44
By POL & Lubricants		98,931-91
By Travelling Allowance		22,766-35
By Vehicle Hiring Charges		61,390-00
By Contingency		1,03,778-15
By Miscl.		10,240-00
By Videography		25,.00-00
Telephone Installation		6,294-00
By 3 Days Vol. Tr. Prog.		9,44,384·76
By IInd Phase Vol. Tr. Prog.		3,58,725-00
By Dist. Cultural Meet		36,807·00
By I Day KRP/MT Trng.		19,200-00
By Teaching & Learning :—		

Carrying :		64,015-55
Slates :		11,77,000-00
Hand Book :		1,10,432-00
IPCL-I :		15,22,074-00
IPCL-II :		6,00,000-00
Pencil :		17,537-00
		34,91,058-55
By Assam General Sales Tex		34,726-00
By Monitoring A/C		1,12,934-44
By Vehicle Repairing Charges		11,808-68
By preparation of Audio		41,800-00
By Bank Commission		86-00
By Cash & Bank Balance :		
Savings A/C No. 3894, Union Bank of India, Tsk :		19,645-00
Cash in Hand	:	14,459-84
		34,104-84
69,17,897-00		69,17,897-00

Sd/- Rajen Baruah,
Member Secy.,
TZSS.

Annexure—IV

Annexure—II

List of Executive Committee (Tinsukia Zila Sakharata Samity :

1. Dr. B.K. Gohain, I.A.S.	President	Deputy Commission Tinsukia (Assam)
2. Shri Rajen Baruah	Secretary	Sr. B.E.O. Hapjan Dev. Block
3. Shri B. Baruah	Member	Addl. Deputy Commissioner, Tinsukia (Assam)

